

320.92
DAS

# ডঃ আম্বেদকাৰ, ভাৰতীয় সংবিধান

Assam Institute of Research for Tribals and Scheduled Castes Library
Jawahar Nagar,
Guwahati-781022.
DATE..............

# ডঃ আম্বেদকাৰ, ভাৰতীয় সংবিধান আৰু আমি

সংগ্ৰহ আৰু সম্পাদনা :
শ্ৰীনীলমণি দাস

AIRTSC, LIBRARY
CLASS NO 890.92
BOOK NO DAS
ACC. NO 4082
DATE 30/4/97

অনুসূচী প্ৰকাশন
গুৱাহাটী

Dr. Ambedkar, Bharatiya Sangbidhan Aru Ami a collection edited by Nilamoni Das, Guwahati for Anusuchi Prakashan, Guwahati with financial assistance from Institute of Research for Tribals and Scheduled Castes, Assam, Guwahati.

ডঃ আম্বেদকাৰ, ভাৰতীয় সংবিধান আৰু আমি

প্ৰকাশক ঃ অনুসূচী প্ৰকাশন, গুৱাহাটী
অসম জনজাতীয় আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানৰ আৰ্থিক অনুদানত প্ৰকাশিত।

প্ৰথম প্ৰকাশ ঃ চেপ্তেম্বৰ, ১৯৯২ ইং চন

বেটুপাত ঃ শ্ৰীধ্ৰুৱ ডেকা
গুৱাহাটী

মূল্য ঃ ২০·০০ টকা

মুদ্ৰণ ঃ শৰাইঘাট প্ৰিণ্টাৰ্ছ,
এম, চি, ৰোড, গুৱাহাটী-৩

# আগকথা

Institute of Research for Tribals and ... Jawahar Nagar, Guwahati-781022. DATE

ডঃ আম্বেদকাৰৰ জন্ম শতবাৰ্ষিকী বহুদিনীয়া কাৰ্য্যসূচীৰে সমগ্ৰ দেশতে পালন কৰা হৈ গল। লগতে অসমতো। কিন্তু এজন দূৰদৰ্শী আইনবিদ আৰু ৰাজনীতিবিদ হিচাপে ডঃ আম্বেদকাৰৰ সম্পৰ্কত যিখিনি কিতাপ পত্ৰ প্ৰকাশ পাব লাগিছিল, সি বাস্তৱ নহল।

এই সন্দৰ্ভত উল্লেখ কৰিব পাৰো যে অসম অনুসূচীত জাতি যুৱ-ছাত্ৰ পৰিষদ ও অনুসূচীত জাতি পৰিষদৰ সৌজন্যত ১৯৯০ চনৰ ৮ ডিচেম্বৰত এখন আলোচনা চক্ৰ অনুষ্ঠিত হৈছিল। বিষয় আছিল "ডঃ আম্বেদকাৰ, ভাৰতীয় সংবিধান আৰু আমি"। উক্ত বিষয়ৰ ওপৰতে এখনি গ্ৰন্থ প্ৰকাশৰ আঁচনি আমি হাতত লওঁ। বিষয়ৰ ওপৰত সংগতি ৰাখি বিভিন্ন সংকলন আৰু আলোচনা/আলোচনীত পঠিত/প্ৰকাশিত ৰচনা সংগ্ৰহ কৰি বৰ্তমানৰ প্ৰকাশনৰ ব্যৱস্থা লোৱা হৈছে। বিভিন্ন লিখকসকলৰ ডঃ আম্বেদকাৰৰ প্ৰতি থকা আগ্ৰহৰ বাবে আমি নথৈ আনন্দিত হৈছো আৰু তেওঁলোকৰ লিখনি সংগ্ৰহ কৰি সংকলন কৰিবলৈ পাই আমি কৃতাৰ্থ হৈছো। লিখকৰ মূল প্ৰাণ নষ্ট নকৰাকৈ যি ভাষাত তেখেতৰ প্ৰবন্ধ প্ৰকাশ কৰা হৈছিল সেই ভাষাকে সংকলনটিত সন্নিবিষ্ট কৰা হৈছে।

সংকলনটি প্ৰকাশ কৰাত সম্ভৱ কৰি তোলাৰ বাবে অসম জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানৰ তেতিয়াৰ সঞ্চালক শ্ৰীবুদ্ধীন্দ্ৰ বৰদলৈ আৰু এতিয়াৰ সঞ্চালক হৰীশ সোণোৱাললৈ আমাৰ কৃতজ্ঞতা জনাইছো। লগতে মুদ্ৰণৰ বাবে শৰাইঘাট প্ৰিণ্টাৰ্ছৰ গৰাকী আৰু কৰ্মীবৃন্দলৈ ধন্যবাদ থাকিল।

নমস্কাৰেৰে—
নীলমণি দাস
গুৱাহাটী

LIBRARY
CLASS NO ........
BOOK NO........
ACC. NO. 4082
DATE........

## সূচীপত্ৰ

### ডঃ আম্বেদকাৰ


১। ডঃ ভীমৰাও ৰামজী আম্বেদকাৰ —সৌমিত্ৰ কুমাৰ দাস ১

২। সমাজ সংস্কাৰক ডঃ আম্বেদকাৰ —চন্দ্ৰ কমল দাস ৯

৩। Why Dr. Ambedkar convert in Buddhism —C. R. Sarkar ১৮

৪। অসমত বৌদ্ধ তান্ত্ৰিকতা আৰু অনুসূচীত জাতিৰ লোকসকল —সূৰ্য্য দাস ২২


### ডঃ আম্বেদকাৰ আৰু ভাৰতীয় সংবিধান


৫। A founder of Golden thought—Gunati Gogoi ২৮

৬। ভাৰতীয় সংবিধানৰ জনক ডঃ আম্বেদকাৰ —ৰূপা বেজবৰুৱা ৩৫

৭। Constitution of India : the Federal Structures —Dharanidhar Mahanta ৪১


### ভাৰতীয় সংবিধান আৰু আমি


৮। হৰিজন সেৱা —ইন্দিৰা মিৰি ৫৩

৯। অসমৰ অনুসূচীত জাতিসমূহৰ আৰ্থসামাজিক সমস্যাবাজি —ডাঃ তাৰানাথ দাস ৫৭

১০। অসমৰ অনুসূচীত জাতি মৎস্যজীৱী সকলৰ আৰ্থসামাজিক সমস্যা —দিলীপ দাস ৮৪

১১। কেৱল মাত্ৰ ন্যায়ৰ বাবে —নীলমণি দাস ৯১


# ডঃ ভীমৰাও ৰামজী আম্বেদকাৰ


সৌমিত্ৰ কুমাৰ দাস

ধুবুৰী


মহামতি ভীমৰাও ৰামজী আম্বেদকাৰ ইংৰাজী ১৮৯১ চনৰ ১৪ এপ্ৰিল তাৰিখে বোম্বে প্ৰদেশৰ ( সম্প্ৰতি মহাৰাষ্ট্ৰত ) ৰত্নগিৰি জিলাৰ গাৱঁত অস্পৃশ্য "মাহাৰ" সম্প্ৰদায়ত মাতা ভীম বাঈৰ গৰ্ভত আৰু পিতা ৰামজী মালোজী চকপালৰ ঔৰষত জন্ম গ্ৰহণ কৰিছিল।

সেই সময়ত বৃটিছ শাসনৰ প্ৰাৰম্ভত সৈন্যদলত লোক ভৰ্তিৰ কাৰণে বৃটিছ প্ৰশাসক সকলে ( দ্বিতীয় গ্ৰেনেডীয়াৰে ) সৈন্যদলত অচ্যুৎ সম্প্ৰদায়ৰ পৰাও লোক ভৰ্তি কৰিছিল। সেই দলত ৰামজী মালোজী চকপালেও সুবেদাৰ মেজৰৰ পদত সুখ্যাতিৰে চাকৰি কৰিছিল।

অষ্টাদশ শতাব্দীত ভাৰতত জাত-পাতৰ উচ্চ-নীচ, ছুৱা-চ্যুৎ আদিৰ ব্যৱস্থা সমাজত বহুল ভাবে প্ৰচলিত আছিল। বিশেষকৈ বৃটিছ ৰাজ্য বিস্তাৰৰ পূৰ্বে উচ্চবৰ্ণৰ হিন্দু আৰু ব্ৰাহ্মণ ব্যতিৰেকে অন্যান্য সম্প্ৰদায়ৰ মাজত শিক্ষা বিস্তাৰৰ কোনো ব্যৱস্থা নাছিল। সেই কাৰণে ইংৰাজ চৰকাৰে সকলোৰে কাৰণে শিক্ষা নীতি প্ৰচলন কৰিলেও শূদ্ৰ তথা অতি শূদ্ৰলোক সকলৰ কাৰণে শিক্ষাৰ দুৱাৰ বহুদিন ধৰি বন্ধ আছিল; আনকি ইংৰাজী ১৯৩৪ চনৰ পূৰ্বলৈকে অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণেও স্কুল কলেজৰ ছাত্ৰাবাসত স্থান নাছিল। এনেকি যথোপযুক্ত শিক্ষিত ছাত্ৰ স্কুলেও চাকৰিত তেওঁক গ্ৰহণ কৰা নহৈছিল।

ডাঃ ভীমৰাও আম্বেদকাৰ শিশু কালৰে পৰা অৱগত হৈছিল যে অবিভক্ত ভাৰতবৰ্ষত অনুন্নত জাতিৰ লোক চৈধ্য কৌটিৰ উৰ্ধত আছিল। সেইবোৰক ৪৩০ টা পৃথক পৃথক সম্প্ৰদায়ত বিভক্ত কৰি ৰখা হৈছিল। মহাৰাষ্ট্ৰ প্ৰদেশৰ অন্যান্য সম্প্ৰদায়ৰ তুলনাত মাহাৰ জাতিৰ লোকৰ সংখ্যাই আছিল সৰ্ব্বাধিক। সেই সময়ত এই সম্প্ৰদায়ৰ লোকসকলে মাৰাঠা দেশত ৰাষ্টাত চলাচল কৰাৰ সময়ত থু পেলাবৰ কাৰণে এটা মাটিৰ পাত্ৰ ডিঙিত বান্ধি আৰু এটা ঝাৰু ৰচিৰে কঁকালত বান্ধি লব লাগিছিল। কিয়নো ব্ৰাহ্মণ পুৰোহিত আৰু উচ্চবৰ্ণৰ হিন্দু সকল বাটত চলাচল কৰাৰ সময়ত যাতে নিম্ন সম্প্ৰদায়ৰ লোকৰ পদচিহ্ন আৰু থু আদি গছকি অপবিত্ৰ নহয়। কোনো উচ্চবৰ্ণৰ হিন্দু মানুহে যদি তেনেকুৱা ভৰিৰ স্পৰ্শ কৰে তেন্তে তেওঁক প্ৰায়চিত্ত কৰিব লাগিছিল, নহলে তেওঁ পতিত হৈছিল। সেয়েহে এই সমাজৰ সকলোবোৰ অনুশাসনে শূদ্ৰ, অতি শূদ্ৰ আৰু তেনে ধৰণৰ জনজাতীয় লোক সকলক বৰ্ণ হিন্দু লোক সকলে বাস কৰা ঠাইৰ পৰা দূৰত বাস কৰিবলৈ বাধ্য কৰিছিল বিশেষকৈ শ্মশান, জঙ্গল আৰু পাহাৰৰ ভিতৰত বা নদীৰ পাৰত বাস কৰিবলৈ বাধ্য কৰাইছিল।

বৃটিছ চৰকাৰৰ সময়ত সৈন্য বিভাগত চাকৰি কৰা লোক সকলৰ ল'ৰা-ছোৱালীৰ শিক্ষা বাধ্যতামূলক আছিল। সেই কাৰণেহে ডঃ আম্বেদকাৰ শিশু কালত বিদ্যালয়ৰ শিক্ষা লোৱাৰ সুযোগ পাইছিল। কিন্তু পিতা ৰামজী চকপালে চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত সৈন্য বিভাগৰ স্কুলৰ পৰা সাধাৰণ স্কুললৈ ভৰ্তি হোৱাৰ সময়ত অন্যান্য ছাত্ৰ-ছাত্ৰী সকলে তেওঁক বেলেগকৈ বহিব দিছিল আৰু কুঁৱাৰ পৰা পানী খোৱাতো দূৰৰ কথা সকলো সময়ত তেওঁক দূৰ-দূৰ ছেই-ছেই কৰিছিল। ভীমৰাওৱে এই সকলোবোৰ অভিযোগ তেওঁৰ মাতৃক কৈছিল কিন্তু তেওঁৰ মাতৃয়ে তেওঁক একান্ত মনেৰে পঢ়া-শুনা কৰিবলৈ আশ্বাস দিছিল। কিন্তু



দুৰ্ভাগ্যৰ কাৰণত নিম্ন প্ৰাইমাৰী স্কুলত পঢ়ি থাকোতেই তেওঁৰ মাতৃ বিয়োগ ঘটে আৰু তেওঁৰ পেহী 'মীৰা'ৰ আশ্ৰয়ত ভীম আৰু অন্যান্য ভাই ভনী সকল ডাঙৰ হয়। নিম্ন প্ৰাইমাৰী স্কুলত পঢ়ি থাকোতেই তেওঁ এদিন পিয়াহ পলোৱাৰ কাৰণে এটা কুঁৱাৰ পৰা পানী খোৱা দেখি কিছু লোকে অতি নিষ্ঠুৰ ভাবে প্ৰহাৰ কৰাৰ ফলত তেওঁ অজ্ঞান হৈ যায়। শিশু ভীমৰাওৱে বুজিব পৰা নাছিল কেনেকৈ এজন পৰিষ্কাৰ কাপোৰ পিন্ধা মানুহে একেলগে পানী খালে কিবা দোষ হব পাৰে। কোনো নাপিতে তেওঁলোকৰ চুলি কটা নাছিল। পেহীয়েক মীৰাই ভীম আৰু অন্যান্য ভাই ভনী সকলৰ চুলি কাটি দিছিল।

নিম্ন প্ৰাইমাৰী স্কুলৰ বিদ্যা শিক্ষা শেষ কৰি বোম্বাইৰ 'এলফিন ষ্টোন' বিদ্যালয়ত মাধ্যমিক শিক্ষাৰ কাৰণে ভীমৰ পিতা ৰামজী মালোজী চকপালে ভৰ্তি কৰি দিয়ে, যদিও তাত ভীমক সংস্কৃত পঢ়িব দিয়া নহৈছিল। কিন্তু তেওঁ সংস্কৃত কিতাপ সংগ্ৰহ কৰি ঘৰতে অকলে অকলে সংস্কৃত অধ্যয়ন আৰম্ভ কৰে। বহুতো কষ্টকৰ অৱস্থাৰ মাজেদি তেওঁ মেট্ৰিকুলেচন পৰীক্ষা দি পাছ কৰে যিটো আছিল মহাৰাষ্ট্ৰৰ অচ্যুৎ সম্প্ৰদায়ৰ লোকৰ বাবে এক দৃষ্টান্ত। ঘৰত সংস্কৃত অধ্যয়ন কৰি শ্ৰীমদ্ভাগবত গীতা পাঠ কৰে। "চাতু-ৰ্ব্বৰ্ণ্যং ময়া সৃষ্টং গুণকৰ্ম্ম বিভাগশঃ" ভগবানৰ উক্তিৰ ব্যাখ্যা পাঠ কৰি ভীম আচৰিত হয়। ভগবানে কৈছিল গুণ আৰু কৰ্ম্ম অনুসাৰে সনাতন তথা হিন্দু জাতিক চাৰিটা ভাগত ভাগ কৰা হৈছে। কিন্তু বাস্তৱ ক্ষেত্ৰত সেইটো নহয়। কিশোৰ ভীম আৰু আশ্চৰ্য্য হয় যে বেদৰ যুগত কোনো জাতি ভেদ নাছিল। নিজৰ গুণ অনুসাৰে লোক এক জাতিৰ পৰা অন্য জাতিলৈ যাব পাৰিছিল। ভাৰতবৰ্ষৰ আদি কবি বাল্মিকী আছিল অনাৰ্য্য (Tribal) দস্যু। মুনি বৈশিষ্ঠ আছিল বেশ্যাপুত্ৰ। বিশ্বামিত্ৰ আছিল ক্ষত্ৰিয়। গীতাৰ উদ্ভাৱক আৰু বেদৰ লিপিকাৰ কৃষ্ণ দ্বৈপায়ন বেদব্যাসৰ মাক

আছিল কৈবৰ্ত্তনী ( Scheduled caste ) সত্যবতী আৰু পিতৃ প্ৰখ্যাত পৰাশৰ মুণি আছিল চণ্ডাল পুত্ৰ। সেই কৈবৰ্ত্তনী দুহিতাই আছিল কৌৰৱ পাণ্ডবৰ প্ৰপিতা মহী ; আৰু প্ৰপিতা মহ কুৰুৰাজ শান্তনুৰ প্ৰধান মহৰ্ষি। এই আটাইবোৰ শাস্ত্ৰ অধ্যয়ন কৰি যুৱক ভীমৰ মনত সকলো কথা পৰিষ্কাৰ হৈ পৰে আৰু ক্ৰমে বৰ্ণ হিন্দু সকলৰ স্বাৰ্থৰ সম্পূৰ্ণ অনুকূলে সৃষ্টি কৰি লোৱা সমাজ ব্যৱস্থাৰ প্ৰতি বিদ্ৰোহ ভাব জাগি উঠে। বহুযুগ ধৰি পুৰুষানুক্ৰমে এই সমাজ ব্যৱস্থাৰ আচৰণ বা অভ্যাসৰ দ্বাৰা শূদ্ৰ আৰু অতি শূদ্ৰ সকলৰ জীৱনত দাগ পৰি যায়। অশিক্ষিত, দৰিদ্ৰ, কুসংস্কাৰচ্ছন্ন শূদ্ৰ জাতিৰ লোকসকলে বৰ্ত্তমানত সেইবোৰ ভুল বুলি জানিও এৰিব নোৱাৰিছিল। সেই কাৰণে মুষ্টিমেয় চতুৰ সমাজ ৰক্ষক সকলৰ ওচৰত পৰা অন্ধ বিশ্বাসী জাতি গোষ্ঠী উত্তম দুগ্ধৱতী গাভীৰ নিচিনা আছিল এনে ধৰণৰ অবিচাৰ শোষণ পদ্ধতি দেখি বোম্বেৰ এলফিন ষ্টোন কলেজত পঢ়ি থকা অৱস্থাত বহুতো প্ৰবন্ধ লিখি নানা ধৰণৰ পত্ৰ পত্ৰিকালৈ ছপা কৰিবলৈ পঠাই দিয়ে। কিন্তু বৰ্ণ হিন্দু কৰ্ম্মচাৰী আৰু মালিক সকলে সেইবোৰ ঘূৰাই দিয়ে। ১৯১২ চনত বি, এ, পৰীক্ষাত উত্তীৰ্ণ হৈ ষ্টেট, ফৰ্চত সহকাৰী হিচাবে চাকৰিত যোগদান কৰে। মাত্ৰ ১৫ দিন চাকৰি কৰাৰ পাছত তেওঁৰ পিতা ১৯১৩ চনৰ ২ ফেব্ৰুৱাৰীত ইহলীলা সম্বৰণ কৰে। পিতাৰ মৃত্যুৰ পিছত মহাৰাজ চায়োজীৰাও গাই-কোঁৱৰৰ বৃত্তি লৈ উচ্চ শিক্ষাৰ কাৰণে আমেৰিকাৰ নিউইয়ৰ্কৰ কলম্বিয়া বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ যায়। আম্বেদকাৰ ১৯১৫ চনত 'এনসিয়েণ্ট ইণ্ডিয়ান কমাৰ্চ' নামৰ ৰচনাৰ কাৰণে মাষ্টাৰ ডিগ্ৰী লাভ কৰে। পিছত 'দা ইভালিউচন অব প্ৰভিন্সিয়েল ফাইনেন্স ইন বৃটিছ ইণ্ডিয়া' নামৰ ৰচনাৰ কাৰণে ডিগ্ৰী অব ফিলচফি উপাধি লাভ কৰে। অধিক শিক্ষাৰ কাৰণে ১৯১৬ চনৰ জুলাই মাহত তেওঁ ইংলেণ্ডলৈ আহে। এই সন্মিলনত তেওঁ লালা ৰাজপত



ৰায়ৰ লগত চিনাকী হয় আৰু ভাৰতত স্বাধীনতা সংগ্ৰামত সহ-যোগিতা কৰাৰ কাৰণে প্ৰভাৱ বিস্তাৰ কৰে। যেতিয়া তেওঁ 'লণ্ডন স্কুল অব ইকনমিক্স এণ্ড পলিটিকেল সায়েন্স' নামৰ বিদ্যালয়ত যোগদান কৰি প্ৰফেসাৰ কেনৰৰ তত্ত্বাৱধানত 'ডি, এচ, চি' ডিগ্ৰীৰ কাৰণে আৰু গ্ৰেইজ ইনত আইন বিষয়ে ১৯১৫ চনত অধ্যয়ন আৰম্ভ কৰে আৰু ডিগ্ৰী অব ফিলচফি লাভ কৰে। সেই সময়ত ১৯১৭ চনত গাইকোয়াৰৰ বৃত্তিৰ সময় শেষ হোৱাত মুক্তমনে ভাৰতলৈ ঘূৰি আহে। আৰু চুক্তি অনুযায়ী মহাৰাজৰ অধীনত সৈন্য বিভাগৰ চেক্ৰেটাৰীৰ পদত চাকৰিত যোগদান কৰে। কিন্তু সেই কাৰ্য্যালয়ৰ উচ্চবৰ্ণৰ হিন্দু সকলে এনে উচ্চ শিক্ষিত অস্পৃশ্য জাতিৰ ব্যক্তিৰ অধীনত চাকৰি কৰিবলৈ আৰু কোনো হোটেলত তেওঁক থাকিবলৈ আৰু খাব দিবলৈ অস্বীকাৰ কৰে। অৱস্থাৰ তাৰ-ণাত পৰি আম্বেদকাৰ এটি পাৰ্শী হোটেলত নাম গোপন কৰি থকাৰ কথা প্ৰকাশ পোৱাত হোটেলৰ পৰা বাহিৰ কৰি দি নিষ্ঠুৰ ভাবে প্ৰহাৰ কৰে। লাঞ্চনা আৰু অপমানত তেওঁ গোটেই ৰাতি এডাল গছৰ তলত বহি বহি কান্দে। পিছদিনা মহাৰাজৰ ওচৰলৈ গৈ ক্ষোভ আপত্তি দৰ্শাই সুবিচাৰৰ বাবে আবেদন জনায়। কিন্তু সুচতুৰ মহাৰাজে সকলো জানি শুনিও সুবিচাৰ কৰি কোনো বাহত জুই দিবলৈ ইচ্ছা নকৰিলে। তেওঁ এই ঘটনাৰ পিছত গভীৰ ভাৱে উপলব্ধি কৰিলে যে হিন্দু ধৰ্মত থাকিলে যিমানেই ভদ্ৰ, শিক্ষিত আৰু ধৰ্ম্মপ্ৰাণ নহওক অস্পৃশ্য বুলি ঘৃণা সদায় কৰিব। যদি ধৰ্ম্ম পৰিবৰ্ত্তন কৰি মুছলমান, খ্ৰীষ্টান, শিখ বা পাৰ্শী ধৰ্ম্ম গ্ৰহণ কৰা যায় তেতিয়াহে হিন্দু সকলৰ পৰা সন্মান পোৱা যাব। সেইবাবে সৰ্বপ্ৰথম অৱহেলিত জাতি সকলক সৰ্বপ্ৰথম কুসংস্কাৰ সমূহ নিৰ্মূল কৰাৰ কাৰণে জীৱনৰ এক নিয়োজিত কৰ্ম্ম ( Mission of life ) হিচাপে নিজৰ জীৱনৰ লক্ষ্য স্থিৰ কৰি ললে।

জীৱন ধাৰণৰ মাধ্যম হিচাবে তেওঁ বোম্বেত "এডভাই-চাৰস্ টু ডিলাৰস ইন ষ্টকস এণ্ড শেয়াৰস" নামৰ এটা ফাৰ্ম স্থাপন কৰে। প্ৰথমত ফাৰ্মটো খুব উৎসাহজনক হলেও অচ্যুৎ সম্প্ৰদায়ৰ ব্যৱসায় কেন্দ্ৰ বুলি পাছত কোনো লোক অহা নাছিল। পাছত তেওঁ 'মিডেলহাম বাণিজ্য কলেজ'ত ৰাজনৈতিক অৰ্থনীতি পঢ়োৱাৰ বাবে নিযুক্তি পায় যদিও উচ্চবৰ্ণৰ হিন্দু ছাত্ৰ সকলে সদায় তেওঁক অসম্মান কৰিছিল।

আম্বেদকাৰ ১৯১৭ চনত অস্পৃশ্য প্ৰতিনিধি ৰূপে সাউথ-বেৰ কমিসনৰ আগত সাক্ষ্যদান কৰিছিল। ১৯১৮ চনত নাগ-পুৰত ১৯২০ চনত মহাৰাষ্ট্ৰত অস্পৃশ্য সন্মিলন উদযাপিত কৰে আৰু সেই বছৰৰ জুলাই মাহত উচ্চ শিক্ষাৰ্থে লণ্ডনলৈ যাত্ৰা কৰে। এই সময়ত অৰ্থৰ ইমান অভাৱ আছিল যে গোটেই দিন এটা চেণ্ডউইচ আৰু পানী খাই অধ্যয়ন কৰিছিল। এই দৃশ্য গ্ৰন্থাগাৰৰ লাইব্ৰেৰীয়ানে দেখা পাই সদায় দুপৰীয়াৰ সময়ত তেওঁৰ লগত আহাৰ খাবলৈ ডঃ আম্বেদকাৰক অনুৰোধ কৰিছিল। ১৯২১ চনত এম, এচ, চি, ডিগ্ৰী লাভ কৰে। ১৯২২ চনত জাৰ্মানীৰ বস ইউনিভাৰচিটিৰ পৰা ডি, এচ, চি, ডিগ্ৰী লাভ কৰে। পাচত এল, এল, ডি আৰু ডি, লিট উপাধিও লাভ কৰে।

ভাৰতবৰ্ষত ঘূৰি আহি বোম্বে হাইকোৰ্টত বেৰিষ্টাৰ হিচাবে ওকালতি আৰম্ভ কৰে; কিন্তু উচ্চবৰ্ণৰ হিন্দু ধনী ব্যক্তি এই অচ্যুৎ বেৰিষ্টাৰৰ ওচৰলৈ অহা নাছিল। সেই কাৰণে মানুহে তেওঁক দুখীয়াৰ বেৰিষ্টাৰ বুলি কৈছিল। ১৯২৪ চনত 'বহিষ্কৃত হিতকৰণী সভা' গঠন কৰি অস্পৃশ্যতাৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰে। এই ভাবে অস্পৃশ্য সকলৰ ভিতৰৰ পৰা এজন মহান সমাজ বিপ্লৱীৰ অভ্যুদয় হল। সম্প্ৰতি তেওঁৰ একক প্ৰচেষ্টাৰ ফলস্বৰূপে ভাৰতত অনুসূচীত জাতি আৰু জনজাতিয়ে সংৰক্ষণ সুবিধা ভোগ কৰি আছে। তেওঁ যে এজন উচ্চ স্তৰৰ দেশ হিতৈষী আছিল এই কথা



জাতিৰ জনক মহাত্মা গান্ধীয়ে নিজেই কৈছিল। মহাত্মা গান্ধীয়ে মুছলমান, খ্ৰীষ্টিয়ান আৰু শিখসকলৰ বাবে পৃথক নিৰ্ব্বাচনী ব্যৱস্থাত আপত্তি কৰিছিল। কিন্তু ২য় গোলটেবিলৰ বৈঠকত যেতিয়া বৃটিছ চৰকাৰ অনুসূচীত সকলৰ কাৰণে পৃথক ভোটাধিকাৰ দিবলৈ মান্তি হল তেতিয়া গান্ধীজী ইয়াৰ প্ৰতিবাদত আমৰণ অনশন আৰম্ভ কৰে। সকলোৰে বিশেষ অনুৰোধত ডঃ আম্বেদকাৰ নিজৰ দাবী বাদ দি নিজৰ প্ৰস্তাৱ তুলি লৈ গান্ধীজীৰ জীৱন ৰক্ষা কৰিছিল। ১৯৩৬ চনত "স্বতন্ত্ৰ শ্ৰমিক পাৰ্টি" গঠন কৰি ১৯৩৭ চনত বোম্বে বিধান সভাৰ এম, এল, এ নিৰ্ব্বাচিত হয়।

১৯৪৬ চনত ডঃ আম্বেদকাৰ বঙ্গদেশৰ প্ৰতিনিধি হিচাবে সংবিধান ৰচনা সভাৰ সদস্য নিৰ্ব্বাচিত হল। ১৯৪৭ চনৰ ২৯ আগষ্ট তাৰিখে সংবিধান খচৰা প্ৰস্তুতি সমিতিৰ সভাপতি নিৰ্ব্বাচিত হৈছিল। প্ৰকৃত পক্ষে তেওঁৱেই আছিল ভাৰতৰ নতুন সংবিধানৰ মুখ্য স্থাপত্যবিদ, ৰচক সেইবাবে তেওঁ স্বাধীন ভাৰতৰ স্মৃতিকাৰ "নবমনু"। ১৯৪৭ চনৰ ২৯ আগষ্টৰ পৰা ১৯৪৮ চনৰ ২৬ নবেম্বৰ তাৰিখলৈকে তেওঁ কঠোৰ পৰিশ্ৰম কৰাত তেওঁ কঠিন অসুখত আক্ৰান্ত হয়। কিন্তু তেওঁ উপলব্ধি কৰিব পাৰিছিল যে এই অচ্যুৎ সম্প্ৰদায়ৰ লোকক বৰ্ণ হিন্দু সকলে কোনো দিন ভাতৃভাৱে গ্ৰহণ নকৰিব। তেওঁ কৈছিল যে যি ধৰ্ম্মই কোনো কোনো লোকৰ আত্মসন্মান প্ৰতিষ্ঠা কৰাকে পাপ বুলি গণ্য কৰে, সেইটো আকৌ কোনো ধৰ্ম্মই নহয়। সেইবাবে তেওঁ হিন্দু ধৰ্ম্ম ত্যাগ কৰে, ১৯৫৬ চনৰ ১৪ অক্টোবৰ তাৰিখে তিনি লাখৰ অধিক অনুচৰ বৰ্গৰ লগত নাগপুৰ চহৰত এই বিশেষ অনুষ্ঠান এটাৰ মাধ্যমত বৌদ্ধ ধৰ্ম্মত দীক্ষিত হয়। এক দিনতে এক সময়ত ইমানবোৰ ধৰ্ম্মান্তৰ হোৱা পৃথিবীৰ ইতিহাসত বিৰল। সেই বাবে বৌদ্ধধৰ্ম্ম প্ৰচাৰক হিচাপে সম্ৰাট অশোকৰ পাছত আম্বেদকাৰৰ স্থান। দুৰ্গতঃ সকলৰ প্ৰকৃত ত্ৰাণকৰ্তা আৰু মুক্তিৰ পথ দ্ৰষ্টা

আৰু শোষিত জনতাৰ আলোক স্তম্ভ স্বৰূপ ডঃ আম্বেদকাৰক মহৰ্ষি, বাল্মিকী, গুৰু ৰবিদাস কবিৰ, গুৰু নানক, মহাপুৰুষ শঙ্কৰদেৱ আৰু বৰ্ত্তমান কালৰ মহাত্মা জ্যোতি আদি মহাপুৰুষ সকলৰ সমকক্ষ। কিন্তু বৰ দুখৰ কথা যে অসমৰ পাঠ্য পুস্তকত এইজন মহাপুৰুষৰ জীৱনী সংকলন কৰা হোৱা নাই। স্বাধীন ভাৰতৰ ধৰ্ম্মনিৰপেক্ষ দেশৰ ক্ষুদ্ৰ ভাৰতৰ অসমত একো একোটা অনুসূচীত জাতিৰ প্ৰতি বৈষম্য ভাবৰ দৃষ্টান্ত নহয় নেকি?

তেওঁ ১৯৪২ চনত বৃটিছ চৰকাৰৰ শ্ৰমমন্ত্ৰী ১৯৫১ চনত স্বাধীন ভাৰতৰ আইন মন্ত্ৰী, গোল টেবিল বৈঠকৰ ২য় বাৰ নিৰ্বাচিত সদস্য, ভাইচৰয়ৰ একজিকিউটিভ কাউঞ্চিলৰ, সংবিধান সভা, স্বাধীন ভাৰতৰ লোকসভা, মন্ত্ৰীসভাত সদায় তেওঁ কৈছিল 'মই আশাকৰো এনেকুৱা দিন অতি শীঘ্ৰেই আহিব যিদিন সমগ্ৰ ভাৰতৰ সমূহ অনগ্ৰসৰ দলিত জনগণ প্ৰকৃত শিক্ষা গ্ৰহণ কৰি সুসংগঠিত হব আৰু সেই সংগঠনৰ অন্তৰ্নিহিত শক্তি অতি সজাগভাবে উপলব্ধি কৰি সামাজিক মুক্তিৰ কাৰণে বিবেচনা সহকাৰে শুদ্ধ আৰু কাৰ্য্যকৰী পথত পৰিচালনা কৰিব'।

একোজন মানুহৰ ইমানবোৰ শিক্ষাৰ ডিগ্ৰী পৃথিবীত বিৰল। যদিও স্বাধীনতাৰ ৪২ বছৰ পিছত মৰণোত্তৰ ভাবে ভাৰত ৰত্ন উপাধি দিয়া হৈছে স্বৰ্গীয় আম্বেদকাৰক সন্মান জনাই সেইটো অৱশ্যে বৰ্ণ হিন্দু সকলৰ শুভ বুদ্ধিৰ পৰিচায়ক। অথচ তেওঁ স্বয়ং ভগ্নহৃদয়ত দলিত জনগণৰ মুক্তি সংগ্ৰাম কৰি ১৯৫৬ চনৰ ৬ ডিচেম্বৰ তাৰিখে ইহলীলা সম্বৰণ কৰে। আজি এই মহান মনিষীৰ জন্ম শতবাৰ্ষিকীত সেই বিক্ষুব্ধ আত্মাৰ প্ৰতি শান্তি কামনা কৰো।

— × —



# সমাজ সংস্কাৰক ড° আম্বেদকাৰৰ কৰ্মময় জীৱন ঃ এক আলোকপাত

চন্দ্ৰ কমল দাস
টেকেলা গাওঁ

"No body can remove your grievences as well as you can and you cannot remove these unless you get political power into your hand"— Dr. Ambedkar.

১৮৯১ চনৰ ১৪ এপ্ৰিল তাৰিখে মহাৰাষ্ট্ৰৰ ইন্দোৰ ৰাজ্যৰ মাহাৰ সম্প্ৰদায়ৰ এটি সৰু হিন্দু পৰিয়ালত ভীমৰাও ৰামজী আম্বেদকাৰৰ জন্ম হয়। তেওঁৰ দেউতাকৰ নাম ৰামজী মালোজী চকপাল আৰু মাকৰ নাম আছিল ভীমবাঈ।

ভীমৰাওৰ ১৪ বছৰ বয়সত প্ৰথম বিবাহ হয় ৰামবাঈৰ লগত। ১৯০৫ চনত, ৰামবাঈৰ মৃত্যুৰ পিছত, ১৯৪৮ চনত ডঃ সাৰদা কবিৰ নামে এগৰাকী বোম্বাইৰ ব্ৰাহ্মণ পৰিয়ালৰ ছোৱালী বিবাহ কৰে।

ল'ৰালি কালত তেওঁৰ শিক্ষা আৰম্ভ হয় সতৰা নামে ঠাইত। ১৯০৮ চনত বোম্বাই Elephinstone High School ৰ পৰা প্ৰৱেশিকা, ১৯১২ চনত Elephinstone College ৰ পৰা graduate, বৰোদা চৰকাৰৰ পৰা জলপানি গ্ৰহণ কৰি আমেৰিকাৰ Columbia University ৰ পৰা M. A. (Eco) আৰু Ph. D. কৰে ১৯১৬ত আৰু সেই বছৰেই তেওঁ ইংলণ্ডলৈ গৈ London School of Economics and Political Science ৰ পৰা M. Sc. (Eco) আৰু Bar ত গৈ ওকালতি শিকিবলৈ ধৰে। কিন্তু

১৯১৭ চনত জলপানি শেষ হোৱাত দেশলৈ ঘূৰি আহি বোম্বাইৰ Sydenhem College of Commerce and Economics মহাবিদ্যালয়ত অৰ্থনীতি বিভাগত অধ্যাপকৰ কাম কৰে ১৯১৮–২০ চনলৈকে। আৰু সেই সময়ছোৱাৰ ভিতৰত তেওঁ কিছু অৰ্থ জমা কৰি বন্ধু-বান্ধৱৰ সহায় লৈ আকৌ ইংলণ্ডলৈ গৈ বাকী থকা শিক্ষা আহৰণ কৰি ১৯২১ চনত M. Sc. Degree আৰু ১৯২৩ চনত D. Sc. Degree লগতে Bar at law Degree লৈ স্বদেশলৈ ঘূৰি আহে।

**কৰ্মময় জীৱন ঃ** ১৯২৪ চনত তেওঁ বোম্বাই হাইকোৰ্টত ওকালতি জীৱন আৰম্ভ কৰে আৰু তেতিয়াৰ পৰাই তেওঁ ৰাইজৰ সেৱাত আত্মনিয়োগ কৰে। আৰু সেই সময়ৰ পৰাই তেওঁ এজন ৰাজনীতিবিদ, সমাজসেৱক, লিখক, সাংবাদিক, শিক্ষক আদি হিচাবে পৰিগণিত হয়। ইয়াৰ আগতে যেতিয়া টকাৰ অভাৱত বিদেশৰ পৰা ঘূৰি আহি বোম্বাইৰ এখন মহাবিদ্যালয়ত অধ্যাপকৰ কাম কৰিছিল সেই সময়তে তেওঁ "Mooknayak" নামৰ এখন পষেকীয়া বাতৰি কাকত প্ৰকাশ কৰিছিল। ১৯২৪ চনত দলিত শ্ৰেণীৰ উন্নতিৰ অৰ্থে "Bahishkrit Hitkarini Sabha", ১৯২৭ চনত "Samaj Samata Sangh" আদি অনুষ্ঠান গঠন কৰি দলিত শ্ৰেণীৰ সামাজিক অধিকাৰ, ন্যায়, বৰ্ণহীন বিবাহ আদি কৰি বহুতো সামাজিক কাম কৰিছিল। কিন্তু প্ৰচাৰ অবিহনে এই সামাজিক পৰিবৰ্ত্তনৰ ক্ষীণ আশা দেখি ১৯২৯ চনত "The Samata" নামৰ এখন বাতৰি কাকত প্ৰকাশ কৰি উলিয়াই যদিও পদদলিত শ্ৰেণীৰ কোনো ন্যায্য দাবী পূৰণ কৰিব নোৱাৰি আন্দোলনৰ দ্বাৰা ৰাজহুৱা নাদ, পুখুৰীৰ পৰা পানী খোৱা, মন্দিৰত প্ৰবেশ কৰা আদি কেইবাটাও মৌলিক অধিকাৰ আদায় কৰে।

ৰাজনৈতিক ক্ষেত্ৰত তেওঁ এজন পদদলিত শ্ৰেণীৰ নেতা হিচাবে পৰিগণিত হয় আৰু ১৯২৬-১৯৩৪ চনলৈকে বোম্বাই বিধান সভাৰ মনোনীত সদস্য হয়। সেই সময়ছোৱাত তেওঁ ভালে কেইখন



আইন ৰচনা কৰিছিল দুখীয়া খেতিয়ক, কৰ্মচাৰী আৰু দলিত শ্ৰেণীৰ লোকৰ আৰ্থসামাজিক কল্যাণৰ বাবে। কিন্তু উচ্চ বৰ্ণ হিন্দু নেতা সকলে এই আইনৰ বিৰোধিতা কৰে। দলিত শ্ৰেণীৰ নেতা হিচাবে আম্বেদকাৰে লণ্ডনত হোৱা ঘূৰণীয়া মেজ মেলত তিনিবাৰকৈ প্ৰতিনিধিত্ব কৰিছিল। সেই সময়ত ভাৰতবৰ্ষৰ সামাজিক আৰু শাসন ব্যৱস্থা আদিত দলিত শ্ৰেণীৰ লোকৰ বাবে অনুকূল নোহোৱাত দলিত শ্ৰেণীত এখন বেলেগ নিৰ্বাচনী দাবী কৰাৰ ফলত ১৭ আগষ্ট ১৯৩২ চনত ইংৰাজ চৰকাৰে তেওঁৰ দাবীক অনুমোদন জনায়। কিন্তু গান্ধীজীৰ আমৰণ অনশনক সন্মান জনায় ২৪ চেপ্তেম্বৰ ১৯৩২ চনত বেলেগ নিৰ্বাচনী দাবী প্ৰত্যাহাৰ কৰি পুণাত এখন চুক্তি স্বাক্ষৰিত কৰে। আৰু এই চুক্তিৰ মৰ্মে শাসন তন্ত্ৰত দলিত শ্ৰেণীৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। (অনুসূচীত জাতি/জনজাতি) আৰু এচাম দলিত শ্ৰেণীৰ লোকক "হৰিজন" (People of God) নামেৰে নামাকৰণ কৰা হয়। তথাপিতো হিন্দু সমাজত দলিত শ্ৰেণীৰ লোক সকলৰ সামাজিক সমান অধিকাৰ বা ন্যায় দিয়াৰ ক্ষীণ আশা দেখি হিন্দু ধৰ্ম ত্যাগ কৰি ১৯৩৮ চনৰ পৰা ১৯৪০ চনলৈকে "Sikhism" আৰু পাচত Buddhism গ্ৰহণ কৰে।

"The Macdonald Communal Awards made Provision of separate electorate for the Untouchable Mahatma Gandhi declared a fast into death, J. Nehru and Subhash Chandra Bose were against the fast of Mahatma Gandhi they thought the fast Unnecessarely gave importance to the minor cause of Untouchability."

ড° আম্বেদকাৰৰ কাৰ্য্যাৱলী আৰু লিখনীয়ে ভাৰতবৰ্ষৰ দলিত শ্ৰেণীৰ লোক সকলৰ মাজত বিশেষকৈ অস্পৃশ্যতা অন্ধকাৰৰ মাজত ডুবি থকা জনসাধাৰণৰ মনলৈ সচেতনতা আৰু সাহস কঢ়িয়াই আনিছিল।

4082

হিন্দু শাস্ত্ৰৰ মতে সকলো ব্যক্তিয়ে বিয়া কৰাতো কৰ্ত্তব্য। বিয়াৰ মূল উদ্দেশ্য হ'ল পিতৃপুৰুষকে পিণ্ডদানৰ বাবে পুত্ৰ লাভ—পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্য্যা, পুত্ৰ পিণ্ডাৰ্থে।

শাস্ত্ৰৰ মতে আমাৰ হিন্দু সমাজত আঁঠবিধ বিবাহৰ ব্যৱস্থাৰ কথা উল্লেখ আছে। কিন্তু যি কোনো পাত্ৰই যি কোনো কন্যাক বিবাহ কৰিব নোৱাৰে। বিবাহ ব্যৱস্থাৰ বহুতো বিধি নিষেধ আছে। এই বিধি বিধানৰ সৃষ্টিৰ মূল উৎস হ'ল "স্মৃতিশাস্ত্ৰ"। স্মৃতিশাস্ত্ৰৰ মাজত মনুৰ স্মৃতিশাস্ত্ৰই প্ৰধান। কথিত আছে মনুৰ স্মৃতিশাস্ত্ৰত প্ৰথমে ১ লক্ষ শ্লোক আছিল। বৰ্ত্তমান মাত্ৰ ২৬৮৪ টা শ্লোক উদ্ধাৰ কৰা হৈছে।

মনুৰ স্মৃতিয়েই যে হিন্দু সমাজৰ বিনাশৰ কাৰণ তাৰ কোনো সন্দেহ নাই। মনুৱে হিন্দু সমাজখনক কৰ্মলৈ সৃষ্টি কৰিলে চাৰি বৰ্ণ—ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ।

১। ব্ৰাহ্মণ সকলে শিক্ষা দিয়া, লোৱা আৰু ধৰ্মীয় অনুষ্ঠান আদি কৰা।

২। ক্ষত্ৰিয়ই যুদ্ধ, দেশ শাসন, বৈশ্যই বেপাৰ আৰু শূদ্ৰই দৈনন্দিন কাম।

৩। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্যাই বিদ্যা শিক্ষাৰ অধিকাৰ, কিন্তু শূদ্ৰ আৰু মহিলাই কোনো বিদ্যা শিক্ষাৰ অধিকাৰ নাছিল।

আকৌ কৰ্মও ভাগ কৰিলে চাৰি ভাগত ব্ৰহ্মচাৰ্য্য, গাৰ্হস্থ্য, বণাশ্ৰম আৰু সন্নাস, কিন্তু প্ৰথম তিনিটা শ্ৰেণীৰ বা বৰ্ণৰ বাহিৰে শূদ্ৰ আৰু মহিলাৰ বাবে এই নীতিও প্ৰযোজ্য নাছিল।

সৱৰ্ণ বিবাহেই আছিল হিন্দুৰ শাস্ত্ৰীয় বিধান। ভগৱানৰ সৃষ্টিয়েই পৰিৱৰ্ত্তনশীল। মানুহ ভগৱানৰেই সৃষ্টি। গতিকে সমাজৰ প্ৰতি নীতি-নিয়ম পৰিৱৰ্ত্তন হোৱাতো স্বাভাৱিক। বৰ্ণ বা জাতিক তুচ্ছ কৰিলেও সেই সময়তো কোনো কোনো নৰনাৰীয়ে Inter Caste দাম্পত্য সম্পৰ্ক কৰে, ফলত জাতিচ্যুত হৈ নতুন নতুন জাতিৰ সৃষ্টি হয়।



গোত্ৰ ও সপিণ্ড অনুসৰিও বিবাহ নিষেধ কৰা হয়। বৌধায়ণ স্ৰৌতশাস্ত্ৰত ভৰদ্বাজ, জন্মদাগ্নি, গৌতম, অত্ৰি, বিশ্বামিত্ৰ, বশিষ্ঠ, কশ্যপ আৰু অগস্ত্য নামে আঠজন গোত্ৰ প্ৰৱৰ্ত্তক ঋষিৰ নামাকৰণেৰে গোত্ৰৰ নাম পোৱা যায়। আদিতে ব্ৰাহ্মণৰ বাহিৰে আন কোনো বৰ্ণতে গোত্ৰ নাছিল।

সপিণ্ড বিধি অনুসৰি সাধাৰণতে উৰ্ধতম পাঁচ পুৰুষ পৰ্য্যন্ত মানি বিবাহ সম্পন্ন কৰা হয়। উত্তৰ ভাৰতত এই নীতি মানিলেও দক্ষিণ ভাৰতত এই নীতিৰ বাহিৰতো বিবাহ সম্পন্ন কৰা হয়।

অতীতত পুৰুষৰ বিবাহৰ কোনো ধৰাবন্ধা বয়সৰ সীমা নাছিল। কিন্তু স্মৃতিশাস্ত্ৰৰ অনুসৰি ৮ বছৰৰ কন্যাক "গৌৰী" ৯ বছৰৰ কন্যাক "ৰোহিনী" আৰু ১০ বছৰৰ কন্যাক "কন্যা" নামাকৰণ কৰা প্ৰথা আছিল। যদি ১০ বছৰৰ ভিতৰত কন্যা বিবাহ দিয়া নহয় আৰু যদি দেউতাকৰ ঘৰতে ঋতুমতী হয় তেতিয়াহলে পিতৃপুৰুষ আদি নৰকলৈ যায় অৰ্থাৎ বাল্য বিবাহ বাধ্যবাধকতা আছিল।

আকৌ যদি কোনো পুৰুষৰ পুৰুষত্ব নাই তেতিয়াহলে শাস্ত্ৰৰ বিধি অনুসৰি "নিয়োগ প্ৰথা"ৰ ব্যৱস্থাৰ দ্বাৰা পুত্ৰ লাভ কৰিব পাৰি। এই প্ৰথাৰ দ্বাৰা মহাভাৰতৰ কুন্তী, মাদ্ৰী, অম্বিকা আৰু অম্বালিকাই পুত্ৰ লাভ কৰিছিল।

স্বামীৰ মৃত্যুত স্ত্ৰীয়ে স্বামীৰ চিতাত মৃত্যুবৰণ কৰা বা পৰলোকগত স্বামীৰ আত্মাৰ কল্যাণৰ অৰ্থে অহস্যা জীৱন-যাপন কৰা, কিন্তু স্ত্ৰীৰ মৃত্যুত পুৰুষে পুনৰ বিবাহ, সহস্ৰ পত্নী বিবাহ কৰিব পাৰে। অপুত্ৰক নাৰীয়েও নাবালক পতিৰ মৃত্যুত পুনৰ বিবাহ কৰিব নোৱাৰে।

অৰ্থনৈতিক অধিকাৰৰ ক্ষেত্ৰতো হিন্দু সমাজত নাৰীৰ কোনো অধিকাৰ নাই। মনুসংহিতাৰ মতে নাৰীৰ বাল্য জীৱন পিতাৰ অধীনত, বিবাহ জীৱন স্বামীৰ আৰু শেষ জীৱন পুত্ৰৰ অধীনত,

পুৰুষ ল'ৰাকালত পিতাৰ অধীনত থাকিলেও পিচত সম্পূৰ্ণ স্বাধীন আৰু পৈতৃক সম্পত্তিৰ অধিকাৰী হয়।

সাজপাৰ পিন্ধা আদিৰ ক্ষেত্ৰটো সকলো বৰ্ণৰ লোকৰ সমান অধিকাৰ নাই।

ড° আম্বেদকাৰৰ ভাষাত "The Hindus will not allow the untouchable to entry in school. The Hindus will not allow the untouchable to travel in the same railway compartment. The Hindus will not allow untouchable to wear clean cloths. The Hindus will not allow untouchables to wear jewellery. The Hindus will not allow untouchables to put Tiles on the roofs of their houses. The Hindus will not tolerate untouchable to own land. The Hindus will not allow untouchable to when a Hindus is standing. There are not isolated of acts a few bad man among the Hindus. They are the emanations of the permanent anti-social attitude of the Hindus Community against the Untouchables".

বৌদ্ধ ধৰ্মত সৰ্বপ্ৰথমে নাৰীক সমাজত বিশেষ স্থান দিয়া হয়। পুৰুষৰ দৰে নাৰীক আধ্যাত্মিক জ্ঞান-চৰ্চাত আৰু শিক্ষা দানৰ অধিকাৰ দিয়াৰ উপৰিও পতিতা নাৰীকো শিক্ষা আৰু ধৰ্ম প্ৰচাৰৰ কামত নিয়োগ কৰিছিল। ৰাজা ৰামমোহন ৰায় সতীদাহ প্ৰথা নিষেধ ১৯৩৯, বিদ্যাসাগৰৰ বিধবা বিবাহ প্ৰচলন ১৮৫৬, হৰিবিলাস ৰায় ১৯০৯ চনৰ বাল্য বিবাহ নিষেধ, বিবাহৰ সৰ্বনিম্ন বয়স পুৰুষৰ ১৮ বছৰ নাৰীৰ ১৫ বছৰ আদি কৰি ভালেকেইজন ব্যক্তিয়ে হিন্দু সমাজৰ কিছুমান কুসংস্কাৰৰ বাবে সংগ্ৰাম কৰিছিল।

There is a story known to knowledgeable circles about Jawaharlal Nehru and Sarojini Naidu meeting Mahatma Gandhi in a distressed mood. On being questioned by Gandhi about the casuse



of their distress, Nehru told Gandhiji that he was finding it difficult to locate a constitutionalist competent enough to form a constitution suitable for the country and he was thinking of inviting Sir IVOR. Jennings, the famous constitutionalist, who had drafted the constitutions of many Asian Countries.

তেতিয়া মহাত্মা গান্ধীয়ে স্বাধীন ভাৰতৰ সংবিধানৰচনা কৰিবৰ বাবে ড° আম্বেদকাৰৰ নামটো প্ৰস্তাৱ জনাইছিল। গান্ধীজীৰ লগত ড° আম্বেদকাৰৰ কিছুমান বিষয়ত মতানৈক্য আছিল যদিও তেওঁৰ প্ৰশাসনীয় দক্ষতা আৰু ৰাজহুৱা জীৱনৰ অভিজ্ঞতাক স্বীকৃতি দিছিল।

যি কি নহওঁক তেওঁ তেওঁৰ সহযোগী আন ৫ গৰাকী সদস্যৰ সহায়ত স্বাধীন ভাৰতৰ ২২ টা খণ্ডৰ ৩৯৫ টা দফা আৰু ৯ টা সুচীৰে পৃথিবীৰ ভিতৰত আটাইতকৈ ডাঙৰ এখন সংবিধান ৰচনা কৰি আমাক দি গ'ল; আৰু দি গ'ল সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সমাধিকাৰ।

এতিয়া আমি সংবিধানৰ প্ৰদত্ত সা-সুবিধা বিলাক গত চাৰি দশকত অনুন্নত সম্প্ৰদায় লোকৰ আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক দিশত কিমান দূৰ কৃতকাৰ্য্যতা লাভ কৰিছো বা কৰিবলৈ প্ৰয়াস কৰিছো তাক ৰাজনীতিজ্ঞ আৰু বুদ্ধিজীৱী মহলে বিচাৰ কৰি চাওঁক। কাৰণ ড° আম্বেদকাৰে কৈছিল যদি সংবিধান প্ৰদত্ত সা-সুবিধা বিলাক কাৰ্য্যত ৰূপায়ণ কৰা নহয় তেন্তে আমি সংবিধান বেয়া বুলি কব নোৱাৰিম বৰং সংবিধান কাৰ্য্যকাৰক সকলকহে দোষী সাব্যস্ত কৰিব লাগিব। আৰু কৈছিল সংখ্যালঘু সকল এটা বিস্ফোৰক শক্তি, যদি ইয়ে কেতিয়াবা বিস্ফোৰণ ঘটায় তেন্তে দেশৰ সমগ্ৰ গাঠনিক ওফৰাই দিব পাৰে।

সত্য কেতিয়াও লুকুৱাই ৰাখিব নোৱাৰে। ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে তেওঁ কৈছিল "আমি আজি দেশৰ ৰাজনৈতিক

সাম্যবাদ প্ৰতিষ্ঠা কৰিছো কিন্তু লগে লগে অৰ্থনৈতিক আৰু সামাজিক অসামান্যতাও মানি লৈছো।” সেয়েহে স্বাধীনতা লাভৰ চাৰি দশকৰ পাচতে চৰকাৰ, ৰাজনীতিজ্ঞ, বুদ্ধিজীৱী সকলোৱে মুক্ত কণ্ঠে স্বীকাৰ কৰিছে যে অনুন্নত সম্প্ৰদায় বিলাকৰ কাৰণে ৰখা সাংবিধানিক ব্যৱস্থা সমূহ তেওঁলোকৰ উন্নতি সাধন কৰাত ব্যৰ্থ হৈছে। সেয়েহে গোটেই সমস্যাটো পুনৰ বিবেচনা কৰাৰ প্ৰয়োজনবোধ কৰি গঠন কৰিলে “মণ্ডল আয়োগ” আৰু মণ্ডল আয়োগৰ প্ৰতিবেদনত এইটো আৰু পৰিষ্কাৰ হৈ পৰিল যে অনুন্নত শ্ৰেণীৰ অৰ্থনৈতিক আৰু সামাজিক অসাম্যতা থকা কথাটো।

১৯৫১ চনত স্বাধীন ভাৰতগণ ৰাজ্যৰ আইন দপ্তৰৰ মন্ত্ৰী হৈ অতীত ভাৰতৰ হিন্দু সমাজ ব্যৱস্থা স্মৃষ্টিকৰ্ত্তা মনুৰ স্মৃতিগ্ৰন্থৰ কাঠসংস্কাৰ কৰি ৰচনা কৰিলে Hindu Code bill কিন্তু উচ্চ বৰ্ণৰ হিন্দু সকল আৰু ৰাজনীতিজ্ঞ নেতাই এই বিলৰ বিৰোধিতা কৰাত তেওঁ নেহেৰু মন্ত্ৰী সভাৰ পৰা পদত্যাগ কৰিছিল। কিন্তু পলমকৈ হলেও ৰাজনীতিজ্ঞ আৰু বুদ্ধিজীৱী সকলৰ মনৰ সূৰ্য্য উদয় হল আৰু তেওঁ ৰচনা কৰা Hindu Code bill ৰ বহুতো দফা আইনত পৰিণত কৰিলে। হিন্দু পুৰুষ বা নাৰী, স্ত্ৰী বা স্বামীয়ে দ্বিতীয় বিবাহ নিষেধ, হিন্দু উত্তৰাধিকাৰী সূত্ৰে পিতৃ সম্পত্তিৰ অংশ পুত্ৰৰ দৰে ছোৱালীয়েও অংশীদাৰ হোৱা। অকল সেয়ে নহয় ছোৱালীয়েও স্বামী আৰু পুত্ৰৰ সম্পত্তিৰ সমান অংশীদাৰ, নাৰীৰ সামাজিক মৰ্য্যদা অৰ্থনৈতিক অধিকাৰ, ১৯৭৬ চনত নাৰী পুৰুষৰ বিবাহৰ বয়সৰ সীমা ১৮ আৰু ২১ বছৰ কৰা আদি যে Hindu Code bill ৰে পৰিণাম তাত কোনো সন্দেহ নাই।

জাতিৰ পিতা মহাত্মা গান্ধীয়েও কৈ গৈছে “ড° আম্বেদকাৰে তেওঁৰ জ্ঞান আৰু প্ৰতিভাৱে আমাৰ সমাজত তেওঁৰ নিজৰ কাৰণে এক অতুলনীয় স্থান ৰাখি গৈছে। ড° আম্বেদকাৰ এনে এগৰাকী পুৰুষ যাক আমি কেতিয়াও পাহৰিব নোৱাৰো।” সেয়ে মৃত্যুৰ



৩৪ বছৰ পিচতো তেওঁক চৰকাৰে “ভাৰত ৰত্ন” উপাধিৰে সন্মানিত কৰাত আমি নথৈ আনন্দিত।

ড° আম্বেদকাৰে অস্পৃশ্য দলিত লোকৰ বাবে কৰা মুখ্য ৰাজনৈতিক সংগ্ৰাম সমূহ হ'ল—

১) The Act of 1919.
২) Simon Commission 1928.
৩) Round table conference 1930-32.
৪) Poona Pact 1932.
৫) Announcement of 8 August 1940.
৬) Proposals of Sir Stafford Cripps.
৭) Cabinet Mission plan 1946.
৮) Constituent Assembly 1946-50.
৯) Indian Constitution 1950.

ড° আম্বেদকাৰৰ জীৱনজোৰা সামাজিক ন্যায়ৰ সংগ্ৰামক সন্মান জনায় ভাৰত চৰকাৰে তেওঁৰ জন্ম শতবাৰ্ষিকী বছৰটো “সামাজিক ন্যায় বৰ্ষ” হিচাবে পালন কৰিববলৈ লোৱাটো অতি আনন্দৰ বিষয়। কিন্তু ন্যায়ক ন্যায় মাপকাঠিৰে বিচাৰ কৰি চোৱাৰ সময় অতিবাহিত হোৱাৰ পথত। সেয়েহে তেওঁৰ অদৰ্শক অনুসৰণ কৰি আগবাঢ়ি যাওঁ। তেতিয়াহে তেওঁৰ এই জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰি শ্ৰদ্ধাঞ্জলী জনোৱা হব।

# Why Dr. Ambedkar Convert in Budhism

**C. R. Sarkar**
( Social Scientist )

"I was born as a Hindu, but I will not die as a Hindu", said Dr. B. R. Ambedkar. Two years before his expiry he left Hinduism & became a Budhist with lacs & lacs with his followers in the year 1954 at Nagpur. Those followed him before their Conversion he told them not to follow him blindly, they should know what is good & what is bad & later on follow him. After Conversion he told I have returned back to my home.

Now, almost in every day there is Conversion from Hindu to Budhist or other religion. About 10 lacs Dalit people are ready to accept the Budhism at Agra during the month of October & this Conversion is going on in every day throughout the India. Dr. Ambedkar's three Commandment "Educate, agitate & organise." He told the Dalits first you educate yourself, education removes your superstitions & you will know what you are ? When educated, agitation will come & this agitation will lead the urge of unification.

Before Convert from Hinduism to Budhism Dr. Ambedkar tried his best to eradicate the casteism from Hindu Society but the custodian of the Hindu religion were not ready to budge even an inch from their orthodox inhuman ideas. They knew the moment the Casteism will abolish from Hindu Society, abolish of the Hindu religion, this religion existence is only with Casteism. So they did not pay heed of it at all.

Many reformers came in Hindu religion & they tried to reform this religion but they failed. This orthodox religion never accept the new ideas even if it is good. Take example from Bengal, remember Raja Rammohan Roy, Pandit Iswar Ch. Vidya Sagar, Shri Chaitanya Deb, Swami Vivekananda, Rammohan Roy strongly opposed the inhuman, heinious crime of Sati system, though he was succeeded to prevent it with the help of British, but he was socially boycotted & his life was in danger. Iswar Ch. Vidyasagar advocated for the widow marriage in the Hindu society, last part of his life he left the society & lived among the Tribal people. Chaitanya Deb mixed with all classes of people downtrodden & Muslims, lastly he was murdered & at puri by the pandas. After the famous lecture on Hindu religion, Vivekananda when came back from Chicago, Calcutta, people arranged a big meeting for his honour, the chief justice of Calcutta High Court Mr. Mukharjee was requested to conduct the meeting as a President but he refused because Swami Vivekananda was from a Sudra community, a brahamin was not ready to listen religious talk from a Sudra.

Dr. Ambedkar was a great learned man, an M.A., M.SC, PHD, DSC, D.LIT, L.L.D., Bar at Law, even today in India 2nd one was not found, economically he was sound, he was the Minister of Pre Independent India & Law Minister of Neheru cabinet, but when he went to a Hindu temple he was not permitted to enter into the temple by the priest of the Hindu temple because he was a untouchable Sudra. His efforts was to eradicate the untouchability from Hindu society. He told in general untouchable are poverty striken, but this is not major problem, major problem is untouchability. Social position of a poverty striken Brahmin & an untouchable is quite different. So he tried to remove this stigma from Hindu society throughout his life, but upper caste people unmoved.

He told untouchables have no friend-only in life sympathy is there—no sincerity at all. That time Gandhiji wanted to be saviour of the untouchables. He gave them name as Harijan, the meaning is son of the God. But this name has not changed anything rather it has degraded by name. Now this name Harijan officially has been rejected by the Govt. of India & Instructed not to call Harijan but Anusuchit Jati. Other was not in favour of change of occupation as per his opinion a cobler son, should be a cobler an officer's son should be an officer. Gandhiji told if a sweeper son change his profession he will be an ambitious and that would bring imbalance to the society. Though Gandhiji was not in favour of change profession



of the untouchables but it was not maintained even in his case. He came from a Bania community as per the quorum of Hindu society he should have taken business in trade as profession but he became a Barister and later on a politician. Ofcourse Dr. Ambedkar bluntly refused his offer to remain in Vth grade in Hindu Society.

# অসমত বৌদ্ধ তান্ত্রিকতা আৰু অনুসূচীত জাতিৰ লোকসকল

শ্ৰীসূৰ্য্য দাস
মালিগাওঁ

বুদ্ধদেৱক হিন্দু শাস্ত্ৰই ভগৱানৰ নৱম অৱতাৰ ৰূপে স্বীকৃতি দিছে যদিও বৌদ্ধ ধৰ্ম্মই বেদৰ কৰ্তৃত্ব নামানে। বৌদ্ধ ধৰ্ম্ম সন্ন্যাস মাৰ্গী আৰু ব্যক্তি কেন্দ্ৰিক অথচ এক ঈশ্বৰবাদী নহয়। ই সম্পূৰ্ণ মানসিক সংযমৰ ওপৰত নিষ্ঠাবান আৰু অবিদ্যা বা অজ্ঞানেই সকলো দুখ আৰু বন্ধনৰ কাৰণ বুলি বিশ্বাস কৰে। যথাৰ্থ জ্ঞান লাভেই সকলো দুখ কষ্টৰ অৱসান আৰু নিৰ্ব্বাণ লাভৰ একমাত্ৰ উপায়। মুঠতে বৌদ্ধ ধৰ্ম্ম ঈশ্বৰ বিশ্বাসী নহয়। ই নাস্তিকতা-বাদী ধৰ্ম্ম। পৃথিবীৰ শ্ৰেষ্ঠ ধৰ্ম্ম চাৰিটাৰ ভিতৰত বৌদ্ধ ধৰ্ম্মও এটা আৰু পূৰ্ব্ব এচিয়াৰ সৰহ সংখ্যক দেশ বৌদ্ধধৰ্ম্মাৱলম্বী।

অসমত বৌদ্ধ ধৰ্ম্মীয় কোনো পুৰণি স্মৃতি চিহ্ন দেখা নাযায় যদিও অতীত অসম বৌদ্ধ প্ৰভাবৰ পৰা মুক্ত নাছিল। হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ বছৰে বছৰে ভূটীয়া সকলে আহি দৰ্শন কৰি যায়। তেওঁলোকৰ মতে সেয়া তেওঁলোকৰ মহামুনিৰ স্থান। মুঠতে হাজোৰ মাধৱ মন্দিৰ এক সময়ত বৌদ্ধ ধৰ্ম্মৰ কেন্দ্ৰ আছিল বুলি অনুমান কৰা যায়। তাৰোপৰি অতীতত কামাখ্যা মন্দিৰ তান্ত্ৰিক বৌদ্ধ সকলৰ কেন্দ্ৰস্থল হৈ পৰিছিল বুলি বিভিন্ন গ্ৰন্থত উল্লেখ পোৱা যায়।

অসমৰ আদি ধৰ্ম্ম সম্বন্ধে কোনো স্পষ্ট ইঙ্গিত পোৱা নাযায়। অসমৰ আদি ধৰ্ম্ম সম্বন্ধে Hunter চাহাবে A statistical Account of Assam 1879, Vol. I P. 39 ত এইদৰে কৈছে—"Hinduism though now general through the entire valley is not indigenious in Assam, but of the creed of the inhabitant prior to introduction, nothing is known. There are now no traces of Buddhism or any other religion which it could have replented." মুঠতে অতীত অসমৰ ধৰ্ম্মৰ ছবিখন ধুঁৱলি কুঁৱলিময়।

সপ্তম শতিকাৰ পৰা অসমত বৌদ্ধ ধৰ্ম্মৰ প্ৰভাবৰ আভাষ পোৱা যায়। কামৰূপৰ ৰজা ভাস্কৰবৰ্ম্মাৰ হৰ্ষবৰ্দ্ধনৰ বৌদ্ধ মহা-সভাত অংশ গ্ৰহণ, বৌদ্ধ সন্যাসী হিউয়েন চাঙৰ কামৰূপ ভ্ৰমণ, বৌদ্ধগুৰু উপগুপ্তৰ উত্তৰাধিকাৰী ধীটিক আৰু অশ্বভাবৰ কামৰূপত বৌদ্ধ ধৰ্ম্ম প্ৰচাৰৰ কথা অসম বুৰঞ্জীত উল্লেখ আছে।

অদ্বৈতবাদী আদি শঙ্কৰাচাৰ্য্যৰ আবিৰ্ভাৱ হিন্দু সভ্যতাত এক স্মৰণীয় ঘটনা। বৌদ্ধ ধৰ্ম্মৰ কেন্দ্ৰ হৈ পৰা হিন্দু ধৰ্ম্মানুষ্ঠান-বোৰলৈ শঙ্কৰাচাৰ্য্য নিজে গৈ বৌদ্ধ পণ্ডিত সকলক তৰ্কত পৰাস্ত কৰি হিন্দু ধৰ্ম্মাদৰ্শ সেই মঠ-মন্দিৰ আৰু আশ্ৰমবোৰত পুণঃ প্ৰতিষ্ঠা কৰিছিল। অসমৰ কামাখ্যা মন্দিৰত তান্ত্ৰিক বৌদ্ধ সকলৰ কেন্দ্ৰ হৈ পৰা কথা জানি শঙ্কৰাচাৰ্য্য নিজে শিষ্যবৰ্গৰে সৈতে উপস্থিত হৈছিল। এইখিনিতে উল্লেখ কৰা যায় যে পুৰণি অসমত বৌদ্ধ ধৰ্ম্মই সময়ৰ গতিত এক বিকৃত ৰূপ লৈছিল যাক তান্ত্ৰিক বৌদ্ধ ধৰ্ম্ম বুলি কোৱা হৈছে। এই তান্ত্ৰিক বৌদ্ধ সকলৰ মুখ্য লক্ষ্য আছিল অলৌকিক শক্তি অৰ্জন আৰু প্ৰতিষ্ঠা লাভ। তান্ত্ৰিকতাৰ মূল বিষয়বস্তু আছিল মন্ত্ৰসিদ্ধি আৰু মাৰণ, উচাটন আৰু বশীকৰণ ক্ৰিয়া আদি। সেই সময়ত ভাৰতৰ অন্যান্য ঠাইৰ পৰা বহুতে তন্ত্ৰ শিক্ষা-দীক্ষা গ্ৰহণ কৰিছিলহি। অসমৰ তান্ত্ৰিক সকলৰ বিষয়ে বাণী নিয়োগীৰ দ্বাৰা বাংলা অনুদিত "জগদ গুৰু শঙ্কৰাচাৰ্য্য" নামৰ গ্ৰন্থত এইদৰে বৰ্ণনা কৰিছে। "সমগ্ৰ আসামে বিশেষ কৰে কামৰূপে

সে সময় বৌদ্ধ তান্ত্রিকদেৰ বিশেষ প্ৰাধান্য। তান্ত্ৰিকেৰা অনেকেই মন্ত্ৰ সিদ্ধি এবং মাৰণ, উচাটন ও বশীকৰণ ক্ৰিয়াতে বিশেষ পাৰদৰ্শী। এই সমস্ত মন্ত্ৰ সিদ্ধি তান্ত্ৰিকদেৰ প্ৰভাব শুধু আসামেই সীমাবদ্ধ ছিল না, ভাৰতেৰ নানা জায়গা থেকে বহু তান্ত্ৰিক সাধক দীক্ষা ও শিক্ষা লাভ কৰে নিজ নিজ দেশে গিয়ে তান্ত্ৰিক ক্ৰিয়াকাণ্ড প্ৰচাৰ কৰত। এই সমস্ত সাধনাৰ মুখ্য উদ্দেশ্য ছিল আলৌকিক শক্তি অৰ্জন ও প্ৰতিষ্ঠা লাভ।”

শঙ্কৰাচাৰ্য্যই কামাখ্যালৈ আহি স্থানীয় তান্ত্ৰিক বৌদ্ধ পণ্ডিত সকলক তৰ্কত পৰাস্ত কৰে। সেই সময়ৰ অসমৰ প্ৰধান তান্ত্ৰিক বৌদ্ধ পণ্ডিত আছিল অভিনব গুপ্ত। অভিনব গুপ্ত শঙ্কৰাচাৰ্য্যৰ হাতত তৰ্কত বেয়াকৈ পৰাজিত হয়। অভিনব গুপ্তৰ পৰাজয়ৰ পিছৰ পৰা কামাখ্যাত পুণঃ হিন্দু পূজা পাৰ্ব্বনৰ প্ৰচলন আৰম্ভ হয়।

কামাখ্যাত হিন্দু ধৰ্ম্মীয় ক্ৰিয়া প্ৰচলন হলেও বৌদ্ধ তান্ত্ৰিকতাৰ অবসান ঘটা নাছিল। আনকি শঙ্কৰাচাৰ্য্য নিজেও বৌদ্ধ তান্ত্ৰিকতাৰ বলি হব লগা হৈছিল। অভিনব গুপ্তুই তৰ্কত পৰাজিত হৈছিল যদিও তেওঁ আছিল এজন অতি শক্তিমান তান্ত্ৰিক। পৰাজয়ৰ গ্লানি সহিব নোৱাৰি তেওঁ শঙ্কৰাচাৰ্য্যৰ প্ৰাণ নাশ কৰিবলৈ দৃঢ় সঙ্কল্পবদ্ধ হয়। এই উদ্দেশ্যৰে অভিনব গুপ্তই এদিন শঙ্কৰাচাৰ্য্যৰ ওচৰত গৈ শিষ্যত্ব গ্ৰহণ কৰে। কিছুদিন শিষ্যৰ অভিনয় কৰি থাকি এদিন শঙ্কৰাচাৰ্য্যক মন্ত্ৰপুতঃ কৰে। ফলত কেইদিনমানৰ পিছতে শঙ্কৰাচাৰ্য্যৰ দেহত “ভগন্দৰ” ৰোগে দেখা দিয়ে। ৰোগে দেখা দিয়া অংশৰ পৰা পুজ আৰু তেজ ওলাবলৈ আৰম্ভ কৰে। নানান চিকিৎসাৰ পিছতো যেতিয়া ৰোগ ভাল নহল আৰু শঙ্কৰাচাৰ্য্য এক প্ৰকাৰ অচল হৈ পৰিল তেতিয়া শিষ্য পদ্মপাদ অস্থিৰ হৈ পৰে। শিষ্য পদ্মপাদে নৰসিংহৰ কৃপাত গুৰু শঙ্কৰাচাৰ্য্যৰ দেহত মন্ত্ৰপুত কৰাৰ কথা জানিব পাৰি ওলোটা মন্ত্ৰ মাৰিহে শঙ্কৰাচাৰ্য্যক ভগন্দৰ ৰোগৰ পৰা ৰক্ষা কৰিবলৈ সমৰ্থ হয়। পদ্মপাদৰ ওলোটা মন্ত্ৰৰ প্ৰতিক্ৰিয়া



ৰূপে উক্ত ভগন্দৰ ৰোগ অভিনব গুপ্তৰ দেহত দেখা দিয়ে আৰু শেষত তেওঁৰ মৃত্যু হয়।

সেয়া যিয়েই নহওক লাগিলে মুঠতে যোল শতিকালৈকে অসমত তান্ত্ৰিক বৌদ্ধ ধৰ্ম্মই প্ৰভাব বিস্তাৰ কৰি আছিল। সৰ্ব্বসাধাৰণ ৰাইজৰ মাজত তান্ত্ৰিক বামাচাৰী প্ৰভাব ইমান শক্তিশালী হৈ পৰিছিল যে মহাপুৰুষ শঙ্কৰ দেৱৰ একশৰণীয়া ধৰ্ম্ম ধাৰাও ইয়াৰ প্ৰবল বাধাৰ সন্মুখীন হব লগা হৈছিল। শ্ৰীমন্ত শঙ্কৰ দেৱে তান্ত্ৰিক বৌদ্ধ ধৰ্ম্মাদৰ্শনৰ প্ৰভাব সম্বন্ধে তেওঁৰ কীৰ্ত্তন পুথিত এইদৰে বৰ্ণনা কৰিছে।

বুদ্ধ অৱতাৰে বেদপন্থা কৰি ছন্ন।<br>
বামানয় শাস্ত্ৰে মুহি আছে সৰ্ব্বজন॥<br>
নিচিন্তে চৰণ নাম নলৱে তোমাৰ।<br>
সদায়ে প্ৰমত্ত লোক পাষণ্ড আচাৰ॥ ১৩<br>
কলিৰ শেষত হৈবা কল্কি অৱতাৰ।<br>
কাটি ছিঙি ম্লেচ্ছক কৰিবা বুন্দামাৰ॥<br>
সবাকো বধিবা বোধগন যত আছে।<br>
কলিৰ শেষত সত্য প্ৰবৰ্ত্তাইবা পাছে॥ ১৪ কীৰ্ত্তন

অকল এয়াই নহয়। নাস্তিকতাবাদী বৌদ্ধ আদৰ্শৰে সৰ্ব্বসাধাৰণৰ লোক সমাজত কোনো সামাজিক আচাৰ-বিচাৰ নাইকিয়া হৈ পৰিছিল। মানুহবোৰ যেন মইমতত মত্ত হৈ এক উশৃঙ্খল জীৱন যাপন কৰিছিল। এই কথা মহাপুৰুষ মাধৱদেৱে তেওঁৰ ‘নাম ঘোষা’ত এইদৰে বৰ্ণনা কৰিছে।

অন্ন যোনি কিছু নকৰে বিচাৰ<br>
জাতি কুল ভৈল ভ্ৰষ্ট।<br>
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়<br>
বেদ পথ কৰি নষ্ট॥

শাস্ত্ৰ বিচাৰ নকৰে ভকতি
পৰমাৰ্থ আতি মূঢ়
হৰি কথা চলে কৰ্ণত কুমন্ত্ৰ
কহয় কৰিয়া ওঢ়॥ ২৯৭ ( নাম ঘোষা )

কিন্তু ষোল শতিকাত মহাপুৰুষীয়া একশৰণীয়া ধৰ্ম্মধাৰা প্ৰচাৰৰ পিছৰ পৰা এই অৱস্থাৰ কিছু পৰিৱৰ্ত্তন ঘটে যদিও মানুহৰ মনৰ পৰা বামাচাৰী মানসিকতাৰ অৱসান ঘটা নাছিল। একশৰণীয়া ধৰ্ম্মধাৰাৰ আধ্যাত্মিকতা আৰু মানৱতাবাদী আদৰ্শই বামাচাৰী তান্ত্ৰিক সকলৰ এচাম লোকক বাৰুকৈয়ে আকৰ্ষণ কৰিছিল যদিও একশৰণীয়া আচাৰ নীতি, খাদ্য বিচাৰ আৰু কঠোৰ সংযমী জীৱন-যাপন পচন্দ কৰা নাছিল। মুক্ত ভোগ-বিলাস আৰু শিথিল আচাৰ-বিচাৰৰ মাজত থাকি একশৰণীয়া ধৰ্ম্মধাৰা গ্ৰহণ কৰিবলৈ এচাম তান্ত্ৰিক বৌদ্ধ আগবাঢ়ি আহিছিল। ফলত সোতৰ শতিকাৰ উত্তৰ কালত অসমত কেইটামান নতুন আচহুৱা ধৰ্ম্মৰ আবিৰ্ভাৱ ঘটে। সেই আচহুৱা ধৰ্ম্ম কেইটাৰ ভিতৰত বাতি সেৱা ধৰ্ম্ম, কৰণিপতীয়া, পুথিনেচীয়া, গোপীধাৰা আৰু দক্ষিণ পশ্চিম কামৰূপৰ নমঃহৰি ধৰ্ম্ম-ধাৰা উল্লেখযোগ্য। এই আটাই কেইটা ধৰ্ম্মধাৰা এক ঈশ্বৰবাদী আৰু নিৰাকাৰী পন্থী। কিন্তু ভাগ আৰু সংযমৰ ক্ষেত্ৰত তেনেই শিথিল নীতি অৱলম্বন কৰা দেখা যায়। সেয়া তান্ত্ৰিক বৌদ্ধাচাৰৰ প্ৰভাৱ।

আগেয়ে কৈ অহা হৈছে যে বৌদ্ধ ধৰ্ম্ম ব্যক্তিকেন্দ্ৰিক ধৰ্ম্ম। কিন্তু মহাপুৰুষ শঙ্কৰ দেৱৰ একশৰণীয়া ধৰ্ম্ম হৈছে সমাজ কেন্দ্ৰিক। সেই বাবে মহাপুৰুষ মাধৱদেৱে ব্যক্তিকেন্দ্ৰিক বৌদ্ধ সন্ন্যাসী আৰু বেদাচাৰী জ্ঞানমাৰ্গী সন্যাসবাদী সকলৰ বিৰুদ্ধে নাম ঘোষাৰ প্ৰথমতে লিখিছে।

মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নম;
ৰসো মই মাগোহো ভকতি
সমস্ত মস্তক মণি নিজ ভকতৰ বৈশ্য
ভজো হেনো দেৱ যদুপতি। ১ নাম ঘোষা



ব্যক্তিকেন্দ্ৰিক সকলে কেৱল নিজৰ মুক্তিৰ বাবে সকলো কৰি যায়। কিন্তু সমাজ কেন্দ্ৰিক সকলো জনগণৰ মুক্তিৰ মাজেৰে নিজৰ মুক্তি বিচাৰে। সেয়েহে তেঁৱাৰ গুৰু শঙ্কৰদেৱে বৈকুণ্ঠৰ প্ৰেমানন্দ জনগণৰ মঙ্গলৰ বাবে ব্ৰহ্মাণ্ড ভেদি বোৱাই দিয়া বুলি এইদৰে কৈছে—

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
বহে প্ৰেম অমৃত নদী
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।

ইমানবোৰ বামাচাৰী লোকৰ মাজত মহাপুৰুষ শঙ্কৰদেৱে কেনেকৈ একশৰণীয়া ধৰ্ম্ম ধাৰাই প্ৰতিষ্ঠা লাভ কৰিলে তাৰো এক তাৎপৰ্য্য নথকা নহয়। সম্ভৱতঃ মাছমৰীয়া সম্প্ৰদায় লোক সকল তান্ত্ৰিক বৌদ্ধাচাৰত জিন যোৱা নাছিল। হয়তো সেই বাবেই অনুসূচীত মাছমৰীয়া জাতিৰ লোকসকলে একশৰণীয়া ধৰ্ম্মধাৰা সহজভাবে গ্ৰহণ কৰিছিল আৰু এই সকল লোকৰ মাধ্যমেৰে আগুৱাই আহি একশৰণীয়া ধৰ্ম্মধাৰাই আজিৰ এই অৱস্থা পাইছেহি।

মানৱীয়তা সকলো ধৰ্ম্মৰ মূল ভেটি। দয়া, ক্ষমা, আত্মত্যাগ, পৰোপকাৰ, অহিংসা আদি ধৰ্ম্মৰো মূল ভেটি। যি ধৰ্ম্মই হিংসা-হিংসি, খিয়লা-খিয়লিৰে এখন যুদ্ধৰ মুখা-মুখি কৰে সেয়া ধৰ্ম্ম হব নোৱাৰে। যি ধৰ্ম্মই মানৱ জাতিৰ মাজত শান্তি-সম্প্ৰীতিৰ অনুকূল ভাবধাৰাৰ পৰিবৰ্দ্ধন আৰু পৰিমাৰ্জিত হোৱাত সহায় কৰে সেয়াই আজিৰ মানুহৰ একমাত্ৰ ধৰ্ম্ম হোৱা উচিত। ভগবান বুদ্ধই কৈছিল এটা আঘাতৰ উত্তৰত যদি আন এটা আঘাত দিয়া হয় তেন্তে সেই আঘাতৰ কোনো প্ৰতিকাৰ কৰা নহয়। তাৰ ফলত পৃথিবীত পাপ এটা বাঢ়ে।

— x —

# A Founder of Golden Thought

**Gunati Gogoi**

The consort of a great Indian has recently received the highest hour of the nation "Bharat Ratna" on behalf of her husband from the President of this great Indian republic. This very great Indian humanist who received "Bharat Ratna" ( posthumously ) was Dr. Babasaheb Bhimrao Ambedkar, the founding father of the constitution of this largest democracy of ours. Dr. Ambedkar was one of those true dreamers of golden India of the pre-independence era. He dreamt of a golden India with his golden thoughts. He disfavoured casteism and varnaism. Men come to this world as men. After a man is born ; he should not be chained with casteism.

The Aryans probably had created the four varnas i. e. the Brahmins, Kshatriyas, Baishyas and Sudras in the society for division of labour to run the social machinery orderly. Time passes smooth and well. But with the growth of population say in geometrical rate according to Robert Multhus, problems arose in society. This division of simplicity became a division of complexity. The ghost of exploitation ; say clan exploitation came forward to devour society as 'Rahu' comes to devour the moon in eclipse. The place of happiness occupied by bitterness. Mutual hatred ruled the brothers and sisters of the same flesh and blood. Opportunism arrested the conscience of one class to exploit the other in the name of casteism. For the good of one class, the interest of the other was sacrificed. Thus the simple division of labour turned into division of status and that too also by force of birth. The status by merit and intelligence were kept aside. Classes of high and low were created in the society side by side to live. Thus a class of Lords and a class of serfs in another form were also created in this great land once ruled by Akbar the great, Ashoka the great even which is a land of glorious activities of Sri Rama Chandra, Lord Krishna and others. The deep rooted saplings of this notorious division between man and man are yet to be uprooted fully from this beautiful land of ours.

The question of the day is how long such a heinous division of touchable and untouchable be permitted to exist in this great land ? In this country where Lord Buddha, Lord Jain, Guru Nanak, Sri Sankardeva, Ramanuja, Sri Chaitanya, Kavira tied the people by one thread of unity and made them dine together ; who made these same people untie after the departure of these great souls ? Why a man of red blood cannot draw water from the pond or well of a man of the some kind ? Are some people brinjals to be burnt alive ? Who has stolen the conscience of the same of the so called higher class of people

to ponder these questions ? Humanitarians of different ages made massive hunt to find out the clues of these hydra headed problems. In the pre-independence era Gandhiji voiced to mitigate these problems. He told untouchability is a crime against God. Now let us meet here one of those of the galaxy of pre-indipendence era who's commanding personality and golden throughts did much more to bring equality, prosperity, fraternity, peace and justice to this trouble-torn land. This illustrious son of the country was Dr. Babasaheb Bhimrao Ambedkar.

Born on April 14, 1891 at Mhow with sky high talent in a so called backward class family. Dr. Ambedkar passed his matriculation from Elphinstone High School of Bombay and graduated from Elphinstone College in 1912. He took his M. A. degree in Economics from the Colombia University, U. S. A. and there after his Ph. D. in 1916. He also joined London School of Economics and Political Science and after then in Gray's Inn. He obtained D.Sc. in 1923 and joined Bombay bar for legal practices. There after he served as a social worker, politician, writer and educationist.

His journey of dedication to the service of the nation began to develop since 1924. He started his 'Bahiskrit Hitakarini Sabha' for the material good of the untouchables and started his fortnightly 'Bahiskrit Bharat' to flow his thoughts to touch the conscience of the general masses. He preached social equality among the untouchables through 'Samaj Samata Sangha' and led few Satyagrahi



to enable the untouchables to draw water from public tank and to make their entry free to the Kalarama temple for worship. He was also a member nominated to delegate the three Round Table Conferences in London.

He was sometimes a member of the Governor General's Executive Council and in that capacity successfully secured adequate funds from the central governor for education of the scheduled caste people. His peoples Education Society founded number of Colleges in Bombay. He also strongly pleaded for reservation of jobs for the scheduled caste people in the central and provincial government services. Congress nominated this meritorious personality to the Constituent Assembly in 1946-47. He was the Law Minister in Nehru's Cabinet and was also the Chairman of the Drafting Committee to frame the Constitution of India. Here a golden chance came to this stalwart to translate his golden thoughts into reality for a prosperous India. As a result of that we have got the longest constitution of the world as the fundamental law of the country to express our will with a charming preamble of extra-ordinary beauty as follows :

"We, the people of India having solemnly resolved to constitute India into a SOVEREIGN SOCIALIST SECULAR DEMOCRATIC REPUBLIC and ensure to all its citizens :

JUSTICE—Social, Economic and Political ;

LIBERTY—of thought, expression, belief, faith and worship ;

EQUALITY—of status and opportunity and

promote among them all ;

FRATERNITY—assuring the dignity of the individual and the unity and integrity of the nation.

In our constituent Assembly this twenty sixth day of November 1949, we do hereby, adopt, enact and give to ourselves this constitution."

The ideals of our Constitution is no doubt very high and it depends much more upon our honourable legislators how much they can translate these ideals into reality for the welbeing of our country as well as of the people in general. Besides them, we also belive that greater the growth of political and social conscience of the well-wishers and the masses in general, greater is the welbeing of the nation as a whole.

In this regard Dr. Ambedkar advocated more steps. He opined for enlistment of some special measures in the constitution for the material development of the downtrodden, backward classes and the weaker sections of the society. As a result of that the Directive Principles of State Policies were absorbed by the constitution of India. The State Governments of the nation are empowered to frame measures and schemes for the welbeing of the above mentioned classes. Various State Governments of the country have made numerous measures under the directive principles of State policies to give the people justice—social, economic and political. Panchayats are the outcome of these policies through where people get chance to share the administration in local level. For the first time the



present Government of Assam decentralised planning powers to the grass root level to enable the local people to make their plans and programmes to achieve greater development possible by their own efforts. Because local people are much more aquainted with local problems than the outsiders. The directive principles of State policies are also condusive to subvert the seeds of social exploitation also.

According to Dr. Ambedkar, the sufferings of the people are due to social exploitation. So he advocated State socialism. To him political stability is not possible without social democracy. This illustrious son of the country who dedicated his life for the wellbeing of the down trodden and backward communities understood well that without the liquidation of the heirarchial society and abolition of privileges on the basis of caste, material prosperity and peace could not be brought to the society.

It was because of his contribution that the constitution of India to-day is flexible, workable, amendable to the needs of time and yet strong to hold the country together. He did much to declare untouchability and forced labour as public offences punishable under the law.

India needed for ages to come such illustrious sons and daughters like Dr. Ambedkar to lead the society to come forward through the right direction. It is a vast country of numerous castes and creeds with numerous thoughts, beliefs, and faiths. It is a country of headed problems and circles of various interests. To tie them together was proved to be a

difficult task. As a result of that forces of divisive interests and subversive elements sometimes raise their heads to harm the society for their tiny interest and create restlessness and disatrous atmosphere in the country. All of us should condemn such forces for the sake of our great country. We should always remember that our identity is same. We are one nation state. We are Indians, citizens of India. So we should remember it that united we stand; divided we fall. Let us come to remember the immortal messages of Gandhiji, Nehruji, the Maulana, Tilok, Gopinath, Subhash Chandra, Bankim Chandra and many of known and unknown heroes and heroines of the land along with the western luminary of the country 'Dr. Babasabheb Bhimrao Ambedkar' at this critical juncture of the country. Let the messages of the above mentioned luminaries to overpower the divisive forces in and outside the country—no doubt unity with rest for-ever and we will be a strong power in the world family.

The architect of the Constitution of India Dr. Ambedkar passes away in 1956 embracing Buddhism with million of his followers just before fifty two days of his departure to the heavenly abode; where there is no place for violence difference of high and low, status and privileges ; where peace and prosperity, equality and fraternity rest eternally, We offered him our heartiest gratitude for his unti-ring efforts to establish a classless society and united India at the eve of his birth centenary at the door.



# ভাৰতীয় সংবিধানৰ জনক ডº আম্বেদকাৰ

শ্ৰীমতী ৰূপা বেজবৰুৱা

ডঃ বাবাচাহেব ভীমৰাও ৰামজী আম্বেদকাৰ—আধুনিক ইতিহাসৰ এটা চিনাকি নাম। আম্বেদকাৰ আছিল এজন অতি উচ্চ-খাপৰ গণতন্ত্ৰবাদী, সৰ্বভাৰতীয় নিঃস্বাৰ্থ দেশহিতৈষী মহান নেতা আৰু অধ্যয়নপুষ্ট গভীৰ জ্ঞানসম্পন্ন সাহিত্যিক। ভাৰতৰ কোটি কোটি পিছ পৰা, দৰিদ্ৰ আৰু দলিত জনগণক ৰক্ষাকৰোতা, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক মুক্তিৰ পথদ্ৰষ্টা আৰু স্বাধীন ভাৰতৰ সংবিধানৰ মুখ্য ৰচয়িতা আম্বেদকাৰে জন্ম গ্ৰহণ কৰিছিল ১৮৯১ চনৰ এপ্ৰিল মাহৰ ১৪ তাৰিখে, সেই সময়ৰ বম্বে প্ৰদেশৰ ৰত্নগিৰি জিলাৰ এটি অতি দুখীয়া, অস্পৃশ্য 'মহাৰ' সম্প্ৰদায়ৰ পৰিয়ালত। মহাৰাষ্ট্ৰত অন্যান্য অস্পৃশ্য জাতিৰ তুলনাত মহাৰ সম্প্ৰদায়ৰ লোকেই আছিল সকলোতকৈ বেছি পিছ পৰা। এওঁলোক আছিল সকলো ফালৰ পৰাই আৰ্থিক আৰু সামাজিকভাৱে বঞ্চিত, লাঞ্ছিত আৰু শোষিত। আম্বেদকাৰৰ দেউতাক ৰামজী মালোজী চকপালে সৈন্যবিভাগত চুবেদাৰ মেজৰ হিচাপে চাকৰি কৰিছিল। সেই সময়ত সৈন্যবিভাগৰ চাকৰিয়ালৰ ল'ৰা-ছোৱালীক শিক্ষা দিয়াটো বাধ্যতামূলক আছিল বাবেই ৰামজী চকপালে ল'ৰা-ছোৱালী কেইটিক শিক্ষা দিয়াৰ সুবিধা পাইছিল। চাতাৰা নগৰৰ স্কুলত পঢ়ি থাকোতেই আম্বেদকাৰে প্ৰথম জাতিভেদ আৰু অস্পৃশ্যতা মহামাৰীৰ দুঃসহ বেদনা অনুভৱ কৰে। তেওঁক অন্যান্য ছাত্ৰসকলৰ লগত পঢ়াকোঠাত বহিবলৈ দিয়া

হোৱা নাছিল আৰু শিক্ষকসকলেও স্পৰ্শ কৰিলে অপবিত্ৰ হ'ব বুলি বিশ্বাস কৰি তেওঁক কিম্বা তেওঁৰ কিতাপ-বহী আদিও স্পৰ্শ নকৰিছিল। তেওঁৰ লগৰীয়াসকলেও সকলো ক্ষেত্ৰতে তেওঁক বৰ্জন কৰি সদায়েই নিৰুৎসাহ কৰিছিল। এই কালছোৱাতেই বিভিন্ন ধৰণেৰে অস্পৃশ্যতাৰ তাড়নাত দুৰ্ভোগ ভুগি তেওঁ বৰ মনোকষ্ট পাইছিল।

প্ৰাইমেৰী শিক্ষা শেষ কৰি দেউতাকৰ তত্বাৱধানত ইংৰাজী ভাষা ভালকৈ আয়ত্ত কৰি তেওঁ বম্বেৰ এল্‌ফিন্‌ষ্টোন হাইস্কুলত ভৰ্ত্তি হয়। ইয়াতো অস্পৃশ্যতাৰ কবলৰ পৰা হাত সাৰিব পৰা নাছিল যদিও আম্বেদকাৰে কেতিয়াও আত্মবিশ্বাস হেৰুওৱা নাছিল। সেই সময়ত স্কুলবিলাকত অচ্যুতসকলৰ কথা বাদেই, জনজাতীয় আৰু শূদ্ৰসকলেও সংস্কৃত পঢ়াত বাধা আছিল। সেয়ে তেওঁ পিছতহে সংস্কৃত শিক্ষা লাভ কৰিছিল। এই সকলো বাধা-বিঘিনি আৰু মানসিক সংঘাত সত্বেও তেওঁ সুখ্যাতিৰে মেট্ৰিক পৰীক্ষা পাছ কৰে। মেট্ৰিক পাছ কৰাৰ পাছতেই সেই সময়ৰ প্ৰথামতে ১৯০৫ চনত 'ৰমাবাঈ' নামেৰে এগৰাকী এঘাৰ বছৰীয়া ছোৱালীৰ লগত তেওঁৰ বিয়া হয়।

মেট্ৰিক পাছ কৰি আম্বেদকাৰে বম্বেৰ এল্‌ফিন্‌ষ্টোন কলেজত ভৰ্ত্তি হয়। তেওঁৰ টকা-পইচাৰ অভাৱ হোৱা সত্বেও পিতাকৰ অবিৰাম প্ৰচেষ্টা আৰু কেলুচ্‌কৰ বুলি এজন সদাশয় ব্যক্তিৰ সহায়ত, বৰোদাৰ মহাৰাজ চায়াজীৰাও গাইকোৱাৰৰ পৰা এটা ২৫ টকীয়া বৃত্তি লাভ কৰিবলৈ সক্ষম হয়। মুলাৰ নামৰ এজন প্ৰফেছাৰেও তেওঁক কিতাপ আৰু কাপোৰ আদি দি সহায় কৰিছিল। ১৯১২ চনত আম্বেদকাৰে স্নাতক উপাধি লাভ কৰি উচ্চ শিক্ষাৰ বাবে মন মেলে। ছায়াজীৰাও গাইকোঁৱাৰে পুনৰ সাহায্যৰ হাত আগবঢ়োৱাত উচ্চ শিক্ষাৰ বাবে বৃত্তি লাভ কৰি আমেৰিকা যুক্তৰাজ্যলৈ যাত্ৰা কৰে। আমেৰিকাত তেওঁ মহান ব্যক্তিসকলৰ উৎসাহজনক তত্বাৱধানত অতীত



আৰু সাম্প্ৰতিক বুৰঞ্জী, নৃতত্ব, সমাজ বিজ্ঞান আৰু অৰ্থনীতিৰ অধ্যয়নত মনোনিবেশ কৰি অতি কৃতিত্বৰে শিক্ষা সম্পূৰ্ণ কৰে। ১৯১৫ চনত Ancient Indian Commerce নামৰ ৰচনাৰ বাবে তেওঁ মাষ্টাৰ ডিগ্ৰী আৰু পাছত The Evolution of Provincial Finance in British India নামৰ ৰচনাৰ বাবে ডিগ্ৰী অৱ ফিলচ'ফী উপাধি লাভ কৰে। আমেৰিকাত অধ্যয়ন শেষ কৰি আম্বেদকাৰে ১৯১৬ চনত ইংলণ্ডলৈ অধিক শিক্ষাৰ অৰ্থে ৰাওনা হয় যদিও ১৯১৭ চনত তেওঁৰ বৃত্তিৰ ম্যাদ শেষ হোৱা বাবে তেওঁ ভাৰতলৈ ঘূৰি আহিব লগা হয়। ভাৰতলৈ আহি বৃত্তিৰ বিনিময়ত চাকৰি কৰি দিয়াৰ প্ৰতিশ্ৰুতি পূৰণৰ বাবে তেওঁ বৰোদাৰ সৈনিক বিভাগৰ চেক্ৰেটৰী পদত নিযুক্তি লয়। সকলো দিশতে উচ্চশিক্ষিত আৰু জ্ঞানী হোৱা সত্বেও উচ্চ হিন্দুসকলৰ মানৱতাহীন দুৰ্ব্যৱহাৰৰপৰা তেওঁ হাত সাৰি যাব পৰা নাছিল। অফিচৰ ফাইল আৰু অন্যান্য কাগজ-পত্ৰবোৰ তেওঁৰ টেবুললৈ আঁতৰৰ পৰা দলিয়াইহে দিছিল। আনকি হোটেলবিলাকো তেওঁলোকৰ বাবে বন্ধ আছিল।

ভাৰতবৰ্ষৰ হিন্দু সমাজে অচ্যুতসকলৰ প্ৰতি কৰা অমানৱীয় দুৰ্ব্যৱহাৰে আম্বেদকাৰৰ মনত স্বাভাৱিকতেই মচিব নোৱাৰাকৈ সঁাচ বহুৱাইছিল। সেয়ে তেওঁ এই কুসংস্কাৰ নিৰ্মূল কৰাটোকে জীৱনৰ ব্ৰত কৰি লৈছিল। এই উদ্দেশ্য আগত ৰাখিয়েই তেওঁ ১৯১৮ চনত নাগপুৰত প্ৰথম অস্পৃশ্য সন্মিলন অনুষ্ঠিত কৰে। ১৯১৯ চনত চাউথবৰো সংস্কাৰ আয়োগৰ আগত অনুন্নত সম্প্ৰদায়ক ৰাজনৈতিক অধিকাৰ দিয়াৰ বাবে সাক্ষ্য দিছিল। ১৯২০ চনত এই সন্মিলন কোলহাপুৰ মহাৰাজৰ তত্বাৱধানত মহাৰাষ্ট্ৰত পুনৰ অনুষ্ঠিত হয়। সেই একে বছৰতে তেওঁ লণ্ডনলৈ গৈ আকৌ অধ্যয়নৰ কামত মনোনিবেশ কৰে। সকলো কিতাপ-পত্ৰ কিনাৰ সামৰ্থ্য নথকা বাবে তেওঁ লণ্ডনৰ বৃটিছ মিউজিয়াম লাইব্ৰেৰীত পুৱাৰ পৰা গধূলিলৈকে অধ্যয়ন কৰিব লগা হৈছিল। ১৯২১ চনত Provincial Decen-

tralisation of Imperial Finance in British India নামৰ ৰচনাৰ বাবে তেওঁ এম-এচ-চি ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছতে ১৯২২ চনত তেওঁৰ আন এখন ৰচনা The Problem of Rupee লণ্ডন বিশ্ববিদ্যালয়ত দাখিল কৰে আৰু লগতে আইন বিষয়তো উত্তীৰ্ণ হয়। ১৯২৩ চনত তেওঁ ডি-এচ-চি ডিগ্ৰী লাভ কৰাৰ পাছতে এল-এল-ডি আৰু ডি-লিট উপাধিও লাভ কৰে।

ভাৰতলৈ ঘূৰি আহি আম্বেদকাৰে ওকালতি আৰম্ভ কৰে যদিও তেওঁ আকৌ একে অৱস্থাৰ সন্মুখীন হব লগা হৈছিল। গৰীবৰ বেৰিষ্টাৰ বুলি তেওঁক মানুহে উপহাস কৰা সত্বেও নিজকৰ্মৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখি কামত আগুৱাই গৈছিল। ১৯২৪ চনত বম্বেত বহিষ্কৃত হিতকাৰিণী সভা গঠন কৰি পিছ পৰা জাতিসমূহৰ মুক্তি আৰু বিকাশৰ অৰ্থে অস্পৃশ্যতাৰ বিৰুদ্ধে তেওঁ যুদ্ধ আৰম্ভ কৰে। এইদৰেই ড° আম্বেদকাৰে অনুন্নত সম্প্ৰদায়ৰ হকে সদায় সহাৰি জনোৱাৰ ফলস্বৰূপেই তেওঁ ভাৰতৰ অনুসূচীত সম্প্ৰদায়ৰ নিৰঙ্কুশ নেতা হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছিল। আম্বেদকাৰ আছিল এজন তীক্ষ্ণ আৰু মুক্ত সমালোচক। তেওঁ আনকি নেহৰু মন্ত্ৰীসভাৰ সদস্য হৈ থাকোতে নেহৰুজীও তেওঁৰ সমালোচনাৰ পৰা বাদ পৰা নাছিল। সেয়েহে গান্ধীজীয়ে কৈছিল "You may forget Dr. Ambedkar but he is not a man to leave you a forget"।

হিন্দুসমাজ ব্যৱস্থাৰ বিৰুদ্ধে তেওঁ সূচনা কৰা বিপ্লৱ আছিল আগ্নেয়গিৰিৰ দৰে। তেওঁ ভাবিছিল যথাসম্ভৱ আইন-কানুনৰ শাসন ব্যৱস্থা হ'ব লাগে অহিংস। অস্পৃশ্যসকল তেওঁলোকৰ অৰ্থনৈতিক আৰু সামাজিক দুৰ্গতিৰ বিষয়ে লাহে লাহে সজাগ হৈ আহিল। নিজৰ ভিতৰতে সংগঠিত হৈ তেওঁলোকে চৰকাৰৰ ওচৰত তেওঁলোকৰ সমস্যাবাজি দাঙি ধৰিলে। বৃটিছ চৰকাৰে আম্বেদকাৰক অনুসূচীত সম্প্ৰদায়ৰ প্ৰতিনিধি হিচাপে গণ্য কৰি তিনিখন ঘূৰণীয়া মেজমেললৈ মনোনীত কৰে। দ্বিতীয়খন ঘূৰণীয়া মেজমেলত ডঃ আম্বেদকাৰে



অনুন্নত সম্প্ৰদায়ৰ কাৰণে প্ৰস্তাৱিত ১৯৩৫ চনৰ আইন সংস্কাৰত পৃথক ভোটাধিকাৰৰ প্ৰস্তাৱ কৰিছিল। ১৯৩৬ত তেওঁ 'স্বতন্ত্ৰ শ্ৰমিক' পাৰ্টি গঠন কৰে। ১৯৩৭ চনত তেওঁ বম্বে বিধান সভালৈ এম-এল-এ নিৰ্বাচিত হয়। তেওঁৰ প্ৰচেষ্টাতে 'সৰ্বভাৰতীয় অনুসূচীত জাতি ফেডাৰেচন' ১৯৪২ চনত গঠিত হয়। সেই একে বছৰতে লাট গৱৰ্ণৰৰ কাৰ্য্যকৰী কাউঞ্চিলৰ ( Viceroy's Executive Council ) শ্ৰম মন্ত্ৰী হিচাপে নিযুক্তি পায়। কিন্তু তেওঁৰ দাবীসমূহৰ প্ৰতি আওকণীয়া মনোভাৱ দেখি বৃটিছ চৰকাৰৰ লগত মতান্তৰ ঘটাত তেওঁ ভাইচৰয়জ্ একজিকিউটিভ কাউন্সিলৰ সদস্য পদ ইস্তফা দিয়ে।

কিন্তু মহাত্মাগান্ধীয়ে বৃটিছ চৰকাৰৰ বিভাজন নীতিৰ প্ৰতি বিৰোধিতা কৰি আমৰণ অনশন ব্ৰত পালন কৰে। ফলত আম্বেদকাৰ সহ পণ্ডিত মদন মোহন মালব্য আৰু এম, চি, ৰাজাৰ সৈতে পুণাৰ যাৰৱেদা জেলত গান্ধীজীক দেখা কৰি সমস্যাটোৰ সমাধানলৈ আহি এখন চুক্তি সম্পন্ন কৰে। এই চুক্তি 'পুণা চুক্তি' নামে জনাজাত হয়। ইয়াৰ দ্বাৰা অনুন্নত জাতিৰ কাৰণে সুকীয়া ভোটাধিকাৰৰ পৰিৱৰ্তে সুকীয়া আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হয়।

ডঃ আম্বেদকাৰ আছিল এজন বিচক্ষণ বাৰিষ্টাৰ আৰু সুদক্ষ সংবিধান বিশেষজ্ঞ। ১৯৪৬ চনত তেওঁ ভাৰতৰ সংবিধান ৰচনা সভালৈ নিৰ্বাচিত হয়। সংবিধান সভাত দিয়া প্ৰথম ভাষণতেই তেওঁৰ মহান অন্তৰৰ পৰিচয় পোৱা গৈছিল। ১৯৪৭ চনৰ ২৯ আগষ্টৰ দিনা স্বাধীন ভাৰতৰ নতুন সংবিধান ৰচনা কালছোৱাত "সংবিধান খচৰা প্ৰস্তুতি কমিটি"ৰ সভাপতি নিৰ্বাচিত হয়। প্ৰকৃততে ডঃ আম্বেদকাৰেই হৈছে নতুন সংবিধানৰ জনক। কোনো কোনো মহলে তেওঁক আধুনিক ভাৰতৰ 'মনু' বুলিও কয়। অতি কম সময়ৰ ভিতৰতে সংবিধান ৰচনা কৰাৰ নিচিনা এটা মহৎ আৰু বৃহৎ কাম সম্পন্ন কৰি অকল ভাৰতৰ বুৰঞ্জীতেই নহয় পৃথিৱীৰ ইতিহাসতো তেওঁ এটা আশ্চাৰ্যজনক সাহসিকতা আৰু কৰ্মপটুতাৰ পৰিচয় দিলে।

তেওঁ ১৯৪৭ চনৰ ২৯ আগষ্টৰ পৰা আৰম্ভ কৰি ১৯৪৮ চনৰ ২৬ নৱেম্বৰ তাৰিখলৈ সংবিধানৰ খচৰা দাখিল কৰে। তেওঁ পিছ পৰা জাতিসমূহৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু শিক্ষাৰ উন্নতিকল্পে বহুত ধাৰা লিপিবদ্ধ কৰি থৈ গৈছে।

সংবিধানৰ খচৰা প্ৰস্তুত কৰাৰ পাছতে বম্বেৰ নাৰ্চিংহোমত চিকিৎসাধীন হৈ থাকোতেই ডাঃ সাৰদা কবিৰৰ লগত তেওঁৰ পৰিচয় হৈ ১৯৪৮ চনত তেওঁক বিয়া কৰায়।

ব্যস্ততাৰ মাজতো ডঃ আম্বেদকাৰে সদায়েই নিয়মিতভাৱে অধ্যয়ন আৰু সাহিত্য চৰ্চ্চাও কৰিছিল। তেওঁ ভালেকেইখন মূল্যবান গ্ৰন্থ প্ৰকাশ কৰি থৈ গৈছে। ইয়াৰোপৰি 'মুকনায়ক', 'বহিষ্কৃত ভাৰত' আৰু জনতা আদি বাতৰি কাকতো তেওঁ সম্পাদনা আৰু পৰিচালনা কৰিছিল। ভাৰতীয় ৰাজনীতিক পঙ্গু হৈ পৰাৰ পৰা ৰক্ষা কৰা এইজনা মহান ব্যক্তিয়ে ১৯৫৬ চনৰ ৬ ডিচেম্বৰ তাৰিখে মৃত্যুবৰণ কৰে। এই মহামানৱৰ আদৰ্শ, দৰ্শন আৰু নিঃস্বাৰ্থ কৰ্মৰাজি সকলোৰে বাবে সদায়েই অনুকৰণীয় আৰু গৱেষণাৰ বিষয় হৈ থাকিব।

এইজনা মহান পুৰুষ, সংবিধান ৰচয়িতা ভীমৰাও ৰামজী আম্বেদকাৰক যোৱা ১৪ এপ্ৰিল ১৯৯০ তাৰিখে ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীৰামস্বামী ভেঙ্কটৰমণে নতুন দিল্লীত এক বিশেষ অনুষ্ঠানত মৰণোত্তৰভাৱে 'ভাৰত ৰত্ন' উপাধিৰে বিভূষিত কৰে।



# Constitution of India : The Federal Structures

**Dharanidhar Mahanta**

The Cabinet Mission visited India in the month of March, 1946. In accordance with the recommendation of the Cabinet Mission the Constituent Assembly of India was elected by the Provincial Assemblies in the month of July, 1946. It had 389 members in all including 93 representatives of Indian Princely States.

The Constituent Assembly was not a sovereign body as its members were indirectly elected by those who were themselves elected on a narrow franchise but in accordance with the Indian Independence Act, 1947—the Constituent Assembly became a sovereign body. It was no longer confined itself to the limitations laid down by the Cabinet Mission.

The Constituent Assembly adopted and enacted the Constitution on 26th November, 1949 and it came into force on 26th January, 1950.

*What are the federal structures of this Constitution ?*

Various opinions are expressed on the federal structures of this Constitution. Some critics remark

that it is quasifederal while others assert that it is unitary in character and the third category of critics hold that it is not only federal but also unitary system depending on the prevailing situations of the country. Let us discuss whether it is federal or unitary.

In federal constitutions like that of America and Swiss, the centre is weak possessing lesser power than those of the federating units. The fathers of the Indian Constitution were fully conscious of the fact that a strict federal structure calls for a weak Central Government. The curious circumstances developing and storming the century at the time of framing the Constitution warranted a stronger centre to keep the unity of the country. In a strictly federal Constitution like that of the U. S. A. the residuary powers are vested in the federating states but in India these are vested in the Centre. This is similar to the Canadian Constitution. The fathers of the Indian Constitution were fully aware of the past history of India which fell an easy prey to the hordes of foreign invaders mainly on account of a weak central authority or for want of a stronger Government at the Centre and also due to the division of the country into a large number of Princely States engrossed in bitter rivalries and enmity among themselves. Thus, the past history of India demanded the establishment of a stronger Centre for saving the newly won independence of the divided India.

The territory of India is inhabited by people of diverse races, religions and languages. So, such



a country cannot do without a federal system of Government. The framers of the Indian Constitution were conscious of the importance and necessity of a federal form of Government for India. In order to pave the way for inclusion of the former Princely States in the Indian Union the Constitution of India had to be framed on the federal lines. The Princely States would not have joined or agreed to join if it were a unitary State. The joint struggle of all the people from all parts of British India against the British imperialism was the great force unifying the diverse elements of the Indian population. These are the factors which contributed to the idea of having a federation for India because a federation provides unity at the Centre and permits autonomy in local and cultural matters of the people.

The founding fathers of the Constitution provided a machinery in the Constitution for rapid economic development of the country and maintaining the integrity and unity of the nation. Due to the crucial circumstances prevailing in the country at the time of independence the creation of a strong centre was the only imperative to save the country. Thus the Constitution of India does not make India a strict federation like that of America and other federations of the world. It makes India or Bharat to be a Union of States. In order to understand as to whether India is typical federation or not we must understand the implications, meanings and features of a typical federation. From the opinions expressed on federalism by

Dr. K. C. Wheare, Prof. Dicey and Dr. Finer the federalism is required to fulfil the following conditions :—

(1) Division or distribution of powers between the Centre and the States.
(2) The Constitution must be the Supreme Law of the land.
(3) Written Constitution
(4) Rigid Constitution
(5) Independent Judiciary
(6) Dual Polity.

These are the basic doctrines of federalism. Let us examine if these are satified by the Indian Contitution.

*(1) Division or distribution of powers between the Centre and the States*

The countries like U.S.A., Switzerland and Canada and other countries adopting typical federalism have all the subjects of administration divided between the federal Centre and federating Units.

The Constitution of India declares India to be a Union of States. The Constitution provides three lists of subjects viz, the Union List, the State List and the Concurrent List. The Union List contains 97 subjects, the State List has 66 subjects, (includes the ommitted one also) and the Concurrent List includes 47 subjects and the residuary powers have been vested in the Central Government. The Centre is fully empowered to administer all the subjects of the Union List. The States are authorised to administer the subjects allotted in the State



List. The subjects of the Concurrent List are placed under the joint jurisdiction of both the Centre and the States. Thus the division of powers between the federal Centre and federting units proves that India possesses a type of federal Government.

*(2) Supremacy of the Constitution*

It is the supreme law of the land. Both the Central Government and State Goverment derive their authorities directly from the Constitution. No authority can go against the provisions of the Constitution in India. The judiciary of India has the authority to declare ultravires or null and void any executive order or law that violates any provision of the Constitution.

*(3) Written Constitution*

In a federation there must be written constitution which is considered to be a sacred and binding document on the strength of which the States agree to constitute a Union. The Constitution must contain all the provisions defining and governing the relations between the federal Centre and federating units. This condition is satisfied by the Constitution of India since it is a written Constitution duely passed and enacted by the Constituent Assembly of India elected by the people.

*(4) Rigidity of the Constitution*

A typical or strict federation has a more or less rigid constitution. The Constitution of India to certain extent may be declared to be rigid.

Because it provides a special procedure with regard to its amendment. The Union Parliament cannot amend it in the manner in which the ordinary laws can be amended, repealed or passed. Those provisions which deal with the federal structures of the Constitution can be amended only after ratification by at least half of the State Legislatures.

*(5) Independent Judiciary*

The Supreme Court of India acts as the guardian and interpreter of the Constitution. This is the essential feature of the federation to have a Supreme Court with special powers. This condition is fulfilled by the Constitution of India. It gives powers to the judiciary to declare laws null and void if they are proved to violate the provisions of the Constitution.

*(6) Dual Polity*

Indian Constitution establishes a dual polity with double set of Governments i.e. Central Government and State Governments. The sphere of the authority of each part is clearly defined in the Constitution. Thus it satisfies another essential condition of the federalism.

From the foregoing discussions of the federal aspects of the Indian Constitution it has been proved beyond doubt that India got a federal type of Government. But the Indian federation is a class by itself because it has certain special features which make the Centre very strong as against the federating states. The following features prove the unitary character of the Indian Constitution.



*1. Single Citizenship*

In all the federal type of Governments the Constitution provides for double citizenship. In U.S.A., citizenship of the state where one is domiciled and citizenship of the federation as a whole can be acquired but not in India. The Republican Constitution of India establishes a dual polity with a single citizenship. This means that constitutionally all Indians are to be described as Indians alone and not as Biharis, Bengalees, Assamese, Punjabis etc. All enjoy equal rights in all parts of Indian teritory. This idea of single citizenship is a clear departure from the accepted features of federalism.

The wisdom of the fathers of the Constitution in introducing this element in the Constitution is of far reaching consequences. In order to develop a strong feeling of national unity among the diverse elements of Indian population and to minimise the dangers of separatist tendencies in the country they had to incorporate this in the Constitution. The introduction of the single citizenship is indicative of the unitary character of the Constitution.

*2. Strong Centre*

The essence of federalism is the weak Central Government. But the Indian Constitution has created a very strong Central Government. The powers are distributed between the Centre and the States in such a way as to equip the Centre with enormous powers. The Union List contains 97 subjects whereas the State List has only 66 sub-

jects (inclusive of omitted ones). The Concurrent List containing 47 subjects is a common list and both the Centre and the States have powers to make laws regarding the subjects of the Concurrent List but the Centre has the superior authority. In case a law is passed by both by the Parliament and one or more State Legislatures regarding a certain subject of the Concurrent List, it is the law of the Union Parliament that shall prevail in the event of a conflict between the Centre and the States.

*3. Residuary Powers*

In U.S.A. the residuary powers are enjoyed by the states but in Indian federation the residuary powers are vested in the Union Parliament. In this case it is found that the distribution of powers is similar to that of the Canadian Federation where Centre is very powerful. But the Central Government in India has been made more powerful than the Canadian Government since the Concurrent List in Canada has only two subjects whereas there are as many as 47 subjects in the Concurrent List of the Indian Constitution.

*4. Unitary in Emergencies*

During the times of war and other national emergencies the Central Government can assume maximum powers. In exercise of the emergency provisions—the President of India can assume extraordinary powers which may amount to suppression of the autonomy of the states. In such cases the



President is empowered to make laws regarding the subjects in the State List. In such situations the federal structures of the country can be changed into very strong unitary one without amending the Constitution. This shows that it is federal in time of peace and unitary during emergencies.

*5. Jurisdiction of Centre over State subjects : Centre's more powers in normal times*

The President of India can be empowered to pass laws on any of the state subjects if the Rajya Sabha declares with two-third majority that it is expedient or necessary to do so in the national interest. The Parliament can also pass a law on an item in the state list if such a law is required to honour an international obligation by the Govt. of India or if two or more states request the Parliament to do so. Thus the autonomy of the states of the Indian Union can be encroached upon by the Central Government at any time.

*6. Flexibility of the constitution avoiding rigidity*

The Indian Constitution is not so rigid like other federations of the world. It can be amended to suit changing conditions by the centre. The States have no right to initiate any amendment to the Constitution. This fact emphasises the strength of the Centre and weakness of the States.

*7. Parliament can re-organise States*

The parliament is empowered to alter the territories of any state or form a new state.

*8. Single Constitutional frame work*

The Indian Constitution like Canadian Constitution contains provisions for constitution of union and of the states. Thus the constitution of the union and of the states is a single structure within which the states must work.

*9. Unequal Representation in Rajya Sabha*

The Constitution does not provide for equal representation in the Rajya Sabha for all the states. In a federation each state gets equal representation irrespective its size or population.

*10. Appointment of Governors*

The Governors of the states are appointed by the President and they continue in office during his pleasure. He acts as the agent of the Union Government in the state. In federation like U.S.A. and Switzerland the Head of a unit is appointed or elected by the unit itself. It is therefore clear that the Central Government exercises direct authority over the states in Indian federation.

*11. Uniformity in basic matters*

The Indian Constitution provides for uniformity in the basic matters by adopting—(i) a single judiciary (ii) a single system of Civil and Criminal law and (iii) Common All India Administrative Services. Further uniformity in financial matters is ensured by the fact that the Controller and Auditor General of union authority is appointed by



the President, supervises the administration of finances at the Centre and the States. Election Commissioner is another similar body. On the other hand in U.S.A. different states have their own administrative officers appointed by the State Governments themselves. The state judiciary in U.S.A. and Switzerland is independent of the Central authority of the federation. The above facts reveal the unitary character of the Indian Constitution.

Research for Tribals ... DATE

All the facts mentioned above showed that the Indian Constitution is federal in form but unitary in spirit. It has made the Central authority very strong. The founding fathers of the constitution justify the creation of a very strong centre on the following grounds :—

(1) They had before them the lessons of the Indian history. For centuries India suffered foreign invasions because of a weak central authority and continuous enmity among the ruling rajas and maharajas. So a strong Centre is necessary to save the newly won Independence.

(2) India attained Independence under peculiar circumstances created by the communal and separatist forces. Dangerous and treacherous actions of the communal party before Independence had evil repercussions on the political life of the country. These communal and treacherous forces can only be crushed by a strong Central Government.

(3) They also realised that it was absolutely necessary for the reconstruction and development

of the country, to preserve and mobilise the collective efforts of the people in all parts of the country who got organised in their common fight against the foreign rule.

(4) The old Indian traditions and cultural unity had to be preserved.

(5) The volcanic state of international conflicts also warranted the creation of a very strong Central Government.

(6) The fathers of the constitution were fully aware of the difficulties faced by the weak Central Governments in their federal constitutions. In U.S.A. the Supreme Court in a series of judgments has enhanced the federal authority to an unimaginable extent.

According to Dr. K.C. Wheare "India is a unitary State with subsidiary federal features rather than a federal state with subsidiary unitary features."

Dr. Ambedkar asserted "The Constitution has been set on a light mould of federalism. It has been so designed that it should work as a federal system in normal times and as a unitary system in war and other emergencies".

In conclusion the Indian Constitution is a sacred document of Indian people of their hope, aspiration and faith.

— ✠ —



# হৰিজন-সেৱা

ইন্দিৰা মিৰি

জাতিৰ পিতাৰ গভীৰ জ্ঞানপ্ৰসূত 'হৰিজন'ৰ দৰে এনে এটা সাধু অৰ্থপূৰ্ণ নামৰ উদ্ভাৱনেও হৰিজনৰ আদি পৰিচয় বিস্মৃত কৰিব পৰা নাই।

সকলো শিশুৱেই অনন্ত সম্ভাৱনা লৈ জন্ম গ্ৰহণ কৰে। সেই সকলো সম্ভাৱনাৰ পূৰ্ণ বিকাশেই শিশুৰ প্ৰকৃষ্ট বিকাশ; এখন স্বাধীন দেশত প্ৰতিজন শিশুৱেই স্বকীয় সম্ভাৱনা বিকাশৰ সমান সুযোগ পাব লাগিব। হৰিজন শিশুৰ যদি এই সুযোগ লাভৰ সৌভাগ্য ঘটা নাই, তেতিয়া হলে হৰিজনসেৱা বৃথা।

Full many a gem of purest ray Serene. The dark unfathom Ocean bears,

Full many a flows that born to flush unseen, And lose its sweetness in desert air.

হৰিজন সমুদ্ৰত বহুতো মাণিক লুকাই আছে। হৰিজন মৰুতো বহুতো সুগন্ধি ফুল—সেই মাণিকক প্ৰকাশ পাবলৈ, সেই ফুলক সুগন্ধ বিলাবলৈ সুবিধা দিলেহে প্ৰকৃত হৰিজন সেৱা হ'ব।

দ্বিতীয়তে ৰজাৰ, প্ৰজাৰ, হৰিজনৰ, অ-হৰিজনৰ শিশুৰ মূল প্ৰয়োজন একেই। এই প্ৰয়োজন বৰ্ণবাদ নিৰপেক্ষ। ৰজাৰ শিশু, প্ৰজাৰ শিশু, হৰিজনৰ শিশু, অ-হৰিজনৰ শিশু জন্মতেই লগত লৈ আহে—আহাৰ, আবাস, আচ্ছাদনৰ স্বত্ব। যিখন সমাজলৈ শিশু আহে সেই সমাজে শিশুৰ এই মূল প্ৰয়োজনৰ স্বত্ব পূৰাব লাগে।

হৰিজনৰ শিশুৰ যদি এই স্বত্ব পূৰণ হোৱা নাই তেতিয়া হৰিজন সেৱা বৃথা।

তৃতীয়তে, হৰিজনৰ অ-হৰিজনৰ প্ৰধান ভেদ বৰ্ণ ভেদ। অ-হৰিজনৰ শিশুৰ লগত হৰিজন শিশুৰ অবাধ মিলনেহে এই ভেদ দূৰ কৰিব। একে বিদ্যালয়তে পঢ়ি একে খেল পথাৰতে খেলি, একে নামঘৰতে নাম লৈ, একে পূজা মণ্ডপতে পূজা কৰি হৰিজনৰ, অ-হৰিজন শিশুৱে বৰ্ণ বিহীন সৰল বন্ধুত্ব পাতিব পাৰিলেহে বৰ্ণ ভেদ দূৰ হ'ব, একাত্মতা সৃষ্টি হ'ব। আজিৰ শিক্ষা ব্যৱস্থাই এই ভেদ দূৰ কৰিছে বুলি মৰ্মে নধৰে—বৰং বৃদ্ধি হে কৰিছে। হৰিজন পৰিবেশতেই, হৰিজন ল'ৰাৰ লগ সঙ্গতেই, পাৰিলে হৰিজন শিক্ষকৰ তত্বাৱধানতে হৰিজন শিশুৰ সকলো শিক্ষা ব্যৱস্থা থাকিলেও কামত সেই শিশু বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰী হলেও জন্মতে লৈ অহা হৰিজন বৰ্ণৰ ক'লা সাঁচ মচ নাযায়। এনে পৰিবেশত হৰিজন ল'ৰা ডাক্তৰ বা প্ৰফেচাৰ হলেও সেই ল'ৰা হৰিজন ডাক্তৰ, হৰিজন প্ৰফেচাৰহে হ'ব। মুখেৰে নকলেও ব্যৱহাৰেৰে অ-হৰিজন তাকেই কৰিব—আৰু হৰিজন ডাক্তৰ হৰিজন প্ৰফেচাৰে বৰ্ণগত যিমান সামাজিক অসুবিধা, অৱহেলা, অৱজ্ঞা সকলো ভোগ কৰি আছে আৰু কৰি থাকিবও। বৰ্ণভেদৰ বিহগুটি অকল হৰিজনতে নহয় অ হৰিজনতো আছে। সেই বিহগুটিৰ বিষাক্ত প্ৰভাৱত হৰিজনে ভুগিছে হীনমন্যতাত আৰু অ হৰিজনে ভুগিছে উচ্চ মন্যতাৰ পৰা। হীনমন্যতা, উচ্চ মন্যতা দুয়োটায়ে সমানে ভেদভাৱ। একেলগে পঢ়া, খেলা, খোৱা, মেলা, গা ঘঁহা ঘঁহি কৰি আনন্দ কৰিব পাৰিলেহে এই ভেদ ভাৱ দূৰ হৈ একাত্মতাৰ ভাৱ আহিব। এনে ভাব আদেশ উপদেশ, বক্তৃতা ৰচনাৰে আনিব নোৱাৰি। ইয়াক সযত্নে পৰম নিষ্ঠাৰে আনিবলৈ যত্ন কৰিলেহে হব। এনে সৃষ্টি সুচিন্তিত দীৰ্ঘ প্ৰসাৰিত শিক্ষাৰ দ্বাৰাহে সম্ভৱ হয়। এনে শিক্ষাৰ আঁচনিৰে হৰিজন শিশুক 'অমৃতস্য পুত্ৰ' জ্ঞান কৰি পৰম শ্ৰদ্ধাৰে শিক্ষা-দান কাৰ্য্য কৰিলেহে 'হৰিজন' নাম, হৰিজন সেৱা সাৰ্থক হ'ব।



চতুৰ্থতে,—সকলোৰে আত্মাৰাম হৰিজনৰ আত্মা ব্যতিক্ৰম হ'ব নোৱাৰে। হৰিজনত থকা ৰামক অস্পৃশ্য কৰিছে—হৰিজন বৃত্তিয়ে। এই বৃত্তি নহলেও মানুহ চলিব নোৱাৰে। সেইবাবেই আগৰ দিনত লানি নিছিগাকৈ দাস প্ৰথা চলোৱাৰ দৰে আজিৰ সভ্য ভাৰতে হৰিজন বৃত্তিৰ মানুহখিনিক লানি নিছিগাকৈ হৰিজন কৰি ৰাখিছে। ইয়াৰ প্ৰতিকাৰ অৱশ্যেই হ'ব লাগিব। প্ৰতিকাৰ নিৰ্ভৰ কৰিব এই বৃত্তিৰ কৌশল আদিৰ সলনিত—ব্যৱস্থাৰ সলনিত। এই বৃত্তিৰ কৌশল ব্যৱস্থা এনে হ'ব লাগিব যাতে সেই বৃত্তি অকল হৰিজন গোষ্ঠীতে আৱদ্ধ নাথাকি অনা হৰিজনলৈও প্ৰসাৰিত হ'ব লাগিব। অনা হৰিজনেও নিঃসংকোচে এই বৃত্তি গ্ৰহণ কৰি জীৱিকা, অৰ্জন কৰিব পাৰে। কেঁচা শৌচাগাৰ নিজে পৰিষ্কাৰ কৰাৰ বাধ্যতা-মূলক ব্যৱস্থা দিব লাগে। আশু ফল পাবলৈ হলে এনেবিলাক কাম আইন প্ৰণয়নৰ দ্বাৰা শীঘ্ৰে কৰাব লাগে।

পঞ্চমত, হৰিজনক গোষ্ঠী পাতি হৰিজনৰ পৰিবেশতে থকা-মেলাৰ ব্যৱস্থা সংহতিৰ, একাত্মতাৰ বিৰোধী ব্যৱস্থা। সকলোৰে লগত সান মিহলি হৈ থাকিব পৰাৰ ব্যৱস্থাহে সংহতি স্থাপনত কাৰ্য্যকৰী হব। তাৰোপৰি বৰ্ণ ভেদ দূৰ কৰিবলৈ শিক্ষিত হৰিজনৰ প্ৰতি দৃষ্টি ৰাখি চাকৰি আদিও সা-সুবিধা উদাৰতাৰে আগবঢ়ালেও অলপ কাম হ'ব।

সৰ্ব্বশেষত কওঁ—সকলো আঁচনি সকলো ব্যৱস্থা অথলে যাব, যদিহে হৰিজন সেৱকৰ মনত হৰিজন প্ৰেম নাথাকে গান্ধীজীয়ে কৈছিল—তেওঁ এজন দুখীয়া হৈ দুখীয়াৰ দুখ উপলব্ধি কৰিব খোজে। কথাষাৰ বৰ তাৎপৰ্য্য পূৰ্ণ। হৰিজনৰ লগত হৰিজন হ'ব পাৰিলেহে হৰিজন সেৱা সাৰ্থক হ'ব। শয়নে-সপোনে চিন্তা হ'ব লাগিব—হৰিজন মুক্তিৰ। হৰিজনৰ সুখ-দুখ, আশা-নিৰাশা, উন্নতি-অধোন্নতি সেৱকৰ সুখ-দুখ উন্নতি-অধোন্নতি, আশা, নিৰাশা হ'ব লাগিব। সেৱক অস্থিৰ হ'ব লাগিব, নিদ্ৰাহীন হ'ব লাগিব। চকুৰ পানী

টুকিব লাগিব—যেতিয়ালৈকে হৰিজনৰ মুক্তি নহয়। অকল অৰ্দ্ধ শতাব্দীৰ আগত জাতিৰ পিতাৰ চকুৰ পানীৰে হৰিজন উদ্ধাৰ নহ'ব। সমগ্ৰ জাতিৰ পানীৰ প্ৰয়োজন জাতিৰ পিতাই বাট দেখুৱাই গৈছে—সেই বাটে জাতি বুলিব লাগিব। তেহে হ'ব হৰিজন সেৱা সাৰ্থক।

---

মানুহৰ সেৱাৰ মাজেদি মই ঈশ্বৰক লগ পাবলৈ বিচাৰোঁ, কিয়নো ভগৱান স্বৰ্গতো নাই, পাতালতো নাই, আছে মাত্ৰ আমাৰ প্ৰত্যেকৰে অন্তৰত।

—মহাত্মা গান্ধী

---



# অসমৰ অনুসূচীত জাতিসমূহৰ আৰ্থ-সামাজিক সমস্যাৰাজি

ডাঃ তাৰানাথ দাস

আমি এই বিষয়ে আলোচনা আগবঢ়োৱাৰ আগতে আৰ্থ-সামাজিক কথাষাৰে কি সূচাইছে বুজি ল'ব লাগিব। এখন দেশ, এটা জাতি, এটা সম্প্ৰদায়ৰ সামূহিক অৰ্থনৈতিক অৱস্থা আৰু তাৰ স্বচ্ছলতা বা অভাৱৰ প্ৰভাৱ মানৱ সমাজৰ কল্যাণমূলক কাম-কাজৰ খতিয়ান। অৰ্থাৎ মানৱীয় প্ৰয়োজনৰ কাম-কাজবিলাক কৰি উপভোগ কৰা আৰু কৰিব নোৱাৰি দুৰ্ভোগত ভোগাৰ বিচাৰ বা খতিয়ান।

মানৱ সমাজৰ বিশেষকৈ উন্নয়নমুখী দেশবোৰৰ প্ৰায় অধিক সংখ্যক লোকৰ আৰ্থ-সামাজিক সমস্যা বৰ্ত্তমান। অৰ্থাৎ সকলো সম্প্ৰদায়ৰ দৰিদ্ৰ জনগণৰ সমস্যা সমূহ একেধৰণৰ। টকা-পইচা আৰু তাৰ উপাৰ্জনৰ নানা উপায়সমূহৰ লগতে খাদ্য সমস্যা, থকা-পিন্ধাৰ সমস্যা, ঘৰ-দুৱাৰৰ সমস্যা, যাতায়তৰ সমস্যা, মাটি-ভেটিৰ সমস্যা, শিক্ষাৰ সমস্যা, নিৱনুৱা সমস্যা, জনস্বাস্থ্যৰ সমস্যা, মাতৃমঙ্গল সমস্যা, শিশুকল্যাণ সমস্যা আদি নানা সমস্যাবোৰ মধ্যবিত্ত আৰু দৰিদ্ৰ জনগণৰ সকলোৰেই সামূহিক সমস্যা। কেৱল আৰ্থসামাজিক অৱস্থা টনকিয়াল কৰিহে এইবোৰৰ নিৰাময় বা সমাধান কৰা সম্ভৱ।

তথাপি কেৱল অনুসূচীত লোকসমূহৰ বিষয়ে বিষদ ভাৱে আলোচনা কৰিবলৈ লোৱাৰ বিষয়ে এইসকলৰ আৰু কিছুমান স্বকীয়া,

গভীৰ আৰু গুৰুতৰ সমস্যা থকাটোকে বুজায়। গতিকে সকলো সমস্যা ভালকৈ চালি-জাৰি অলপ কথা বা লিখনিৰে সম্ভৱ নহয়। অন্যহাতে এনে আলোচনাৰে কলম ধৰিবলৈ গভীৰ অধ্যয়ন, সূক্ষ্ম পৰ্য্যবেক্ষণ, বিস্তৃত পৰিদৰ্শন, ক্ষেত্ৰ অধ্যয়ন আৰু সম্যক গণসংযোগৰ প্ৰয়োজন। লিখকৰ এইবোৰৰ কোনো এটাৰেই কোনো ধৰণৰ অভিজ্ঞতা নাই বুলি লিখক সম্পূৰ্ণ সচেতন। গতিকে এনে লোকৰ লিখনিত অনেক জাবৰ-জোঠৰৰ সংযোগ আৰু প্ৰয়োজনীয় সাৰবস্তুৰ বিয়োগ ঘটাৰ সম্ভাৱনীয়তা খোজে খোজে বৰ্ত্তমান।

গতিকে আমি অতি সজাগ আৰু সাৱধানেৰে আগবঢ়াৰ পূৰ্ব্বেই এটা কথা স্পষ্টভাৱে জানি ল'ব লাগিব। "অনুসূচীত জাতি" কথাষাৰে কি বুজাইছে বা সূচাইছে। এনে নামৰ কোনো এক জাতি ভাৰতবৰ্ষ কিম্বা অসমত ক'তো নাছিল। ভালেমান বিভিন্ন জাতি বা সম্প্ৰদায়ক সামৰি ১৯৩২-৩৪ চন মানত সেই সময়ৰ ভাৰত গভৰ্ণমেণ্টে উদ্ভাৱন কৰা এটা গোট সৃষ্টিৰ মূল কথা সকলো সম্প্ৰদায়ৰে শিক্ষিত অশিক্ষিত অনেকৰেই অজানা। সেয়েহে অনেকেই নানা তুলুঙা মন্তব্য কৰা শুনা যায়। মূল কথাটো বুজি নোলোৱাকৈ অনুসূচীত সম্প্ৰদায়ৰ আৰ্থ-সামাজিক সমস্যা ৰাজি বিচাৰি পোৱাটো ওপৰে ওপৰে কৰা কিছুমান মতামত আৰু কাৰ্য্যতালিকাৰ ৰূপকে মাত্ৰ হ'ব বুলিয়েই বিশ্বাস। সেয়ে তাৰ অতীত খুচৰি চোৱাৰ প্ৰয়োজন নাই বুলি ভাবিব নোৱাৰি। মানৱ সমাজৰ ক্ৰমবিকাশৰ লগে লগে জীৱন-ধাৰণৰ প্ৰণালীৰ গৰজ মিটাবৰ কাৰণে সামগ্ৰীৰ প্ৰয়োজন হোৱাত সমাজৰ নানা কামৰ প্ৰয়োজনত আৰু পৰিসৰ বঢ়াত মানুহে নিজ নিজ ৰুচি, কৰ্মক্ষমতা আৰু পটুতাৰ আধাৰত প্ৰায় স্বনিয়োজিত ভাৱে কাম কৰি চাহিদা মিটাবলৈ ধৰিছে। সমাজ পৰিক্ৰমাৰ গতিত এই উৎসতেই সমাজপতিসকলে শ্ৰেণী বিভাজন ঘটালে। একেটা পৰিয়ালতে বিভিন্ন ধৰণৰ কাম কৰা লোক থকাৰ প্ৰমাণ পোৱা যায়। ভাৰতৰ মাটিত এই শ্ৰেণী



বিভাজনেই "বৰ্ণ" প্ৰথালৈ পৰ্যবসিত হৈ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ জাতিৰ সৃষ্টি হ'ল। জন্মগতভাৱে নহয়, কৰ্মক্ষমতা আৰু পটুতাৰ আধাৰতহে।

কালক্ৰমত হিন্দুৰ পবিত্ৰ শাস্ত্ৰ গীতাত উল্লেখিত "চতুৰ্বৰ্ণায় ময়া সৃষ্টং, গুণ কৰ্ম বিভাগশ্চ" আৰু "শ্ৰেয়ান স্বধৰ্মে বিগুণঃ পৰধৰ্মাৎ স্বানুষ্ঠিতং। স্বভাৱ নিয়ত কৰ্ম কুৰ্ব্বন্নাপ্নোতি কিল্বিষত" (১৮/৪৭)। কথা কেইষাৰ অনুধাৱন কৰি কৰ্মৰ গুণগত উৎকৰ্ষ সাধনৰ হেতু স্বভাৱজাত কৰিবলৈ 'নিয়ত' অৰ্থাৎ বশীভূত কৰাৰ যি অন্তৰ্নিহিত নিৰ্দেশ, তাৰ প্ৰয়োগিত ফল স্বৰূপেই জাতি, জন্মগত আৰু কৰ্ম জাতিগত কৰি পৰম্পৰাগত কৰিলে। বশীভূত কৰাৰ নানা প্ৰক্ৰিয়া সাধাৰণ জনতাৰ ওপৰত প্ৰয়োগ কৰিলে। আক্ষৰিক পুথিগত শিক্ষাজ্ঞান, বুদ্ধিমান আৰু বলৱানসকলে একচেতিয়া কৰি ৰাখি বুদ্ধি আৰু বলেৰে বলীয়ান সকলে নানা কৌশল অৱলম্বন কৰি, বিজিত আৰু দুৰ্বলসকলক নানা ধৰ্মীয় ধ্যান-ধাৰণা আৰু ৰাজকীয় অনুশাসন আৰু উৎপীড়ণৰে সৰ্বতো প্ৰকাৰে উৎখাত কৰি সকলো মানৱীয় সম্পদ সম্ভোগৰ পৰা বঞ্চিত কৰি ৰাখি তেওঁলোকৰ সেৱাত নিয়োগ কৰি, নিয়োজিত কৰ্মটোকে তেওঁলোকৰ স্বধৰ্ম আৰু পবিত্ৰ কৰ্ম বুলি বুজালে। কষ্টকৰ সেৱাত নিয়োজিত উৎপাদনকাৰী লোকসকলে ফলৰ আশা কৰিব নেপায় বুলি উৎপাদিত ফল বিভূসকলক নিৰ্বিবাদে দি দিয়াৰ পৰোক্ষ ব্যৱস্থাও ধৰ্মৰ নামতেই কৰা হ'ল। লগতে জনগণ যাতে অসন্তুষ্ট হৈ একগোট হ'ব নোৱাৰে তাৰ বাবে "অস্পৃশ্যতা" নামৰ মহামাৰী জাতে জাতে, ব্যক্তিয়ে ব্যক্তিয়ে সুমুৱাই দিলে আৰু অস্পৃশ্যতা নমনাসকল মহাপাপত নিমজ্জিত হ'ব বুলি বিশ্বাস জন্মাই সংস্কাৰত পৰিণত কৰিলে। কালক্ৰমত অসংখ্য জাতৰ সৃষ্টি হ'ল।

ঈশ্বৰৰ অৱতাৰ বুলি জাহিৰ কৰা ৰামকৃষ্ণ আদি ৰজাসকলৰ পো-নাতি নৰেশ্বৰ ৰজাসকলেও অসংখ্য ৰাজ্য পাতি ৰাজ পুৰোহিত

সকলৰ পৰামৰ্শ অনুযায়ী এনেবোৰ ব্যৱস্থা শাসক গোষ্ঠীৰ সুবিধা হোৱাৰ বাবে নিজ নিজ ৰাজ্যত কঠোৰভাৱে প্ৰচলন কৰে। এনেভাৱেই অনেক নৃশংস অমানৱীয় নীতি-নিয়ম গোটেই ভাৰতবৰ্ষ তথা ভাৰতীয় সংস্কাৰ-সংস্কৃতিৰ বিস্তৃতি ঘটা পৃথিৱীৰ অনেক ঠাইত বিয়পি পৰে।

তথাপি কেতিয়াবা কেতিয়াবা কিছুমান শূদ্ৰ আৰু ম্লেচ্ছাদি লোকে কিবা সুৰুঙাইদি ৰাজপাট অধিকাৰ কৰিলে সেই জাতৰ লোকসকলে নীচ হলেও সমাজৰ এখোপ ওপৰত ঠাই পায়। সেইসকলে আকৌ কিছুমান লোকক নীচ বুলি অত্যাচাৰ অবিচাৰ কৰিবলৈ আৰম্ভ কৰে। এনেভাৱেই শূদ্ৰসকল দুভাগ হৈ পৰে। ওপৰৰ ভাগৰ লোকসকলক হিন্দুৰ মঠ-মন্দিৰ আদিত প্ৰবেশৰ অনুমতি দিয়াৰ উপৰিও ব্ৰাহ্মণ পুৰোহিত তেওঁলোকৰ ঘৰত পুৰোহিতালি কৰে আৰু বাকীসকলক মঠ-মন্দিৰ আদিত প্ৰবেশৰ অধিকাৰ খৰ্ব কৰিলে। যিসকল পুৰোহিত তেওঁলোকৰ ঘৰত কৰ্ম কৰে তেওঁলোকক নীচ জাতিৰ ব্ৰাহ্মণ বুলি ঘোষণা দি অস্পৃশ্য হিচাপেই গণ্য কৰে।

এই বঞ্চিত জনগণ সকলো প্ৰকাৰে উৎখাত হোৱাৰ উপৰিও ৰাস্তাই-ঘাটে মুকলিমূৰীয়াকৈ যাতায়ত কৰিব নোৱাৰা হ'ল।

কুকুৰ-গাহৰিতকৈ বেছি লেই লেই, চেই চেই হৈ মাত মাতি প্ৰতিবাদ কৰাৰ সাহস নিৰ্বাপিত হৈ মূক হৈ পৰিল। সকলো ঈশ্বৰৰ ইচ্ছাতে হোৱা বুলি ধৰি লৈ উদ্যমহীন হৈ পৰিল।

পাছলৈ ব্ৰাহ্মণসকলৰো অনেকে ৰাজপাট অধিকাৰ কৰাত এইবোৰৰ প্ৰকোপ বাঢ়িল। ক্ৰমে নানা ধৰ্ম, পন্থা আৰু খাদ্য নীতিৰ উদ্ভাৱন হোৱাত অসংখ্য জাতিৰ সৃষ্টি হ'ল আৰু অস্পৃশ্যতা আদিয়ে জনসমাজত বিভৎস ৰূপ ধাৰণ কৰি সমাজ থান-বান কৰি দূৰ্বল কৰি পেলায়। হিন্দু ৰাজ্যবোৰ দূৰ্বল হৈ পৰাৰ সুযোগ গ্ৰহণ কৰি মুছলমান ৰজাসকলে ভাৰতবৰ্ষ অধিকাৰ কৰিলে। তেওঁলোকেও জাত-পাত বিভাজনৰ পৃষ্ঠপোষকতা কৰিলে। আনকি নিজ ধৰ্মৰ



মাজতো কৰ্ম অনুসৰি উচ্চ-নীচ জাতৰ সৃষ্টি কৰি পাৰস্পাৰিক ঘৃণা-বিদ্বেষ বঢ়ালে।

শেষত যেতিয়া বৃটিছ শাসকসকলে ভাৰত অধিকাৰ কৰিলে তেওঁলোকেও ভাৰতৰ মাটিত কেঞা বনৰ দৰে থকা জাত-পাত, অস্পৃশ্যতাৰ ব্যৱস্থাক বাহাল ৰাখিছিল। কাৰণ তেওঁলোকৰো সুবিধা হোৱাৰ উপৰিও বৰ্ণহিন্দুবাদী তথাকথিত উচ্চ হিন্দুসকলৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰিছিল।

"Divide & Rule Policy" বা "বৃটিছ পলিচি" বোলা কথাষাৰ ব্ৰাহ্মণ্যবাদৰেই অন্য এক নাম।

আমাৰ অসম দেশত এইবোৰ সমূলি নাছিল। কাৰণ অতীত অসমৰ মানুহখিনিৰ অধিকাংশই আছিল অষ্ট্ৰিক-মঙ্গোলীয় আদি গোষ্ঠীৰ। যিখিনি মানুহ পশ্চিমৰ পৰা আহিছিল তেওঁলোকৰ অনেকেই আছিল ভগনীয়া প্ৰব্ৰজনকাৰী দ্ৰাবিড়, আৰ্যদ্ৰাবিড় মিশ্ৰিত লোক যি ব্ৰাহ্মণ্যবাদী জাত-পাতৰ অত্যাচাৰ আৰু বৌদ্ধ বাদীসকলৰ অত্যাচাৰত ভাগি আহিছিল। কিছুমান পানীয়ে পানীয়ে নাৱৰে বেপাৰ-বাণিজ্য কৰিবলৈ সাউদ মুদৈ হৈ আহি ইয়াতে থাকি গৈছিল। সকলোৱেই অতীজৰ নিজ নিজ জাত-পাত বৰ্জন কৰি এক জাতিভুক্ত হৈ অৰ্থাৎ "কলিতা" (কলিত = কুললুপ্ত, কলিতা = আশ্ৰিত, কলিত = গণিত) হৈ বসবাস কৰি আছিল। পাছলৈ কিছুমানে পুনৰ আৰ্যাকৃত বা কনৌজিকৃত হৈ অসমতো জাত-পাতৰ পাতনি মেলিলে। তথাপি টাই-আহোম ৰজাসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পাচতহে এই জাতপাত, অস্পৃশ্যতাৰ প্ৰকোপ বাঢ়িল। কাৰণ তেওঁলোকো আছিল "লেঙডান্" দেৱতা বংশৰ বুলি শ্ৰেষ্ঠতাৰ গৌৰৱত অভিমানী।

কলিতা জাতিতেই ঘূণে ধৰিলে। কিছুমান মানুহে অনাহকতে অসমৰ মাটিতো জাত-পাত অস্পৃশ্যতাৰ বলি হৈ সৰ্বভাৰতীয়ৰ ভিত্তিতে বঞ্চিত, নিপীড়িত আৰু সৰ্বহাৰা হৈ জীয়াতু ভুগিবলৈ ধৰিলে।

ওপৰত অনুকিওৱা কথাখিনি এই বিষয়ৰ সকলো দিশ সামৰি কৰা বিশদ বিৱৰণ নহয়। বৰ্তমানৰ আলোচনাৰ বাবে এটি চমু আভাস মাত্ৰ।

বৃটিছ ভাৰতৰ আদিছোৱাত এই অতি ক্ষুদ্ৰ অস্পৃশ্যসকলৰ হাঁহাকাৰ অৱস্থা নিৰাময়ৰ কোনো ব্যৱস্থা হোৱা নাছিল আৰু কওঁতাও কেও নাছিল। শাসন আৰু সমাজৰ ভয়ত মাত মতাৰ সাহস কাৰো নাছিল। বৃটিছ গৱৰ্ণৰ জেনেৰেল লৰ্ড বেণ্টিংকৰ দিনত লৰ্ড মেকলে চাহাবৰ নতুন শিক্ষা নীতিয়ে ( Education Policy of India 1835 ) আৰু ৰাজা ৰামমোহন ৰায় প্ৰভৃতিৰ আপ্ৰাণ চেষ্টাত ইংৰাজী ভাষাতে শিক্ষা দিয়াৰ লগতে সকলো জনগণৰ বাবে শিক্ষা আহৰণৰ অধিকাৰ দি সকলো স্কুল-কলেজৰ দ্বাৰ মুকলি কৰি দিয়াত নানা সামাজিক বাধা আৰু উচ্চ হিন্দুৰ আপত্তি সত্বেও অস্পৃশ্য লোকসকলৰ দুই-চাৰিজনে কিছু শিক্ষাবিদ্যা আহৰণ কৰি বুজিব পৰা হোৱাত নিজ নিজ লোকসকলৰ মুক্তিৰ বাবে ৰাজহুৱাভাৱে ঠায়ে ঠায়ে অনুনয় বিনয়ৰ দাবী উঠিছিল। কিন্তু তেওঁলোকৰ সকলো সমস্যা বিতংকৈ দাঙি ধৰি যথাস্থানত মূৰ তুলি উপস্থাপন কৰিবলৈ কোনো নাছিল।

সৌভাগ্যবশতঃ এই জীয়াতু ভোগা লোকসকলৰ দুখ মোচনাৰ্থে সত্য সূৰ্য্যৰ উদয় হ'ল। ভাৰতীয় সমাজৰ জাতিবৰ্গৰ একেবাৰে নীচ বুলি পৰিগণিত এটা জাতিত বিশ্ববিভূষণ সংবিধান বিশেষজ্ঞ মানৱতাবাদী মহামানৱ মহামতি বাবাচাহেব ভীমৰাও আম্বেদকাৰে এই নিপীড়িত লোকসকলৰ হৈ মাত মাতিবলৈ দ্বিতীয় বুদ্ধ স্বৰূপে এই ভাৰতত জন্ম গ্ৰহণ কৰিলে।

এই মহান পণ্ডিত গৰাকীয়েই অনুন্নত অৱনমিত সকলৰ হৈ বলিষ্ঠ পদক্ষেপ ল'ব পৰা আৰু মাত মাতিব পৰা প্ৰথম আৰু একমাত্ৰ সৰ্বভাৰতীয় নেতা আছিল। তেওঁৱেই এক মহান বিপ্লৱৰ ( সামাজিক-ৰাজনৈতিক আদি ) সূচনা কৰিছিল। ১৯২৭ চনত তেওঁৰ



নেতৃত্বতে হৰিজনসকলে পোন প্ৰথমবাৰৰ বাবে নাছিকৰ 'কলাৰাম' মন্দিৰত প্ৰৱেশ কৰে।

১৯২৮ চনতে তেওঁৱেই দলিতসকলৰ হৈ চাইমন কমিচনৰ আগত সাক্ষ্য প্ৰদান কৰে। ১৯৩০ চনৰ পৰা ১৯৩২ চনৰ ভিতৰত লণ্ডনত বহা ঘূৰণীয়া মেজমেলতো তেওঁৱেই অৱনমিত জনগোষ্ঠীৰ হৈ প্ৰতিনিধিত্ব কৰিছিল যাৰ বাবে প্ৰথমখন মেল মহাত্মা গান্ধীয়ে বৰ্জন কৰিছিল। দ্বিতীয়খন মেজমেললৈ গৈছিল যদিও আম্বেদকাৰ, জিন্না আদি লোকসকলৰ নানা প্ৰশ্নৰ উত্তৰ দিবলৈ অক্ষম হৈ এদিন মাত্ৰ উপস্থিত আছিল। আম্বেদকাৰে মহাত্মাজীক বাৰে বাৰে এটাই মাত্ৰ প্ৰশ্ন কৰিছিল যে অগণন জনগণক বন্দী আৰু বান্দীৰ দৰে সামাজিকভাৱে বঞ্চিত কৰি ৰাখি কাৰ বাবে স্বাধীনতা বিচাৰিছে। সেইবুলি তেওঁ বৃটিছক ভাৰতৰ পৰা গুচি যোৱাটোও বিচাৰিছিল।

তাৰপৰা ঘূৰি আহি হে মহাত্মাজীয়ে অস্পৃশ্য অৱনমিত সকলক 'হৰিজন' নামাকৰণ কৰি তেওঁলোকৰ কল্যাণৰ কাৰণে আঁচনিৰ লগতে অস্পৃশ্যতা বৰ্জন আঁচনিও ভাৰতীয় কংগ্ৰেছৰ আঁচনিত অন্তৰ্ভুক্ত কৰিছিল, যাৰ বাবে উচ্চবৰ্ণৰ লোকসকলে গান্ধীজীকেই হৰিজন মুক্তি আন্দোলনৰ গুৰি ধৰোতা বুলি কয়।

সকলো ফালৰপৰাই দাবী উঠাত ১৯৩২ ৰ পৰা ৩৪ চনৰ ভিতৰত বৃটিছ গৱৰ্ণমেণ্টে কিছুমান সমস্যা ভিত্তি হিচাপে লৈ অৰ্থনৈতিক আৰু শৈক্ষিকভাৱে পিছপৰা আৰু অস্পৃশ্য বৰ্গক বাচি উলিয়াই দুৰৱস্থাবোৰ কিছু উপশম ঘটোৱাৰ উদ্দেশ্যৰে এখন আয়োগ গঠন কৰে। জনজাতিৰ লোকসকল আৰু অন্যান্য দুৰ্গত লোকসকলো ইয়াৰ ভিতৰত আছিল। এই আয়োগে সকলো পিছপৰা জনগোষ্ঠীক বাচি উলিয়াই মানদণ্ডৰ ভিত্তিত বিভিন্ন সম্প্ৰদায় সমূহৰ তিনিখন লিষ্টিভুক্ত কৰিছিল। এই লিষ্টি ধাবাক ইংৰাজীত "Schedule" বুলি কয়। "Schedule" শব্দৰ অৰ্থ ভাৰতীয় ভাষাত তপশীল বা "অনুসূচী"। একোখন অনুসূচীৰ ভিতৰত ধৰা

লোকসকলকে অনুসূচীত জাতি বোলা হৈছে। Chambers Dictionary ত "Untouchables of India" বা অস্পৃশ্য সম্প্ৰদায় বুলিছে। ইয়াৰ আগতে সকলোকে "Depressed class" বা দলিত জাতি বোলা হৈছিল। স্বাধীন ভাৰততো ইয়াৰ পুনৰ-বিন্যাস ঘটায়। কি কেইটা বিশেষ কথাৰ ভিত্তিত এইসকলক অনুসূচীত কৰা হৈছিল তাৰ সবিশেষ প্ৰবন্ধ লিখকৰ জনা নাই। তথাপি সেই সময়ৰ ১৯৩৯ চনৰ লোকপিয়ল আয়ুক্ত জে, এইচ, হুটনৰ লিখনিত নিম্ন উল্লিখিত কথাকেইটা পোৱা যায়।

১। যিবোৰ লোকৰ হাতেৰে শুদ্ধাচাৰী ব্ৰাহ্মণে আহাৰ গ্ৰহণ নকৰে।

২। ব্যৱসায়িকভাৱে পানী যোগান ধৰা, চুলি কটা, কাপোৰ চিলাই কৰা, কাপোৰ ধোৱা, চামৰাৰ কাম কৰা, ময়লা চাফা কৰা, ৰাজহুৱা শ সৎকাৰ কৰা, ধাই আদি মাতৃমঙ্গলৰ কাম কৰা, মাটিৰ কাম কৰা, বাঁহ-বেতৰ কাম কৰা আদি লোক, যাৰ হাতে উচ্চ হিন্দুৱে আহাৰ-পানী গ্ৰহণ নকৰে। ইয়াৰ ভিতৰত মাছ-মাংসৰ ব্যৱসায়ীসকলো পৰে।

৩। কোনো উচ্চ জাতৰ লোক কলুষিত হ'লে অৰ্থাৎ অৱনমিত বা জাতিস্খলন হলে বা কৰিলে।

৪। যিসকলৰ হাতেৰে উচ্চ হিন্দুৱে পানী নাখায়।

৫। যিসকল লোকক ৰাজহুৱা যান-বাহন, ৰাস্তা-ঘাট, কুঁৱা আদি ব্যৱহাৰ কৰিবলৈ দিয়া নহৈছিল অথবা পঢ়াশালিত একেলগে পঢ়িবলৈ দিয়া নহৈছিল।

৬। যিসকল লোকক হিন্দুৰ মঠ-মন্দিৰত সোমাবলৈ দিয়া নহৈছিল।

৭। যিসকল লোক সাধাৰণতে নিৰক্ষৰতা, অজ্ঞাত আৰু দৈন্যতাৰ বাবে সমাজত অৱহেলিত আৰু নিষ্পেষিত হৈ আহিছে।

৮। যিসকল লোকক তেওঁলোকে গ্ৰহণ কৰা ব্যৱসায়ৰ বাবে সাধাৰণতে সমাজত হীন চকুৰে চোৱা হৈছিল।

৯। উপযুক্তভাৱে শিক্ষা গ্ৰহণ কৰি গুণী-জ্ঞানী হ'লেও যিসকল লোকক উচ্চ হিন্দুসকলে সমানে মৰ্য্যদা দিব নোখোজে ইত্যাদি।

হুটন চাহাবৰ এই মূল কথা কেইটা আধাৰ হিচাপে ললেও ইয়াৰ আনুষাঙ্গিক অনেক অমানবীয় কথা সাঙুৰ খাই আছে।

স্পষ্টভাৱে ক'ব লাগিলে হিন্দু ধৰ্মৰ আচাৰ-অবিচাৰৰ মূল কাঠামোৱেই হৈছে অস্পৃশ্যতা পালন। অনেক সময়ত ব্ৰাহ্মণেও ব্ৰাহ্মণৰ হাতে সিদ্ধ অন্ন গ্ৰহণ নকৰে—কোনো শূদ্ৰৰ হাতেৰেতো নকৰেই। এইটো সাধাৰণ কথাহে। আচাৰ্য্যজনৰ কথাটো হৈছে ব্ৰাহ্মণসকলে অস্পৃশ্য হিচাপে গণ্য কৰা শূদ্ৰসকলেই একাংশই নিজৰেই একাংশক অস্পৃশ্য হিচাবে ঘৃণাৰে ব্যৱহাৰ কৰিবলৈ লোৱা-টোৱে বৰ্তমান কালত শূদ্ৰই অস্পৃশ্য হিচাপে গণ্য কৰা শূদ্ৰসকল অতিশূদ্ৰ বুলিও কোৱা হৈছে।

গতিকে আমি ওপৰত উল্লেখিত বিভিন্ন কাৰণসমূহৰ ওপৰত ধ্যান ৰাখিহে অনুসূচীত সকলৰ আৰ্থ-সামাজিক সমস্যাসমূহ বিচাৰ কৰিব লাগিব।

যিকোনো কল্যাণকামী ৰাষ্ট্ৰৰ কৰ্তব্যই হৈছে সমাজৰ দৰিদ্ৰ জনগণৰ আৰ্থসামাজিক অৱস্থাৰ উন্নতি সাধনৰ অৰ্থে নানা আঁচনি হাতত লোৱা। এইটো এটা সৰ্বসাধাৰণ সম্মত মানৱীয় সূত্ৰ। কিন্তু যিসকলক হাজাৰ হাজাৰ বছৰ ধৰি নানা প্ৰক্ৰিয়াৰে মূল্যোৎখাত কৰি বঞ্চিত আৰু নিৰ্য্যাতিত কৰা হৈছে, সেইসকলৰ বাবে আৰ্থ-সামাজিক সমস্যা বুলিলে টকা-পইচাৰ হীন হৈ অভাৱত সামাজিক কাম-কাজত বাধা পৰাকে নুবুজায়। কেৱল নানা উপায়ে অৰ্থনৈতিক সমস্যা সমূহ বাচি উলিয়াই তাৰ সমাধান কৰিলেই সামাজিক সমস্যা সমূহ দূৰ নহয়।

আমাৰ অসমৰ অনুসূচীতসকলৰ জনসংখ্যা শেহতীয়া লোক গণনা মতে প্ৰায় ১৫ (পোন্ধৰ) লাখ বুলি দেখুৱা হৈছে। ইয়াৰ ভিতৰত বাগান কৰ্মী আৰু প্ৰাক্তন বাগান কৰ্মীসকলক ধৰা হোৱা

নাই। মোৰ নিজ জিলা, প্ৰাক্তন শিৱসাগৰ মহকুমাত ১৯৬২ চনৰ লোক পিয়ল মতে জনসংখ্যা প্ৰায় ২৯৬০০ জন আছিল। কিন্তু ১৯৭২ চনৰ লোক গণনাত ১৮,০০০ জনলৈ নামিল। সেয়েহে প্ৰকৃত জনসংখ্যা উলিয়াব নোৱাৰিলে অনেক সময়ত উন্নয়নমূলক কাম-কাজৰ আঁচনি কৰা কঠিন হৈ পৰে। অনাহাতে লোক পিয়লৰ গণনাত এনে কিছুলোক ধৰা হয় যিসকল অসমৰ স্থায়ী বাসিন্দা নহয়, কেৱল বেপাৰ-বাণিজ্য কৰিবলৈ অহা। আমাৰ পিয়ল নিৰ্বাচনমুখী হোৱাৰ বাবে এনে হৈছে।

## অনুসূচীতসকলৰ আৰ্থিক অৱস্থা আৰু তাৰ লগত জড়িত অন্যান্য সামাজিক সমস্যা ঃ

অনুসূচীত জাতিৰ লোকসকল অৰ্থনৈতিকভাৱে অতি পিছপৰা। সেয়েহে অৰ্থৰ ওপৰত নিৰ্ভৰশীলসকল সকলো দিশতেই নিঃকিন। ইয়াৰ মূল কাৰণসমূহ বিতংকৈ বিচাৰি উলিয়াব লাগিব। এওঁলোকৰ অধিকাংশৰ অৱস্থা ভাৰতীয় দৰিদ্ৰ সীমাৰেখাৰ বহুত তলত। শতকৰা ৯৫ জনৰ ক্ৰয় ক্ষমতা নাই। এওঁলোকৰ অধিকাংশ জনগণেই খোৱা-পিন্ধা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভাৱত পুষ্টি-হীনতা আৰু নানা দুৰাৰোগ্য ৰোগত ভুগিছে—বিশেষকৈ মাতৃসকল আৰু শিশুসকল। আৰ্থিক, শাৰীৰিক আৰু মানসিক দুৰৱস্থাৰ বাবে শিক্ষা-দীক্ষাৰ প্ৰতি আৰু যিকোনো কৰ্মৰ প্ৰতি আগ্ৰহ কম। যিবোৰ কামত শাৰীৰিক আৰু মানসিক শক্তিৰ প্ৰয়োজন সেই-ফালেও আহৰি। তেওঁলোকৰ অধিকাংশৰে একে পাৰিপাৰ্শ্বিকতাৰ অন্যান্য সম্প্ৰদায়ৰ লোকতকৈ মনোবলৰ লগত শাৰীৰিক গঠনো কম। সেই কথা গৱৰ্ণমেণ্টৰ কিছুমান চাকৰিৰ বাবে দিয়া জোখ-মাখৰ বেহাইৰপৰা বুজিব পাৰি।

অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন কৰিবলৈ হ'লে এই লোক-সকলৰ জীৱিকাৰ বিভিন্ন উপায় সমূহ কি কি বাচি উলিয়াব লাগিব।



অসমৰ অনুসূচীত জাতিবৃন্দৰ ভিতৰত প্ৰায় ষোল্লটামান বিভিন্ন জাত আছে। তেওঁলোকৰ নিৰক্ষৰ সৰ্বসাধাৰণ ৰাইজৰ পৰম্পৰাগত ব্যৱসায় বেলেগ বেলেগ। এই সম্প্ৰদায়বোৰৰ ভিতৰত কৈৱৰ্ত, বণিয়া, হীৰা, জালোৱা কেওঁট, নমঃশূদ্ৰ, পাত্‌নি, মালা, মালাকাৰ, ধোবা, মুচী, চাফাই কামৰ লোক ইত্যাদি সম্প্ৰদায়বোৰ আছে। তদুপৰি অন্যান্য অনেক কৰ্ম আৰু ব্যৱসায় আদি সকলোৰে সমজুৱা বৰ্তমান কালত অনেকেই পৰম্পৰাগত কৰ্মৰ লগতে কৃষি, নানা কুটিৰ শিল্প আৰু কিছুৱে চাকৰি-বাকৰি আৰু ব্যৱসায়-বাণিজ্য কৰি জীৱিকা উপাৰ্জন কৰে। পৰম্পৰাগত কৰ্মবোৰৰ ভিতৰত মৎস্য ব্যৱসায়, স্বৰ্ণশিল্প, মাটিৰ পাত্ৰ গঢ়া, চামৰাৰ কাম কৰা, বস্ত্ৰাদি ধোৱা, চাফাই কাম ইত্যাদি। বৰ্তমান কালত সকলো কৰ্মই সাম্প্ৰ-দায়িক ভিত্তিত কৰাৰ বাধ্যবাধকতা নাই যদিও সম্পূৰ্ণ মুক্ত হৈছে বুলি ক'ব নোৱাৰি।

**কৃষি ঃ** এই লোকসকলক একালত মাটি-বাৰীৰ বন্দবস্তি দিয়া হোৱা নাছিল বাবে প্ৰায় সকলোৱেই মাটিহীন উপান্ত খেতিয়ক। যি সকলে বৰ্তমান কালত দুডৰা মাটি যোগাৰ কৰি লৈছে সিও যৎসামান্যহে। বছৰেকৰ ভাত উৎপন্ন কৰা লোক আঙুলিৰ আগত গণিব পৰা। মাটি-বাৰীৰ কথা প্ৰসঙ্গত বাসস্থানৰ কথাও উঠে। অধিকাংশ লোকৰ ঘৰ-দুৱাৰ নৈ-বিলৰ কাষে কাষে বা এসময়ত উচ্চ হিন্দুসকলে প্ৰয়োজনবোধ নকৰা দ ঠাইত হোৱাত বছৰি বছৰি হোৱা বানপানীত এইসকলেই প্ৰথমে বিধ্বস্ত হৈ বছৰ বছৰ ধৰি সৰ্বশ্ৰান্ত হৈ আহিছে। এইবোৰৰ কোনো সমাধান আজিও হোৱা নাই। চৰকাৰৰ তৰফৰপৰা এই সকলৰ সংস্থাপনৰ কোনো ব্যৱস্থাই হোৱা নাই। ভূমিহীন খেতিয়কক একোঘৰ মানুহক খোৱাৰ জোখাৰে উৎপন্ন কৰিব পৰাকৈও খেতিৰ মাটি দিয়া নাই। যদি কৰবাত দিয়েও উচ্চ হিন্দুৰ বিষয়াৰ কূট কৌশলতাত দ ঠাই বাচি বাচি এইসকলক দিয়া হয়। শালিখেতিতো কৰিব নোৱাৰেই

বাওখেতি বা মৰাপাটৰ খেতি কৰাও অনেক সময়ত সম্ভৱ নহয়। খৰালিও পানী নুগুচে। কিবা সূত্ৰে ভাল ঠাইত দিলে দখল লোৱাত অন্যলোকে বাধা দান দিয়ে আৰু চৰকাৰৰ তৰফৰ পৰাও ৰক্ষণা-বেক্ষণ দিয়া দেখা নাযায়।

অতীজত এইসকল প্ৰায়েই তজ্যুৰ বাহিৰৰ মাটিত থাকিবলৈ বাধ্য কৰাত বাসস্থানৰো অভাৱ। অতি ঠেক ঠেক ঠাইত বসবাস কৰিব লগা হৈছে।

গতিকে এই অনুসূচীত জাতিৰ লোকসকলক ভালকৈ ঘৰ-বাৰী সাজি বসবাস কৰিবলৈ "বাসস্থানৰ মাটি" দিব লাগে (যাৰ নাই) তাৰোপৰি ঘৰ-দুৱাৰ সজাৰ বাবে সাহায্য দিব লাগে। মাটিহীন খেতিয়কক উপযুক্ত ঠাইত মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। চিলিং আইনত অধিগ্ৰহণ কৰা মাটি এনে বিতৰণৰ বাবে বেছি সুবিধা। এই কাম অগ্ৰাধিকাৰ ভিত্তিত কৰিব লাগিব। বাসস্থান আৰু খেতিৰ মাটিৰ আবণ্টন পোৱাৰ বাবে যি Premium দিব লাগে সেইটো অনুসূচীত লোকৰ বাবে এৰি দিব লাগে, নতুবা ৰেহাই হাৰত হ'ব লাগে। খেতিৰ বাবে ভাল সঁচ, সাৰ আৰু যাৱতীয় পৰামৰ্শ আদি বিনামূলীয়াকৈ অথবা ৰেহাই মূল্যত (অৱস্থা অনুপাতে) আগবঢ়াব লাগে।

**মৎস্য ব্যৱসায় ঃ** অনুসূচীত সম্প্ৰদায়ভুক্ত কৈৱৰ্ত, হীৰা, নমশূদ্ৰ, আদি সম্প্ৰদায়ৰ অধিকাংশ লোকেই এই ব্যৱসায় কৰে যদিও বৰ্তমান কালত অন্যান্য লোকেও এই কামত হাত দিছে। নৈ-বিল আদিত প্ৰাকৃতিকভাৱে উৎপন্ন হোৱা মাছৰেই এই লোক-সকলে অধিকাংশ সময়তে ব্যৱসায় কৰি জীৱিকা উপাৰ্জন কৰে। গতিকে চৰকাৰে এই পৰম্পৰাগত ব্যৱসায়ীসকলৰ মাজতে নৈ, বিল আদি কিছু ৰেহাই মূল্যত বন্দবস্তি দিব লাগে।

বৰ্তমান কালত মৎস্য ব্যৱসায় আগৰ দৰে ঘৃণাৰ চকুৰে চাবলৈ এৰিছে। এই অতি মূল্যবান খাদ্য সামগ্ৰী খেতি হিচাপে



ধৰি লৈ ডাঙৰ ডাঙৰ পুখুৰীত মাছ পুহি ইয়াৰ উৎপাদন বঢ়াই অতি লাভজনক ব্যৱসায় হিচাপে সকলোৱেই গ্ৰহণ কৰিছে। গতিকে অনুসূচীত জাতিৰ মৎস্য ব্যৱসায়ী সকলক এনেভাৱে মৎস্য খেতি কৰিবলৈ উৎসাহ দিব লাগে। উপযুক্তভাৱে এই বিষয়ত শিক্ষা দিয়াৰো ব্যৱস্থা কৰিব লাগে। যিসকলে ফিচাৰী খুলিবলৈ খোজে তেওঁলোকক সৰুবিল বিলাক দীৰ্ঘম্যাদী বন্দবস্তৰ লিজত দিয়াৰ উপৰিও পুখুৰী আদি খনাৰ বাবে দ মাটি আৰু যাৱতীয় খৰচ বহন কৰিবলৈ ঋণ আদি কম সুদত দিয়াৰ ব্যৱস্থা কৰিব লাগে। ভাল সঁচৰ পোনা পোৱাৰ ব্যৱস্থা কৰিব লাগে। যোৱা বছৰ মাছৰ মহামাৰী হোৱাৰ পৰিপ্ৰেক্ষিতত মৎস্য ৰোগৰ নিৰ্ণয় আৰু চিকিৎসাৰ সম্পূৰ্ণ ব্যৱস্থা চৰকাৰে কৰিব লাগে। তাৰবাবে চিকিৎসক প্ৰশিক্ষণ দিয়াই আনিব লাগে।

**স্বৰ্ণ শিল্প ঃ** অসমৰ বণিয়াসকলৰ এইটো একৰকম এক-চেতিয়া ব্যৱসায় আছিল। এই শিল্পৰ আধুনিক গঢ়ন আদিৰ কাৰিকৰী জ্ঞানৰ লগত আগুৱাব নোৱাৰি এই ব্যৱসায় প্ৰায় এৰি দিয়াৰ দৰেই হৈছে। তথাপি আগ্ৰহী লোকক ব্যক্তিগত বা সমবায় ভিত্তিত পুনৰ আৰম্ভ কৰিবলৈ উৎসাহ প্ৰদান কৰি অসমীয়াৰ মাজত মৃতপ্ৰায় এই লাভজনক শিল্পৰ পুনৰ উদ্ধাৰ কৰি অনেকৰেই জীৱিকাৰ পথ মুকলি কৰিব পাৰি। তাৰবাবে উপযুক্ত প্ৰশিক্ষণ আৰু ব্যৱসায়ৰ বাবে মূলধনৰ ব্যৱস্থা কৰিব লাগে।

**মৃৎ শিল্প ঃ** মাটিৰে গঢ়া কুমাৰ শিল্পৰ টেকেলী, কলহ আৰু নানা মাটিৰ পাত্ৰৰ ব্যৱহাৰ জনসমাজত বৰ্তমানো আছে। গতিকে এই শিল্পৰ লগত জড়িত লোকসকলৰ অৱস্থাহীনসকলক সকলো প্ৰকাৰৰ সহযোগ দিয়াৰ লগতে উন্নত প্ৰণালীত পাত্ৰ গঢ়াৰ লগতে মাটিৰ নানা মনোহাৰী বস্তু বা মূৰ্ত্তি আদি গঢ়াই পকোৱা আৰু ৰং দিয়া আদিৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। খৰি আদিৰ নাটনি হোৱাৰ লগতে দাম বঢ়াত আৰু খাটনি অনুপাতে

মাটিৰ পাত্ৰৰ মূল্য কম হোৱাটোও এটা প্ৰধান সমস্যা। গতিকে ইয়াৰ একোটা উপযুক্ত মূল্যমান ঠিক কৰি দিব লাগে।

**চামৰা শিল্প ঃ** এই শিল্পৰ লগত জড়িত অসমীয়ালোক বৰ্তমান নাই বুলিলেই হয়। অন্য ঠাইৰপৰা আহি যি সকলে কেইবা পুৰুষো অসমত থাকিবলৈ ল'লে আৰু প্ৰাক্তন বাগিছা কৰ্মী যিসকলে অসমত নিগাজীকৈ বসতি কৰি অসমৰ ভাষা সংস্কৃতি গ্ৰহণ কৰিছে, সেই সকল প্ৰায় কৃষিজীৱী হৈ পৰিল। আমি সৰ্বসাধাৰণতে দেখিবলৈ পোৱা লোকসকলৰ অধিকাংশই অসমৰ নিগাজী বাসিন্দা নহয়। এই শিল্পৰ চাহিদা বৰ বেছি। বৈজ্ঞানিক প্ৰণালীৰে কৰিব পাৰিলে বহুত লাভজনক। হস্তশিল্পবিলাকৰ ভিতৰত চামৰা শিল্প বৰ্তমানো এবিধ উল্লেখযোগ্য শিল্প। ইচ্ছুক প্ৰাৰ্থীক উপযুক্ত প্ৰশিক্ষণ আৰু যাৱতীয় সকলো ধৰণৰ সাহায্য আগবঢ়াই উৎসাহ প্ৰদান কৰিলে অনেকৰেই জীৱিকাৰ বাট মুকলি হ'ব।

তদুপৰি কাঠৰ কাম, ৰাজমিস্ত্ৰীৰ কাম, বাঁহৰ কাম আদি নানা তৰহৰ অন্যান্য কামৰ যোগেদিও অনুসূচীত জাতিৰ লোকসকলে যিকোনো এটা কাম বা কেইবাটাও কাম কৰিও জীৱিকা উপাৰ্জন কৰে। এইবিলাকৰ সমস্যা নাই বুলি ভাবিব নোৱাৰি। সেই দিশৰ বিভিন্ন সমস্যাৰ উপশম ঘটোৱাৰ ব্যৱস্থা কৰিব লাগে।

**তাঁত শিল্প ঃ** আমাৰ অসমৰ জীয়াৰী-বোৱাৰী সকলোৱেই এদিন এই শিল্পৰ লগত জড়িত আছিল। আজি-কালি নানা কাৰণত আৰু অসুবিধাত এইবোৰ কাম বিশেষকৈ শিক্ষিত নাৰী সমাজে এৰি দিছে। সেয়েহে তাঁত শিল্পৰ উৎপন্ন বস্তুৰ বজাৰত চাহিদা কমি নোযোৱা সত্বেও এনে হোৱাতো দুখজনক। চৰকাৰে সুলভ মূল্যত আৰু কিছুমানক সাহায্য হিচাপে তাঁতৰ শাল আৰু নানা বিধ সূতাৰ নিয়মিত যোগান আৰু প্ৰশিক্ষণ দিয়ালে আৰু লোকসকলৰ মাজত উৎসাহ প্ৰদান কৰিলে ইয়াৰ যোগেদিও অনেক অভাৱী লোকৰ জীৱিকাৰ উপায় উলিয়াই দিব পাৰি। অৱশ্যে তাৰ বাবে এখন বিশেষ



বজাৰৰ ব্যৱস্থা কৰিব লাগিব; যদিও তাত উৎপন্নখিনি কোনো লোকে ঘৰে ঘৰে গৈ বা কোনো সমবায়ৰ পৰা সংগ্ৰহ কৰি সহজেই মুখ্য দি পোৱাৰ ব্যৱস্থা কৰিব লাগে।

এৰিপলু, পাটপলু আদি পুহিও কিছু কিছু উপাৰ্জন কৰে। তথাপি নানা কাৰণত এইবিলাক কৰ্ম অনেকেই এৰি দিছে। চৰকাৰে এইবিলাকৰ বাবে জনসাধাৰণৰ মাজত প্ৰচাৰ আৰু উৎসাহ প্ৰদান কৰি যাৱতীয় সা-সুবিধা আগবঢ়ালে বহুত কামত অহাৰ উপৰিও অসমৰ নিজা এটা আপুৰুগীয়া শিল্প জীয়াই ৰখাৰ সুবিধা হ'ব।

অনুসূচীতসকলৰ অৰ্থোপাৰ্জনৰ উল্লেখিত বিভিন্ন পথৰ উপৰিও অন্য এটা প্ৰধান পথ 'চাকৰি'। প্ৰত্যেক শিক্ষিত ল'ৰা-ছোৱালীৰেই চাকৰিৰ প্ৰতি ধাউতি বেছি। আমাৰ দেশৰ আমোলাসকলৰ মান-সন্মান আৰু খোৱা-পিন্ধা, থকাৰ মানদণ্ডৰ বাবেই এনে হোৱা দেখা যায়। পুৰণি পৰম্পৰাৰ মানসিকতাত শাৰীৰিক কৰ্ম কৰি জীৱিকা উপাৰ্জন কৰা লোকতকৈ চাকৰি-বাকৰি কৰি খোৱা লোকৰ আদৰ বেছি হোৱাৰ বাবেও চাকৰিতকৈ অন্য কৰ্মৰ প্ৰতি ধাউতি কম।

অতীতৰপৰা এই খাটি খোৱা অনুসূচীত জাতিৰ লোকসকলক কোনো চাকৰিত নিয়োগ নকৰাৰ বিধানৰ লগতে শিক্ষা-বিদ্যা আহৰণ কৰাৰ অধিকাৰ খৰ্ব কৰি ৰখা হৈছিল। বৰ্তমান কালত তেনে কথাৰ অৱতাৰণা অপ্ৰাসঙ্গিক যদিও নানা কাৰণবশতঃ অধিকাংশ লোকেই শিক্ষাৰ ক্ষেত্ৰত পিছপৰি থকা বাবে নানা দিশত বহুমুখী প্ৰতিভা থকা লোকৰ অভাৱৰ কথা বাদেই কোনো এক বিষয়ত ব্যুৎপত্তি সম্পন্ন লোকৰো এই সকলৰ মাজত অনেক অভাৱ। তথাপি যি সকল অৰ্হতাসম্পন্নলোক আছে তাতো অনেক সমস্যা নথকা নহয়। বৰ্তমান কালত সংবিধান সন্মত সংৰক্ষণ ব্যৱস্থা আছে যদিও জনসংখ্যা অনুপাতে কম বুলিয়েই কব পাৰি। কাৰণ ১৯৫২ চনত প্ৰথম সংবিধান প্ৰণয়নতে যি প্ৰাদেশিক ৭% আৰু কেন্দ্ৰীয় চাকৰি ক্ষেত্ৰত ১০% সংৰক্ষণৰ ব্যৱস্থা আছিল তাক বঢ়োৱা হোৱা নাই।

আনহাতে ৪র্থ শ্ৰেণীৰ চাকৰিৰ পৰা আয়ুক্ত, মুখ্যসচিব, ন্যায়াধীশ, উচ্চ পদস্থ পুলিচ বিষয়ালৈকে সকলো ধৰণৰ চাকৰিত নিয়োগ কৰাৰ কথা কোৱা হৈছে যদিও তাতো পাক নথকা নহয়। সংবিধানৰ Article ৩৩৫ ত কৈছে : The claim of the members of the Scheduled Caste and Scheduled Tribes shall be taken into consideration consistently with the maintenance of efficency of Administration, in the making of appointment to service and posts in connection with the affairs of Union of a State.

তাকে A.I.R. 1987, S.C.—537 (Para 12) comptroller VS. Jaganathan তো বিশদভাৱে সুমিষ্ট ভাষাৰে লিপিবদ্ধ আছে। দুয়োটা ক্ষেত্ৰতে নিৰ্দিষ্ট উচ্চ খাপৰ চাকৰিটোৰ বাবে বাছনিৰ সম্পূৰ্ণ অধিকাৰ বাছনি কৰোতাৰ ওপৰত। এইসকলৰ মাজৰ উপযুক্ত শিক্ষিত লোকৰ বাছনি কৰি কঠোৰভাৱে প্ৰশিক্ষণ দি অৰ্হতা সম্পন্ন কৰি নিযুক্তি দিয়াৰ ব্যৱস্থাৰ বিষয়ে নিৰ্দেশ নাই। তথাপি বৰ্তমান অৱস্থাত জাতীয় চৰকাৰে কোনো কোনো ক্ষেত্ৰত তেনে ব্যৱস্থা কৰিবলৈ লৈছে।

সকলো খাপৰ চাকৰিতে নিযুক্তি যাতে যথেষ্ট সংখ্যক হয় তাৰ বাবে পোনপটিয়া নিযুক্তিৰ ব্যৱস্থাৰ লগতে যথাসময়ত যাতে পদোন্নতি হয় তাৰ বাবেও সংবিধানৰ ১৬ (৪), ৩২০, (৪) আৰু ৩৩৫ ত ব্যৱস্থা আছে।

সংবিধান প্ৰদত্ত ৰক্ষা কবচ কোনো বিষয়াই সকলোতে কাৰ্য্যকৰী কৰাত গাফিলতি নকৰিবলৈ ভাৰত চৰকাৰৰ ব্যক্তি আৰু প্ৰশিক্ষণ বিভাগে OM/36026/3/85 Estt. (SCT) তাৰিখ ২৪/৬/৮৫ নং চিঠিৰ যোগে সকিয়াই দিছে (Fifth report of the Commission for SC & ST ইয়াৰ তদাৰক কৰিবলৈ এজন উচ্চ পদস্থ বিষয়াক নিযুক্তি দিলেও অনেক সময়তে উচ্চ পৰ্য্যায়ৰ



বিষয়াসকল উচ্চবৰ্ণৰ হোৱা বাবে নতুন S.C. বা S.T. ৰ হলেও তলৰ উচ্চবৰ্ণৰ বিষয়া সকলৰ আন্তৰিকতাপূৰ্ণ সহযোগৰ অভাৱত নানা অজুহাতত খৰটকীয়া নহয়। অন্যহাতে অসম চৰকাৰে এনে কোনো তদাৰক বিষয়া নিয়োগ কৰা বুলি জনা নাযায়। বৰ্তমানো কেন্দ্ৰীয় চৰকাৰে আৰু অসম চৰকাৰে সকলো স্তৰৰ চাকৰিতে অনুসুচীত সকলক দিব লগা অনেক পদবীত নিয়োগ কৰা হোৱা নাই। অন্যহাতে কেৱল সংখ্যাগতভাৱে নিম্নস্তৰৰ চাকৰিত Quota পূৰণ কৰিলেই নহব। উচ্চ গুণগত পদবীলৈও নিযুক্তি আৰু প্ৰমোচন দিয়াৰ ৰায় উচ্চ ন্যায়ালয়ে দিছে।

অসম চৰকাৰৰ নিযুক্তিৰ তালিকাখনলৈ চকু ফুৰালে স্পষ্ট ছবি এখন দেখিবলৈ পাওঁ :—Statistical abstract of Assam 1978—Published by Directorate of Economics and Statistics, Govt. of Assam ৰ মতে বিগত কালছোৱাত আমাৰ ৰাজ্যত চাকৰি আদিৰ ক্ষেত্ৰত বিভিন্ন জনগোষ্ঠীয়ে পোৱা সুবিধাৰ পৰিসংখ্যা তলত দিয়া ধৰণৰ।

| জাতি | ১ম শ্ৰেণীৰ চাকৰি | ২য় | ৩য় | ৪ৰ্থ |
|---|---|---|---|---|
| ১। অনুসূচীত জাতি | ৫৬ | ১৮৫ | ৩৬৭৯ | ৩০৮৯ |
| ২। অনুসূচীত জনজাতি | | | | |
| (ক) ভৈয়াম | ৪৪ | ১১২ | ৩৯৪২ | ১৩৯০ |
| (খ) পাহাৰ | ৯ | ৪৭ | ১৫০২ | ৫৮৮ |
| ৩। অন্যান্য পিছ পৰা | ১৭১ | ৭৯৮ | ২০৮৬৮ | ৯৫৬২ |
| ৪। মুছলমান | ১৬৮ | ৫১৭ | ৭৩৭৬ | ৩১৯৯ |
| ৫। অন্যান্য | ৯৯৯ | ২৮৪৬ | ২৭৭৩৫ | ১১৭৬৮ |
| | ১৪৪৭ | ৪৯০৫ | ৬৫১২০ | ২৯৫৮৮ |

ইয়াৰ পৰাই বুজিব পাৰি অকল প্ৰথম শ্ৰেণীৰ চাকৰিতে আনুপাতিক হিচাপে ধৰিলে তেতিয়ালৈকে আৰু ১৫০ জনতকৈ অধিক লোকৰ নিয়োগ হোৱা নাই অৰ্থাৎ অনুসূচীত সকলৰ প্ৰাপ্য

বিষয় আনক দিয়া হৈছে। তাৰোপৰি যি সকলক দিয়া হৈছে তাৰ ভিতৰতো প্ৰবঞ্চক ভুৱা অনুসূচীত লোকো ওলাব। অনুসূচীত সকলৰ অজ্ঞতা আৰু অৱহেলাৰ বাবেও এনে হোৱা দেখা যায়।

### শৈক্ষিক সমস্যা ঃ

অনুসূচীত লোকসকলৰ অধিকাংশই নিৰক্ষৰ। অতীতৰ বাধা-বিঘিনিৰ কথা বাদ দি সকলোৰে বাবে সকলো দিশৰ শিক্ষা লোৱাৰ অধিকাৰ পোৱা সত্বেও নানা কাৰণত এই লোকসকলৰ অনেকেই বৰ্তমান অৱস্থাতো সিমান আগ্ৰহী হোৱা নাই। তাৰ মূল কাৰণ অভাৱ—খোৱা-পিন্ধাৰ অভাৱ। শিক্ষাৰ অভাৱেই তাৰো মূল কাৰণৰ কথাটো চক্ৰবৎ ঘূৰ্ণায়মান। শিক্ষাও আকৌ দুই ৰকম। দেখি, ঠেকি শিকা আৰু আক্ষৰিক। প্ৰথম বিধৰ পৰিসৰ বৰ ঠেক। শিক্ষাইহে মানুহৰ মানসিক গুণবাজি আৰু প্ৰক্ৰিয়াসমূহৰ বিকাশ সাধন কৰি উৎকৰ্ষ সাধন কৰিব পাৰে। শিক্ষাইহে মানুহক মনোবল আৰু সাহস যোগাই দূৰদৃষ্টিমান কৰিব পাৰে। মানুহবোৰৰ অধি-কাংশই অশিক্ষিত আৰু দৰিদ্ৰ হোৱাৰ বাবে অন্ধবিশ্বাসী, দৈৱ বিশ্বাসী আৰু নীচাত্মিকা হৈ উদ্যমহীন হৈ পৰিছে। অশিক্ষিত অন্ধবিশ্বাসী আৰু ৰক্ষণশীল হোৱাৰ বাবে তেওঁলোকৰ জন্ম হাৰো বেছি। পৰিয়াল পৰিকল্পনাও আদি তেওঁলোকৰ মাজত নিয়াৰিকৈ লোৱাটো সম্ভৱ হোৱা নাই। যদিও কিছুলোক কিছু শিক্ষিত হৈছে তথাপিও উচ্চ শিক্ষিতৰ হাৰ অতি কম। শিক্ষিত নাৰীৰ সংখ্যাও নগণ্য। যুগ যুগ জোৰা বঞ্চিত জনগণে স্কুল-কলেজৰ পাঠ্যপুথিৰ শিক্ষাৰ বাহিৰে প্ৰায়োগিক ফালটো অধিকাংশই আহৰণ কৰিব পৰা নাই। বিশেষ সচেতন হৈছে বুলিও ক'ব নোৱাৰি। সেয়েহে নিবনুৱাৰ সংখ্যা বাঢ়িছে। যদিও চৰকাৰে নানা জনকল্যাণমূলক আঁচনিৰ জৰিয়তে এইসকলৰ দুখদৈন্যতা গুচাবলৈ আঁচনি পাঙিছে, সচেতন নোহোৱাৰ বাবে সুবিধা গ্ৰহণ কৰিব পৰা নাই। আনকি শিক্ষিত



সকলেও নিজৰ আৰু লগতে জ্ঞাতিবৰ্গৰো ন্যায়সঙ্গত প্ৰাপ্যখিনি আদায় কৰিবলৈ দাবী কৰাৰ সাহসখিনি গোটাব পৰা নাই। নিজৰ ভৰিত থিয় হ'ব পৰাকৈ স্বাৱলম্বী কৰ্মত হাত দিব পৰাও হোৱা নাই। এইসকলৰ মাজত আজিলৈও আগশাৰীৰ বিষয়া, শিক্ষক, প্ৰবক্তা, অধ্যক্ষ, উচ্চ মানদণ্ডৰ সাহিত্যিক, বৈজ্ঞানিক, চিকিৎসক, চিন্তাবিদ কেইজন ওলাইছে বিচাৰি চালেই সকলো কথা ওলাই পৰিব। নিয়াৰিকৈ পৰিসংখ্যা লিপি প্ৰকাশ হোৱা নাই। নিজৰ ভিতৰতে তেনে অধ্যয়নশীল পৰিসংখ্যাবিদৰ অভাৱ। কেৱল চৰকাৰৰ ভুৱা ঢাক-ঢোলৰ আঁচনি শুনি সুবিধাবাদী, স্বাৰ্থান্বেষী তথাকথিত উচ্চ হিন্দুসকলৰ অনেকেই ঈৰ্ষান্বিত হৈ পৰিছে।

শিক্ষালয়বিলাকতো অনুসূচীত ছাত্ৰ-ছাত্ৰীৰ ভৰ্তি কৰাৰ হাৰ বঢ়োৱা হোৱা নাই অথচ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনেক বাঢ়িছে। সাধাৰণ ভাৱে যিসকল ছাত্ৰ-ছাত্ৰীয়ে অন্যান্য ছাত্ৰ-ছাত্ৰীৰ লগত প্ৰতিযোগি-তাত উত্তীৰ্ণ হয় তেওঁলোকক সংৰক্ষণৰ ভিতৰত ধৰিব নেলাগে যদিও তাকেই কৰা দেখা যায়। তাৰ মূল কাৰণ নিয়োগকৰ্তাসকল আৰু বাছনি কমিটিৰ সদস্যসকলৰ সাধাৰণভাৱেই বৰ্ণ হিন্দুৰ লোক। তাতে অনেক লোকে ভুৱাৰে নিজকে অনুসূচীত বুলি ভাগ কাঢ়ি লৈছে। ওপৰৰ ইনষ্টিটিউচন বিলাকতো দিনক দিনে ভুৱা লোকৰ সংখ্যা বাঢ়িছে। ছাত্ৰ বাছনি কমিটিবোৰত উপযুক্ত কাৰ্য্যদক্ষ সচেতন অনুসূচীত সদস্য নিয়োগ কৰা হোৱা নাই। ই এক অতিকৈ দুৰ্ভাগ্যজনক।

অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আগবঢ়োৱা সাহায্য বৃত্তিৰ টকাৰ পৰিমাণ কম। যিখিনিকে দিছে তাকো সময়মতে দিয়া নহয়। টকা-পইছাৰ অভাৱত স্কুল-কলেজ এৰি যোৱাৰ অনেক দিন পাছতহে কেতিয়াবা দিয়া হয়। তেনে ক্ষেত্ৰত দুৰ্নীতিৰ সুৰুঙা ওলায়।

সকলোবিলাক কথা সামৰি আচল সমস্যাসমূহ লিখিবলৈ হলে এটা বিশেষজ্ঞ কমিটি গঠন কৰি অৱহেলিত সমাজখনৰ নানা বিষয়ে

গভীৰ অধ্যয়নৰ প্ৰয়োজন। সেইবাবে হ'ব লগা সকলো যাৱতীয় খা-খৰচ চৰকাৰে বহন কৰিব লাগিব। অনুসূচীত জাতিৰ অন্তৰ্ভুক্ত প্ৰত্যেকটো উপজাতিৰো নিজা নিজা কিছু সমস্যা আছে।

## অস্পৃশ্যতা জনিত সামাজিক সমস্যা ঃ

ওপৰে ওপৰে দেখাত অস্পৃশ্যতা বোলা কথাষাৰ অসমত, অন্য প্ৰদেশৰ তুলনাত কিছু কম হ'লেও মানুহৰ মনোবৃত্তিৰ কিবা পৰিবৰ্তন পৰিলক্ষিত হোৱা নাই। নগৰ অঞ্চলৰ বাহিৰে গাওঁ অঞ্চলবোৰত অনুসূচীত জাতিৰ লোকসকল নানা দিশত অস্পৃশ্যতাৰ বলি হৈ কাবু হৈয়েই আছে। অৱশ্যে স্কুল-কলেজ, অফিচ আদিত দেখাত কমিছে। আনকি যিসকল অনুসূচীত জাতিৰ লোক শৈক্ষিক আৰু অৰ্থনৈতিক ভাৱে তথাকথিত উচ্চ হিন্দুসকলৰ সমকক্ষ হৈছে তেওঁলোকেও অনেক সময়ত জন্মৰ বাবে অৱজ্ঞা অৱমাননাৰ বলি নোহোৱাকৈ থকা নাই। যিসকলে বৃটিছ আৰু ব্ৰাহ্মণে এইবোৰ কৰিলে বুলি চিঞৰে সেইসকলৰ শিক্ষিতসকলও এই বিষয়ত অলপো শিক্ষিত হোৱা নাই। সেই বাবেই তালিকা বাছনি কমিটিয়ে শিক্ষা বিদ্যা গ্ৰহণ কৰি সকলো প্ৰকাৰে সমপৰ্য্যায়ৰ হোৱা সত্বেও যিসকলক উচ্চ হিন্দুৱে সমাজত সমান মৰ্য্যাদা নিদিয়ে কথাটো ন্যায়সঙ্গতভাৱেই উল্লেখ কৰিছিল। তথাকথিত উচ্চ হিন্দু সকলৰ মনৰপৰা জাত্যাভিমান আৰু অনেক দিন এইসকলৰ প্ৰতি নীচ জাতিৰ বুলি পুহি ৰখা তুচ্ছ-তাচ্ছিল্য আৰু অৱহেলা অৱমাননাৰ ভাৱ-ভঙ্গী অলপো আঁতৰা নাই। এই কথা উচ্চ পদবীৰ অনুসূচীত জাতিৰ কোনো বিষয়া কৰ্মচাৰীয়ে কেতিয়াও উপলব্ধি কৰিব লগা হোৱা নাই বুলি কলেও বিশ্বাসযোগ্য নহয়। অনেকে আকৌ অনুসূচীত লোকৰ এইবোৰ ধ্যান-ধাৰণা অতীতৰ নীচাত্মিকাৰ প্ৰভাৱ বুলি ক'ব খোজে।

বৰ্তমান কালতো বৰ্ণ হিন্দুৰ পুৰোহিতসকলে অনুসূচীত জাতিৰ লোকৰ ঘৰত পুৰোহিতালি নকৰে। গাঁৱৰ নামঘৰ বিলাকত আৰু



সত্ৰসভাৰ নামঘৰ বিলাকত অনুসূচীত জাতিৰ লোকক পবিত্ৰভাৱে গ'লেও প্ৰবেশ কৰিবলৈ নিদিয়ে। শঙ্কৰ সমাজ, শঙ্কৰ সংঘ আদিৰ সভ্য সকলে ৰাজহুৱাভাৱে নাম গুণ গাই মাহ-প্ৰসাদ গ্ৰহণ কৰা দেখিলেও তেওঁলোকৰ নিজ নিজ গাঁৱৰ নামঘৰবিলাকত তেনে কৰিবলৈ সাহস গোটাব পৰা নাই।

অসবৰ্ণ বা আন্তৰ্জ্জাতিক বিবাহ আদি আজিও হোৱা নাই। অন্যকি শিক্ষিতে শিক্ষিতেও। অতীজৰ পৰা যিটো চলি আছে তাতোকৈ এখোপো আগবঢ়া বুলি ক'ব পৰা নাযায়। কেইখন বিবাহ পৰিয়ালে পৰিয়ালে আনুষ্ঠানিকভাৱে অন্তৰঙ্গভাৱে পাতিছে ? কেতিয়াবা বাধ্যবাধকতাৰ মাজেদি আৰু 'তাৰো মনে গ'লে মোৰো মনে গ'লে কি কৰিব কলিতা কুলে' আদিৰ মাজেদিহে হৈছে। 'অস্পৃশ্যতা বিলুপ্তি'ৰ যি সংবিধানিক লিপি আছে (Indian Constitution Article No. 17 তাৰে মহাত্মা গান্ধীৰ নামত, শ্ৰীমন্ত শঙ্কৰ দেৱৰ নামত দিনে ৰাতিয়ে বাতৰি কাকত, ৰেডিঅ', টেলিভিচন যোগে প্ৰচাৰ কৰিছে মাথোন। কাৰ্য্য ক্ষেত্ৰত "থম্‌থম্ মদন গোপাল"। এইবোৰ কাৰো মনত ৰেখাপাত নকৰে। বাতৰি কাকতৰ মালিকীস্বত্ব বৰ্ণবাদীসকলৰ হাতত হোৱাৰ বাবে অনুসূচীত সকলৰ মনোবেদনা যথাযথভাৱে প্ৰতিফলন নকৰে। সাহিত্যিক, বুৰঞ্জীবিদ, সাংবাদিক লিখক আদি কাৰো লিখনিত কৈৱৰ্ত, বণিয়া, হীৰা, নমশূদ্ৰ আদি সকলো খিলঞ্জীয়া অসমীয়া বুলি কোৱা লিখা বিৰল। যেন এইসকল পুখুৰীৰ 'পুণি'হে।

যিবোৰ সত্ৰ সভা অনুষ্ঠানে হিন্দুৰ ভিতৰতেই এনে ঘৃণা বিতৃষ্ণাৰ আজিও প্ৰচলন বৰ্তাই ৰাখিছে অনুসূচীতসকলে তেনে মঠ-মন্দিৰ অনুষ্ঠান-প্ৰতিষ্ঠান বৰ্জন কৰিব লাগে আৰু দান-বৰঙণি আগবঢ়াব নালাগে। ঘৃণা সৃষ্টিৰ প্ৰতিষ্ঠানবোৰ অপবিত্ৰ বুলি বুজিব লাগে।

শিক্ষিত বৰ্ণহিন্দু সম্প্ৰদায়ৰ উদাৰনৈতিক লোকসকলৰ কোনেও আগভাগ লৈ কোনো অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি উদাৰভাৱে সন্তৰস্থলত বৈবাহিক সম্বন্ধ আদি ঘটাই, যিসকলে কৰে তেওঁলোককো সামাজিক

সুৰক্ষা দি কাম কৰা দেখা নেযায়। 'লাহে লাহে হ'ব' 'জ্ঞাতিৰ পৰা নোৱাৰি' আদি উক্তিৰে মূৰ পোলোকা মাৰে।

এনেবোৰ দুমুখীয়া নীতিৰ বাবেই অসমৰ এই দুৰৱস্থা। ভিতৰি ক্ষুব্ধ। এদিন উদ্গিৰণ হ'বই—ই ধ্ৰুৱপ। কেৱল কেইজনমান শিক্ষিত লোকৰ ৰাজনৈতিক অভিসন্ধি দেখিলেই নহ'ব। ক্ষন্তেকীয়া আবেগিক একাত্মাৰ (Emotional Intregration) আধ্যাত্মিকতা আদি কথাবোৰ নুবুজাকৈয়ে বক্তৃতাৰ ফুলজাৰি কিবা কামত আহিছে জানো? সামাজিক সম অধিকাৰ, মুক্ত আদান-প্ৰদান, সমতা স্থাপন আৰু সমব্যৱহাৰেৰে মানুহৰ মাজত আত্মীয়তা বঢ়াই একাত্মবোধ আৰু আধ্যাত্ম শক্তিৰ উৎকৰ্ষতা বঢ়ায়। যিদিনা মানুহে বুজি উঠিব ভগৱান মানে মানৱ সমাজ, সমাজ কল্যাণ আৰু শান্তিৰ চিন্তাই আধ্যাত্মিক চিন্তা বস্তুবাদ বা বাস্তৱবাদতেই আধ্যাত্মবাদ নিহিত আছে আৰু পুৰুষাৰ্থই পৰমাৰ্থ, সেইদিনাহে প্ৰকৃত শান্তি বিৰাজ কৰাৰ সম্ভাৱনা।

আজি অসমৰ প্ৰায় ১৫ লাখ অনুসূচীত জাতিৰ লোকৰ ভিতৰত প্ৰায় ১২ লাখ লোকৰ ভাষা, সংস্কৃতি, আচাৰ-বিচাৰ সংস্কাৰ আদিৰ ফালৰপৰা মহন্ত, কলিতা আদিৰ সমপৰ্য্যায়ৰ। বৰ্ণবাদী হিন্দুৰ পুৰুষ-মহিলা সকলে তেওঁলোকৰ অহেতুক জাতি দাম্ভিকতা আৰু সংস্কাৰ পৰিত্যাগ কৰি অসমীয়া জাতিৰ আধাৰ স্বৰূপ এই লোকসকলক সমব্যৱহাৰ আৰু সমভাৱেৰে সকলোতে প্ৰাপ্য অধিকাৰ দি একতাৰ দোলেৰে সকলো প্ৰকাৰে যদি এক জাতি, এক ভাৱ নলয়, আৰু যি ভাৱে অন্যান্য পিছপৰা জনগোষ্ঠীসকল বৰ্ণবাদী সকলৰ পৰা আঁতৰি যোৱাৰ প্ৰয়াস কৰিছে আৰু অনেকেই নিজকে জনজাতি বুলি পৰিচয় দি জনজাতি গোষ্ঠীভুক্ত হ'বলৈ দাবী তুলিছে, সেইদৰে অনুসূচীতসকলেও অদূৰ ভৱিষ্যতে তেখেত সকলৰ লগ লগাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। গতিকে প্ৰাক্তন গৃহমন্ত্ৰী বুটা সিঙৰ ভাষাৰে কবলৈ হ'লে 'অসমৰ ভৱিষ্যতৰ বলটো' বৰ্ণবাদীসকলৰ হাততে বুলি কথাটো অদূৰ ভৱিষ্যতে সম্ভৱ হোৱাৰেই সম্ভাৱনা।



অসমৰ নানা ছাত্ৰ-ছাত্ৰীৰ সন্থাবোৰেও এই দিশত একো কৰা নাই। মনত ৰখা দৰকাৰ যে গোপনে পুহি ৰখা বৰ্ণবাদী বিচাৰ ধাৰা বৰ্জন কৰিব নোৱাৰিলে তেওঁলোকেও একো কৰিব নোৱাৰে। তেওঁলোকৰ কৰ্মৰাজি 'ধান খেৰৰ জুই'ৰ দৰে হ'ব। উচ্চকাঙ্খাৰ অভিপ্ৰায়েৰে নেতা, উপনেতা পতা বা হোৱাৰ আখৰা কৰিলেই নহ'ব।

## জনস্বাস্থ্যৰ সমস্যা ঃ

ইতিপূৰ্বেই সংক্ষিপ্তভাৱে উনুকিয়াই অহা হৈছে যে, অনুসূচীত জাতিৰ সৰ্ব্বসাধাৰণ লোকসকলৰ সাধাৰণ স্বাস্থ্য পুতৌ লগা বিধৰ। শৈক্ষিক আৰু অৰ্থনৈতিক অনাটনেই ইয়াৰ মূল কাৰণ বুলি ধৰিব পাৰি। মাটি-বাৰীৰ অভাৱত পাৰিপাৰ্শ্বিকতাও সকলো প্ৰকাৰেই দোষণীয়। পৰিষ্কাৰ খোৱা পানীৰ অভাৱ। এনে নানা সমস্যাত জৰ্জৰিত লোকসকল পুষ্টিহীনতাৰ লগতে নানা ৰোগত আক্ৰান্ত। বিশেষকৈ শিশু আৰু মাতৃসকল। সন্তান সম্ভৱা মাতৃসকলৰ অনেকৰেই অৱস্থা পুতৌ লগা। অশিক্ষাজনিত পৰম্পৰাগত অন্ধ-বিশ্বাসেও এইবোৰত নানা ভাৱে অৰিহণা যোগাইছে। অৱস্থা অনুপাতে জনসংখ্যাৰ হাৰ বেছি। প্ৰায়বোৰ অনুসূচীত জাতিৰ লোকৰ গাওঁবোৰত বিশুদ্ধ খোৱা পানীৰ অভাৱ। এইবিলাকৰ জৰুৰী সমাধান হ'ব লাগে।

## যাতায়াতৰ সমস্যা ঃ

অধিকাংশ সময়তে অনুসূচীত জাতিৰ লোকসকলৰ গাওঁবিলাক একাষৰীয়া আৰু আওহতীয়া ঠাইত হোৱাৰ বাবে যাতায়াতৰ বহুত অসুবিধা। আলি-পদুলিৰ ভাল ব্যৱস্থা নাই। এনে হোৱাৰ বাবেও এই গাওঁবোৰে অন্যান্য লোকৰ তুলনাত উন্নতি কৰিব পৰা নাই।

আৰু অনেক সমস্যা আছে, যিবোৰ বিতংভাৱে আলোচনা কৰাই সম্ভৱ নহয়। তাৰ কিছুমান মূল সমস্যাবিলাকৰে আনুষঙ্গিক।

## পৰিশিষ্ট ঃ

এই লোকসকলৰ হ্ৰস্বকালীন ব্যৱস্থাৰে আৰ্থ-সামাজিক সমস্যাবোৰ সমাধানৰ ব্যৱস্থা কৰিব লাগে। কাৰ্য্যকৰী ব্যৱস্থা নললে কেৱল আলোচনাত আঁচনিলৈয়েই সন্তুষ্ট থাকিলে নহ'ব। চৰকাৰৰ দ্বাৰা নানা আঁচনি হাতত লৈছে যদিও সেইবোৰৰ সুবিধা দিবৰ বাবে জনতাৰ একেবাৰে ওচৰলৈ গৈ বুজাই দিব লাগিব। অৰ্থনৈতিক উন্নতিৰ বাবে সাহায্যমূলক আঁচনিবোৰ সৰলভাৱে বুজাই দিবলৈ প্ৰশিক্ষণপ্ৰাপ্ত সেৱক-সেৱিকা নিয়োগ কৰিব লাগে। উঠি অহা চাম বিশেষকৈ শিক্ষিত লোকসকলে কৰিব পৰা সকলো কৰ্মকে কৰিবলৈ আৰু সকলো ব্যৱসায়-বাণিজ্য কৰিবলৈ উৎসাহ প্ৰদান কৰিব লাগে। সন্তৱস্থলত অনুসূচীত জাতিৰ পৰিয়ালবোৰক পৰম্পৰাগত ব্যৱসায়ৰ পৰিবৰ্তে বৰ্তমান যুগৰ প্ৰয়োজনীয় অন্যান্য কৰ্মৰ প্ৰতিহে আগ্ৰহ জন্মাব লাগে। সেই আঁচনিবোৰ তেওঁলোকৰ বুদ্ধি বৃত্তি আৰু কৰ্মশক্তিৰ লগত খাপখোৱা বিধৰ হ'ব লাগে। যিবোৰ ব্যৱসায় কৰি জীৱিকা নিৰ্বাহ কৰিবলৈ শাসন আৰু সমাজে তেওঁলোকক বাধ্য কৰি ঘৃণা কৰিবলৈ লৈছিল তেনেবোৰ কৰ্মৰপৰা বিৰত হ'বহে যত্ন কৰিব লাগে। নহলে কৰ্ম জন্মগত আৰু জাতিগত হৈয়েই থাকিব। কৰ্মবোৰ জাতিগত আৰু জাতি জন্মগতৰপৰা শ্ৰেণীগতলৈ পৰিবৰ্তন কৰি সকলোৰে মাজত কৰ্ম বিতৰণৰ পদ্ধতি অৱলম্বন কৰাব লাগিব তেহে কিছুমান কৰ্মৰ প্ৰতি কিছুমান মানুহৰ মনত থকা অহেতুক ঘৃণা, বিদ্বেষ আৰু অস্পৃশ্যতা আদিবোৰ সমাজৰপৰা লুপ্ত হ'ব আৰু অনুসূচীতসকলেও যুগ জোৰা গ্লানিৰ পৰা মুক্ত হ'ব।

যদিও বৰ্তমান কালত সকলো ধৰণৰ কৰ্ম বা ব্যৱসায় আদি কৰাত সকলোকে সমঅধিকাৰ দিয়া হৈছে তথাপি শিক্ষা আৰু মূলধনৰ অভাৱ, লগতে যুগ যুগ ধৰি সেই বিষয়ত অভিজ্ঞতা আৰু ব্যুৎপত্তি নথকাত যি কোনো কামত হাত দিবলৈ অনুসূচীতসকলে ভয় কৰে। চৰকাৰৰ দ্বাৰাও যিবিলাক উন্নয়নমূলক আঁচনি লৈছে অশিক্ষাজনিত



অজ্ঞতাৰ কাৰণে আৰু শিক্ষিত হলেও শিক্ষাৰ প্ৰয়োগিক ফালটো আহৰণ কৰিবলৈ অক্ষম হোৱাত অনেক সময়তেই এই লোকসকলৰ সৰ্বসাধাৰণে গ্ৰহণ কৰিব নোৱাৰাৰ বাবে বিশেষ ফলদায়ক হোৱা নাই। অন্যহাতে অনেক সময়তে এই আঁচনিবোৰ ৰাজনৈতিক উদ্দেশ্য আগত ৰাখি ভোটৰ চিন্তাৰে কৰা বাবে, আভুৱা ভৰা। ফলদায়ক চিন্তা প্ৰসূত নহয়। এইবোৰত প্ৰকৃত দৰিদ্ৰ লোকৰ ভাগ্য উন্নয়নৰ প্ৰতিশ্ৰুতি নাই। নানা কাৰণত, ইতিমধ্যেই যিসকলে ভাগ্য উন্নয়নৰ সুবিধা ভোগ কৰি আহিছে সেই ভাগ্যবানসকলেই উপকৃত হৈছে। অতীজৰে পৰা যিসকলৰ নানাভাৱে মেৰুদণ্ড ভাঙি থোৱা আছে, সেইসকলৰ কোঙা হাতত ধৰ-ধৰ ল-ল কৰি দিলেও হাতৰ পৰা সৰি পৰিছে। শিক্ষিত সকলো অনেক সময়তেই সচেতন নহয়।

সেয়েহে প্ৰথম কাম হৈছে পুৰুষ-মহিলা সকলোৰে মাজত নিৰক্ষৰতা দূৰ কৰি শিক্ষিত আৰু সচেতন কৰা। এই লোকসকলৰ প্ৰত্যেক ল'ৰা-ছোৱালীয়ে যাতে শিক্ষা গ্ৰহণ কৰিব পাৰে তাৰ বাবে এটা বয়সৰ সময় সীমা বান্ধি, এটা নিৰ্দ্দিষ্ট স্তৰলৈকে শিক্ষা বাধ্যতামূলক কৰিব লাগে। ই হব লাগিব বিনামূলীয়াকৈ। প্ৰকৃত অভাৱী লোকৰ ল'ৰা-ছোৱালীক নিম্নতম প্ৰয়োজনীয় কাপোৰ-কানি আৰু পাঠ্যপুথিৰ বিনামূলীয়াকৈ যোগান ধৰিব লাগিব। কণ কণ ল'ৰা-ছোৱালীৰ বাবে পুষ্টিকৰ আহাৰো নিয়মিতভাৱে যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগিব। মেট্ৰিক পৰ্য্যায়লৈকে সকলো ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব পৰাৰ সুবিধা কৰি নিম্ন পৰ্য্যায়ত সংৰক্ষণৰ ব্যৱস্থা উঠাই দিব লাগে। প্ৰত্যেক ঘৰ মানুহৰে ল'ৰা-ছোৱালী যাতে প্ৰাইমেৰী পৰ্য্যায়ত স্কুললৈ নিয়মিতভাৱে পঠিয়ায় তাৰ বাবে চকু দিবলৈ গ্ৰাম-সেৱিকা বা অঙ্গনবাদী নিয়োগ কৰিব লাগে।

উচ্চ মাধ্যমিক পৰ্য্যায়ৰ পৰা মহাবিদ্যালয়সমূহৰ ভৰ্তিৰ সংৰক্ষণৰ হাৰ ১৫% লৈ বঢ়াব লাগে। ইয়াৰ ভিতৰত সাধাৰণভাৱে প্ৰতিযোগিতাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক ধৰিব নেলাগে। এই

বাবে অসম গৱৰ্ণমেণ্টৰো প্ৰাদেশিক চৰকাৰে ব্যৱস্থা হাতত লব পৰাকৈ এই ক্ষমতা প্ৰদান কৰা আছে। এইটোৱেই আচল নিয়ম যদিও মানি চলিবলৈ স্কুল-কলেজৰ মুৰব্বীসকল নাৰাজ। এই নিয়ম বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে হব লাগে আৰু অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ বৃত্তিৰ হাৰ আনতকৈ বেছি হব লাগে। মেডিকেল, ইঞ্জিনিয়াৰিং আদি কলেজবিলাকতো স্নাতক হোৱাৰ পাছত প্ৰত্যেক বিভাগৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰটো সংৰক্ষণৰ ব্যৱস্থা থাকিব লাগে। ইয়াৰ পাছতো এই অনুসূচীত ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাই মেধাৱী ছাত্ৰ-ছাত্ৰী বাছি উলিয়াই উচ্চ শিক্ষাৰ বাবে বিদেশলৈ পঠোৱাৰ দিহাও চৰকাৰে কৰিব লাগে।

উল্লেখিত ব্যৱস্থাবোৰ সকলো চৰকাৰে, সাহায্যপ্ৰাপ্ত কিম্বা প্ৰাইভেট শিক্ষানুষ্ঠানবোৰলৈও সম্প্ৰসাৰণ ঘটাব লাগে। সকলো স্কুল-কলেজৰ ভৰ্তিৰ বাছনি কমিটিবোৰত দক্ষ আৰু সচেতন অনুসূচীত সদস্য নিয়োগৰ ব্যৱস্থা বাধ্যতামূলক হ'ব লাগে।

নিয়োগৰ ক্ষেত্ৰতো সকলোৰকম চাকৰিৰ বাবেই প্ৰাৰ্থী বাছি উলিয়াই বিশেষভাৱে প্ৰশিক্ষণ দি নিয়োগ কৰিব লাগে। নিয়োগৰ ক্ষেত্ৰতো অতীতত ৫২ চনৰ ব্যৱস্থা মতেই ৭% প্ৰাদেশিক ধাৰা আৰু ১০% কেন্দ্ৰীয় চাকৰিৰ নিয়োগৰ হাৰ বঢ়াব লাগে। এই সংৰক্ষণ প্ৰথা ৰাজহুৱাখণ্ড, অৰ্দ্ধ-গৱৰ্ণমেণ্ট প্ৰতিষ্ঠান আৰু প্ৰাইভেট অনুষ্ঠান-বোৰলৈ সম্প্ৰসাৰণ ঘটাব লাগে। এইবিলাকত চকু ৰাখিবলৈ প্ৰাদেশিক পৰ্য্যায়ৰ পৰা জিলা পৰ্য্যায়লৈকে একোজন বিশেষ বিষয়া নিযুক্তি দিব লাগে।

৪ৰ্থ শ্ৰেণীৰ চাকৰিৰ পৰা সৰ্ব্বোচ্চ পৰ্যায়ৰ চাকৰিলৈকে আৰু আৰক্ষণ বা পুলিচ বিভাগৰ সকলো ধৰণৰ চাকৰিতে যাতে যথেষ্ট সংখ্যক লোকক পোনপটিয়াকৈ নিযুক্তি আৰু যথা সময়ত পদোন্নতি আদি দিয়ে তাৰ বাবে ভাৰতৰ সংবিধানৰ ১৬(৪) ৩২০(৪) আৰু ৩৩০ অনুচ্ছেদ আৰু সেই সম্বন্ধীয় ব্যাখ্যা বিভিন্ন AIR বিলাকত আছে। এই পদোন্নতি আৰু সংৰক্ষণ নীতিৰ অন্যান্য অৰ্থনৈতিক ব্যৱসায় প্ৰতিষ্ঠানবোৰলৈ সম্প্ৰসাৰণ ঘটাব লাগে।



অন্যহাতে জনসংখ্যা অনুপাতে বিধান সভাৰ আসনো পৰ্য্যাপ্ত হোৱা নাই। আনকি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাবে অনুসূচীতসকলৰ হৈ সংসদৰ মজিয়াত তুষাৰ ক'বলৈও কোনো সংসদৰ আসন নাই। কিন্তু গৰজ মতে এইবিলাকৰ যথোচিত ব্যৱস্থা কৰিবলৈ প্ৰাদেশিক গৱৰ্ণমেণ্টক অধিকাৰ দিছে। সংবিধানৰ অনুচ্ছেদ (১) (২) আৰু অনুচ্ছেদ ৩৩২(১)ত ইয়াৰ ব্যৱস্থা আৰু ব্যাখ্যা আছে। অৱশ্যে অনুসূচীত জাতিৰ বিধায়কসকল একমুঠ হৈ যথাস্থানত আপত্তি দৰ্শাব লাগিব। আমাৰ বিধায়কসকল প্ৰদৰ্শনীৰ আহিলা স্বৰূপ হোৱাত আৰু উচ্চাকাংখ্যা গোপনে ৰাখি ভক্তিবাদী ৰাজনীতি কৰাত অধ্যয়নশীল নোহোৱাত যথাৰ্থভাৱে উচ্চ হিন্দুৰ ভোটেৰেহে আসন পাবলগা হোৱাত, দৰিদ্ৰ জনগণৰ কথা ভাবিবলৈ আহৰি কম।

চৰকাৰৰ তৰফৰ পৰা যিবোৰ জনকল্যাণ নিগম আৰু উন্নয়ন পৰিষদ গঠন কৰি দিছে সেইবিলাকৰ উপকাৰো প্ৰকৃত দৰিদ্ৰজনে পাইছে নে নাই ক'ব নোৱাৰি। কিছুমান বস্তু অনুদান হিচাপে দিয়ে যদিও সেইবোৰৰ ব্যৱহাৰৰ যোগেদি ব্যক্তি গৰাকীয়ে নিজ পৰিয়ালক পোহপাল দিয়াৰ ব্যৱস্থা কৰিব পাৰিব নে নোৱাৰে লক্ষ্য কৰা নহয়। অনেক সময়ত স্বজন প্ৰীতিয়েও ঠাই পায়। কেৱল চৰকাৰৰ ওচৰত অনুনয়-বিনয় কৰি আৰু চৰকাৰৰ অনুগ্ৰহ অনুদান গ্ৰহণ কৰি, কোনো সম্প্ৰদায় মানুহ বোলায় বৰ্তি থাকিব নোৱাৰে। অনুসূচীতসকলে ভালকৈ বুজা উচিত যে মগনীয়াই খুজিলেই জহা চাউল কেৱে নিদিয়ে।

প্ৰকৃত শিক্ষাইহে মানুহৰ জ্ঞান, সাহস আৰু মনোবল সঞ্চাৰ কৰিব। শিক্ষিত হলেহে আত্মসন্মানবোধ, আত্মবল, আত্ম-নিয়ন্ত্ৰণ আৰু দূৰদৃষ্টিৰে আত্মপথ শুদ্ধভাৱে বাছি লব পাৰিব। যিসকল তথাকথিত শিক্ষিত হৈছে তেওঁলোকেও নানা দিশৰ অধ্যয়ন, অধ্যৱসায় আৰু নিষ্ঠাৰে যোগ্যতা প্ৰতিপন্ন কৰিবলৈ সদায়েই যত্নবান হলেহে নিজৰ লগতে সমাজকো যোগ্য কৰি তুলিব পাৰিব। □

# অসমৰ অনুসূচীত জাতি মৎস্যজীৱি সকলৰ আৰ্থ-সামাজিক সমস্যা

শ্ৰীদিলীপ দাস

ভাৰত এখন অনুন্নত দেশ। ইয়াৰ অৰ্থনৈতিক সমস্যা দূৰীকৰণৰ বাবে ভাৰত চৰকাৰে স্বাধীনতাৰ পাছৰ পৰা বহু অৰ্থনৈতিক পৰিকল্পনা হাতত লৈছে। উপায়ৰ মূল উদ্দেশ্য হৈছে, ইয়াৰ সম্পত্তি উপযোগী কৰি দেশক অৰ্থনৈতিক আৰু সামাজিক ফালৰ পৰা আগবঢ়ায় নিয়াটো—যাতে সকলোৱে ন্যায়সঙ্গত কল্যাণ পাব পাৰে।

সংবিধান লিপিবদ্ধ মূল নিৰ্দেশাত্মক নীতিটো হৈছে এখন সমাজ যিখন সমাজত সকলোৱে ইয়াৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ অধিকাৰ আছে আৰু যত আৰ্থিক ফালৰ পৰা সবলৰ দ্বাৰা দূৰ্ব্বল মানুহৰ কোনো কাৰ্য্য সফলতাৰে সমাধান কৰিব নোৱাৰে। বাস্তৱ দৃষ্টিভঙ্গি হোৱাতো ভাৰতৰ নিচিনা এখন দেশৰ মঙ্গলময় উদ্দেশ্য।

কিন্তু চৰকাৰৰ দ্বাৰা বিভিন্ন ধৰণৰ প্ৰগতিশীল কাৰ্য্যসূচী আৰু ইয়াৰ উপায় ললেও দুখীয়া তথা পিচপৰা মানুহ বিশেষকৈ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মানুহখিনিয়ে জীৱন ধাৰণৰ মানদণ্ডৰ উন্নতি সাধিব পৰা নাই।

১৯৭১ চনৰ পিয়লমতে অসমৰ অনুসূচীত জাতিৰ ভিতৰত মৎস্যজীৱি মানুহ সৰহ। শতকৰা ৮২·১৭% অসমৰ মৎস্যজীৱি সকলৰ ছয়টা উপসম্প্ৰদায় আছে, যেনে :—নমঃশূদ্ৰ, কৈৱৰ্ত্ত, জালো মালো, পাটনী, জালকেওঁট আৰু আংশিক ভাৱে হীৰা সকল। মৎস্যজীৱি সকলৰ উভয়ে (মতা+মাইকী) সমাজৰ আমোদৰ কাৰণে কঠোৰ পৰিশ্ৰম স্বীকাৰ কৰে। তথাপিও তেওঁলোকৰ আৰ্থ সামাজিক অৱস্থা ইমান তলৰ ফালে গতি কৰিছে যে শুদ্ধ তথা প্ৰকৃত পদক্ষেপ নললে তেওঁলোক বিপদৰ সন্মুখীন হোৱাৰ ভয় আছে।

**অনুসূচীত জাতি মৎস্যজীৱি সকলৰ সমস্যা :** অনুসূচীত মৎস্যজীৱি সকলৰ সমস্যা সকলো কাৰণ অন্তৰ্নিহিত বুলি ধৰিব নোৱাৰি। এইটো জটিল কাৰণ ইয়াৰ প্ৰকৃত কাৰণটো নিৰ্ভৰ কৰি আছে ৰাজ্যত বলবৎ হৈ থকা অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক পদ্ধতিৰ ওপৰত।

**অৰ্থনৈতিক উপাদান :** অসম এখন পিচপৰা ৰাজ্য। আৰ্থিক উন্নতিৰ কাৰণে মূল সম্পত্তি হৈছে ভূমি, জলবায়ু, সাৰুৱা মাটি, পানী, বননি, শক্তি আদি।

**উপাদান সঁজুলি :** ইয়াৰ উপৰিও দেশৰ ভিতৰত অসমে হৈছে ডাঙৰ মীনক্ষেত্ৰৰ অধিকাৰী। অসমৰ মীন ক্ষেত্ৰৰ সঞ্চালক প্ৰধানৰ পিয়ল অনুসৰি মীন ক্ষেত্ৰক তলত দিয়া ধৰণে শ্ৰেণী বিভাগ কৰিব পাৰি।

| | |
|---|---|
| ১) নদী আৰু নৈ— | ৪,৫০০ কিঃ মিঃ |
| ২) বিল— | ১ লাখ হেক্টৰ |
| ৩) জলাহ আৰু দ ঠাই— | ২০,০০০ ,, |
| ৪) পুখুৰী আৰু খাল— | ৯,০০০ ,, |
| ৫) হাবিত মীন ক্ষেত্ৰ— | ৫,০০০ ,, |

এনেকুৱা সৰহ সংখ্যক মীনক্ষেত্ৰ থকা সত্বেও চাহিদা পূৰণ কৰিব পৰা নাই। মাছ প্ৰতি বছৰে বাহিৰৰ পৰা আমদানি কৰিব লগাত পৰে। ১৯৮৪-৮৫ চনত অসমে ৯০,০০০ টন উৎপাদন শক্তিৰ বিপৰীতে উৎপাদন কৰিলে ৪৯০০০ টন।

মাছৰ চাহিদা পাবলৈ হলে মাছৰ পোনা ব্যৱসায়ী সকলৰ বৃদ্ধিৰ বাবে বিলৰ সংৰক্ষিত ঠাই তথা নদীৰ পাৰৰ মীন পালনৰ

ঠাই বৃদ্ধিৰ লগতে মৎস্য ব্যৱসায়ী সকলৰ সহায়ক আদি উন্নতিৰ এটা সু-পৰিকল্পিত কাৰ্য্যসূচী নিৰ্দ্ধাৰণ কৰি লব লাগিব।

সমবায় খণ্ডৰ ভিতৰত ১৯৮৫ চনৰ জুনৰ শেষলৈকে আমাৰ ৰাজ্যত ৬১০ টা প্ৰাথমিক সমবায় সমিতি আৰু এটা ৰাজ্যিক পৰ্য্যায়ৰ মীন বেচা-কিনা নিগম থকাৰ উপৰিও আৰু বহুকেইটা মীন খণ্ড আছে। এইবিলাক উন্নতিৰ সঁজুলি থকা সত্বেও আমাৰ ৰাজ্যত মীন উৎপাদনৰ মাপকাঠি এতিয়াও শীৰ্ষস্থান অধিকাৰ কৰিব পৰা নাই। ইয়াৰ কাৰণ—

১) বানপানী
২) বিল; পুখুৰী আদিৰ পানীৰ শক্তিক আবদ্ধ কৰি ৰখাৰ ফলত তাত এটা পাতল পানীত থকা জলেৰে বৰ্দ্ধন শক্তিৰ উৎপত্তি হয়। যিটোৰ কাৰণে মাছ উৎপাদন হ্ৰাস হয়।
৩) পুখুৰীৰ পৰা খেতি পথাৰলৈ পানী উলিয়াই নিয়াৰ ফলত পুখুৰীৰ পানী হ্ৰাস পায় ফলত মাছ উৎপাদন কমি যায়।
৪) উদ্যোগিক দৃষ্টিত পানী
৫) পুখুৰীৰ সীমাৰ অভাৱ
৬) আধুনিক প্ৰযুক্তি বিদ্যাৰ অভাৱ
৭) মূলধনৰ অভাৱ
৮) পুখুৰী আৰু মাছ ব্যৱসায়ী সকলৰ প্ৰতি সমবায় সমিতি সমূহৰ মনোযোগিতাৰ অভাৱ।

**জনসংখ্যাৰ সোঁত ঃ** ভাৰতবৰ্ষৰ ভিতৰত অসমতে জনসংখ্যাৰ সমস্যা অতি গুৰুতৰ। আন সম্প্ৰদায়বোৰতকৈ পিচপৰা মৎস্য ব্যৱসায়ী সকলৰ জন্মৰ হাৰ বেছি। ইয়াৰ কাৰণ প্ৰধানকৈ শিক্ষাহীনতা।

**শিক্ষা ঃ** অন্য সম্প্ৰদায়সমূহৰ লগতে পিচপৰা জাতি আৰু জনজাতি সম্প্ৰদায় সকলৰ প্ৰতিও শিক্ষাৰ অগ্ৰগণী ভূমিকা লোৱা



উচিত। ১৯৭১ চনৰ লোক পিয়ল অনুসৰি পিছপৰা জাতিসমূহৰ শিক্ষাৰ হাৰ শতকৰা ২৮'১ৰ বিপৰীতে শতকৰা ২৫'৮ জন শিক্ষিত। ইয়াৰ পৰা দেখা যায় যে মৎস্যজীৱি সকলৰ মাজত এতিয়াও শিক্ষাৰ সচেতনতা গঢ়ি উঠা নাই। গতিকে শিক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ হলে তেওঁলোকৰ জীৱন ধাৰাৰ পদ্ধতি, অৰ্থনৈতিক সমস্যা, জাতিভেদ প্ৰথা আদিৰ প্ৰতি সচেতনতা গঢ়ি তুলিব লাগিব।

**নিয়োগ আৰু নিবনুৱা ঃ** নিবনুৱা সমস্যাটো অসমৰ আটাইতকৈ গুৰুতৰ সমস্যা। এই নিবনুৱা সমস্যাটো পিছপৰা মৎস্যজীৱি সকলৰ মাজত আৰু বেছি ভয়াবহ হিচাবে দেখা দিছে। মীন উদ্যোগৰ ক্ষেত্ৰত আধুনিক প্ৰযুক্তি বিদ্যাৰ অভাৱৰ কাৰণে তেওঁলোকে মৎস্য ব্যৱসায়ত সফল হব পৰা নাই। মাত্ৰ কিছু সংখ্যক মৎস্যজীৱি লোকহে চৰকাৰী চাকৰিত নিযুক্ত হৈছে। বাকী সকলোৱে মৎস্য ব্যৱসায়ত মনোনিবেশ কৰিছে। সঠিক মীন উদ্যোগৰ অভাৱৰ কাৰণে তেওঁলোকে এমুঠি অন্নৰ কাৰণে মজদুৰ হিচাবেহে কাম কৰিব লগাত পৰিছে। তাৰ ভিতৰত কিছুমানে ভিক্ষাবৃত্তি অৱলম্বন কৰি আৰু কিছুমানে ঘৰৰ লগুৱা হিচাবে জীৱন-নিৰ্বাহ কৰিছে।

**সঠিক পৰিচালনাৰ অভাৱ ঃ** মৎস্যজীৱি সকলৰ উন্নতিৰ কাৰণে বহুকেইটা চৰকাৰী বিভাগ আছে যদিও সঠিক প্ৰতিনিধিত্বৰে উন্নয়নৰ পৰিচালনা কৰিব নোৱাৰাৰ কাৰণে অসমৰ মৎস্যজীৱিসকলে প্ৰকৃত উপাৰ্জন তথা লাভৰ পৰা বঞ্চিত হৈ আহিছে।

**ভূমি হীনতা ঃ** মৎস্য ব্যৱসায়টো কৈৱৰ্ত্ত, জালকেওঁট, নমশূদ্ৰ, হীৰা আদি সম্প্ৰদায়ৰ পৰম্পৰাগত ব্যৱসায় আছিল। তাৰ ভিতৰত কিছু সংখ্যক লোকেহে খেতি-বাতি বা আন উপায়ে জীৱন-নিৰ্ব্বাহ কৰিছিল। তেওঁলোকৰ পূৰ্ব্বপুৰুষসকলে নতুন পুৰুষসকলৰ বাবে কৃষিভিত্তিক বা বাসস্থানৰ বাবে মাটিৰ ব্যৱস্থা কৰি থৈ যোৱা নাছিল যাৰ কাৰণে বৰ্ত্তমান এই নতুন পুৰুষসকলে আলিবাটৰ কাষ আদিত বাস কৰিব লগীয়াত পৰিছে।

**অ-অৰ্থনৈতিক বাধা ঃ** তেওঁলোকে অকল অৰ্থনীতিৰ পৰাই বঞ্চিত হৈ থকা নাই। তেওঁলোকে জনস্বাস্থ্য, চিকিৎসাৰ সুবিধা সামাজিক কল্যাণমূলক সংস্কৃতি আদিৰ পৰা বঞ্চিত হৈছে।

আনহাতে ৰাজনীতিৰ ক্ষেত্ৰত অনুসূচীত জাতিৰ সংৰক্ষণ তথা সাংবিধানিক নিৰাপত্তা আৰু সুবিধা পোৱা নাই—কাৰণ তেওঁলোকৰ অমনোযোগিতা আৰু পৰিচালনাৰ অভাৱৰ কাৰণে জনপ্ৰিয়তাৰ পৰা বঞ্চিত হৈছে। এই বিলাকৰ কাৰণে তেওঁলোকৰ মাজত অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আদি সমস্যাসমূহ স্থায়ী হৈ পৰিছে। আগৰ পূৰ্ব্বপুৰুষ সকলৰ অমনোযোগিতাৰ বাবেই তেওঁলোকৰ এই সমস্যাসমূহ গভীৰভাৱে সিপাই গৈছে। গতিকে মৎস্য ব্যৱসায়ী সকলৰ অৰ্থনৈতিক উন্নয়নৰ হকে যে তেওঁলোকক শোষণ কৰা ব্যক্তিসকলৰ বিৰুদ্ধে বা পৰিচালনা কৰা ব্যক্তিসকলৰ বিৰুদ্ধে যুজিব লাগিব।

**প্ৰতিকাৰ ঃ** অসমৰ মৎস্য ব্যৱসায়ীসকল অনুন্নত সম্প্ৰদায় এই লোকসকল বিশেষকৈ অসমৰ ভৈয়ামত বাস কৰে। আৰ্থ—সামাজিক কাৰণৰ কাৰণে এই লোকসকলে কোনো কামতে সফল হ'ব পৰা নাই বা কোনো উন্নয়নমূলক কামত আগবাঢ়িব পৰা নাই। যিহেতু মাছ ব্যৱসায়টো এওঁলোকৰ পৰম্পৰাগত ব্যৱসায় সেই গতিকে পূৰ্ব্বপুৰুষ সকলে বৰ্তমানৰ কাৰণে খেতি-মাটি বা তেনে কোনো সুবিধা কৰা নাছিল। সেই গতিকে বৰ্তমানৰ লোকসকলে বহুত অসুবিধাৰ সন্মুখীন হব লগা হৈছে। গতিকে মৎস্য ব্যৱসায়ীসকলৰ এই অসুবিধাবোৰ দূৰীকৰণ কৰিবলৈ হলে আমি বহুমুখী আঁচনিৰ জৰিয়তে উন্নয়নমূলক কামবোৰ কৰিব লাগিব। মৎস্য উৎপাদন আদি দিশৰ ওপৰতো গুৰুত্ব দিব লাগিব যাতে অসমৰ পিছপৰা মৎস্য ব্যৱসায়ী সকলৰ আৰ্থ-সামাজিক অৱস্থা আদি টনকিয়াল হয়। ইয়াৰ উপৰিও মৎস্য ব্যৱসায়ী সকলৰ সমস্যাবোৰ দূৰ কৰিবলৈ হলে তলৰ দিশ কেইটাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব।



১) মৎস্য ব্যৱসায়ী সকলৰ জন্মৰ হাৰ কমাব লাগিব। তাৰ কাৰণে তেওঁলোকক পৰিয়াল কল্যাণ বিভাগে বিশেষকৈ আগভাগলৈ পৰিয়াল কল্যাণ আঁচনিৰ জ্ঞানৰ বিষয়ে অৱগত কৰাব লাগিব। তাৰোপৰি কম বয়সত বিয়া হোৱাটো নিষিদ্ধ কৰি দি বিয়াৰ বয়স নিৰ্দ্ধাৰণ কৰি দিব লাগিব।

২) মৎস্যজীৱী সকলৰ মাজত শিক্ষাৰ আলোক সম্প্ৰসাৰণ কৰিব লাগিব। শিক্ষা আহৰণৰ কাৰণে শিক্ষা বিভাগে মূল ভেটি স্বৰূপ হৈ শিক্ষাৰ অৰ্থ ভালকৈ বুজাই দিব লাগিব। পিছপৰা অনুন্নত শ্ৰেণীৰ এই লোকসকলৰ ল'ৰা-ছোৱালীয়ে শিক্ষা আহৰণ কৰিব পৰাকৈ জিলা পৰ্য্যায়ত বা গাৱঁত বিদ্যালয় স্থাপন কৰি সেইসকলে পঢ়িব পৰাকৈ সুবিধা কৰি দিব লাগিব। উচ্চ শিক্ষা আহৰণৰ কাৰণে তেওঁলোকক বিনামূলীয়া ছাত্ৰাবাস, ছাত্ৰবৃত্তি, কিতাপ-পত্ৰ আদি দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

৩) চৰকাৰী চাকৰি বা তেনে কোনো কামৰ সুবিধা চৰকাৰে কৰিব লাগিব। অনুন্নত শ্ৰেণীটোৰ কাৰণে অসম চৰকাৰৰ অধীনত সংৰক্ষিত স্থান আছে যদিও তাক নিয়াৰিকৈ পালন কৰা হোৱা নাই। গতিকে চৰকাৰে এই সকল লোকক নিয়োগৰ উচিত মূল্য দিব লাগিব। তাৰোপৰি আত্মনিয়োগ আঁচনিৰ জৰিয়তে বেংকৰ পৰা ঋণ দিয়াৰ ব্যৱস্থাও চৰকাৰে কৰা উচিত।

৪) অনুন্নত শ্ৰেণীৰ উন্নয়নৰ হকে প্ৰতিনিধিত্ব কৰা খণ্ড বা সংস্থাবোৰে আঁচনিবোৰ সকল ৰূপায়ণৰ কাৰণে অগ্ৰগণী ভূমিকা লোৱা উচিত।

৫) আশ্ৰয়ৰ বাবে মৎস্যজীৱীসকলক সুবিধা দিয়া উচিত।

৬) মৎস্য ব্যৱসায়ী সকলৰ দৰিদ্ৰতা দূৰ কৰিবলৈ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিব লাগিব।

৭) অৰ্থনৈতিক দিশটোৰ লগতে অ-অৰ্থনৈতিক অৱস্থাৰ প্ৰতি গুৰুত্ব দিয়া উচিত। তেওঁলোকক জনস্বাস্থ্য, চিকিৎসা আদিৰ সা-সুবিধা দিয়া উচিত।

৮) যাতায়ত আৰু যোগাযোগৰ কাৰণে সঠিক সুবিধা দিয়া উচিত। যাতে তেওঁলোকে নিত্য ব্যৱসায় বা যোগাযোগ কৰিব পাৰে।

৯) ৰাজনৈতিক সচেতনতা তেওঁলোকৰ মাজত জগাই তুলিব লাগিব। মৎস্যজীৱীসকলে জাতিগতভাৱে হলেও বিভিন্ন ৰাজনৈতিক মঞ্চত নেতা থিয় কৰাই তেওঁলোকৰ সমস্যা সমূহ বিশ্ব দৰবাৰত তুলি ধৰিব লাগিব।

১০) অস্পৃস্যতা মৎস্যজীৱীসকলৰ এটা ব্যাধি। অন্যজাতিৰ মানুহবোৰে আজিও মৎস্যজীৱীসকলক বেলেগ চকুৰে চাই আহিছে। যাৰ ফলত প্ৰকৃত সান্নিধ্যৰ অভাৱত এটা সুস্থ বাতাবৰণৰ সৃষ্টি কৰিব পৰা নাই।

১১) সামৰণিত ইয়াকে কব পাৰি যে মৎস্যজীৱী সকল এটা বিৰাট জাতিৰ অংশীদাৰ। অসমৰ প্ৰায়ভাগ মানুহেই পিছপৰা সম্প্ৰদায়ৰ। ভাৰতৰ সংবিধানত যিকেইটা নীতিলৈ পিছপৰা সম্প্ৰদায়ৰ বাবে সংবিধান দায়বদ্ধ আছিল বাস্তৱ দিশত তাৰ সঠিক মূল্যায়ন হোৱা নাই। ঐক্যবদ্ধভাৱে থিয় হলে এইবিলাক সমাধান হব। সমাজৰ অন্য সম্প্ৰদায়ৰ মানুহবোৰেও মৎস্যজীৱীসকলক হীন চকুৰে নেচাই তেওঁলোকৰ মাজত আৰ্থিক, সামাজিক, ৰাজনৈতিক ভাৱবোধ জগাই তোলাত সহায়ক হব লাগিব। এটা সম্প্ৰদায় বা জাতিয়েই অসম নহয়। বহু জাতিৰ সমষ্টিতহে অসম। গতিকে প্ৰত্যেকৰ কৰ্ত্তব্য হ'ল নিজৰ জাতিটোক আগুৱাই নিয়াত সামাজিক সমস্যাবোৰ আঁতৰ কৰাত, অন্ধ সংস্কাৰবোৰ দূৰ কৰাত আগবাঢ়ি যোৱাতো। দালাল বা ৰাজনীতিকৰ হাতত এই জাতিক এৰি দিলে ই নিশ্চয় এদিন নিঃশেষ হৈ যাব।

— × —



# কেৱল মাত্ৰ ন্যায়ৰ বাবে

নীলমণি দাস

অসম বিধান সভাৰ অধীনত অসম চৰকাৰৰ বিভিন্ন বিভাগত চলা বিভিন্ন দিশৰ আসোঁৱাহসমূহ পৰীক্ষা কৰিবলৈ কেইবাখনো কমিটি গঠন কৰা হয়। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সমূহীয়া কল্যাণ বিষয়ক প্ৰশ্ন জড়িত দিশসমূহৰ পৰ্যালোচনা কৰি নীতি নিৰ্দ্ধাৰণ কৰিবৰ বাবে এখনি অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণ কমিটি থাকে। পূৰ্বৰ অসম বিধান সভাৰ (১৯৮৫-১৯৯০) তেনে কমিটিৰ ৭ম প্ৰতিবেদনৰ তৃতীয় খণ্ড অসম বিধান সভাত ১৯৮৯ চনৰ ৬ জুনত দাখিল কৰা হৈছিল। উক্ত প্ৰতিবেদনত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে বিভিন্ন বিভাগত সংৰক্ষিত পদসমূহত নিয়োগৰ বাস্তৱ ক্ষেত্ৰত থকা আসোঁৱাহ আৰু পূৰ্বভাৱ (Backlog) সম্বলিত তথ্য সন্নিবিষ্ট কৰা হৈছিল। সেই তথ্যৰ কিছু অংশ আমাৰ হাতত পৰিছে। অনুসূচীত জাতিসমূহক নিয়োগৰ ক্ষেত্ৰত যে সংৰক্ষিত পদ থাকিলেও সেইখিনি সুবিধাৰ পৰা বঞ্চিত কৰা হৈছে তাক উক্ত তথ্যৰ পৰা সহজে বুজিব পাৰি। অনুসূচীত জাতিৰ জ্ঞাতাৰ্থে আমাৰ হাতত পৰা তথ্যৰ পৰা ক্ৰমান্বয়ে প্ৰকাশ কৰিম।

অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ নিয়োগ সংক্ৰান্ত তথ্য কমিটিখনৰ আগত স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ সচিবে পৰিবেশন নকৰি ৭।২।৮৭ তাৰিখে এজন তলতীয়া পদবীধাৰীক পঠিয়াইছিল যদিও উক্ত সচিবৰ ওপৰত কোনো শাস্তিমূলক ব্যৱস্থাই

লোৱাই নহল। কমিটিয়ে এঠাইত উল্লেখ কৰিছিল, "In the fact the Committee notices that no information of the Department of this subject as called for to be shown as on 28th February, 1988 has been received till this report presented to the assembly. The committee, therefore expresses great displeasure on the inaction of the Department of Health & Family Welfare." এনেকুৱা অৱহেলা তেন্তে সদায়েই চলিব নেকি ?

পৰিবহন বিভাগে কমিটিক দিয়া সাক্ষাতত সংৰক্ষিত প্ৰাৰ্থী-সকলৰ শ্ৰেণীভিত্তিক নিয়োগৰ তথ্য দাখিল কৰিব পৰা নাছিল। কমিটিয়ে প্ৰতিবেদনত এটা কথা স্পষ্টকৈ উল্লেখ কৰিছিল যে উক্ত বিভাগত চতুৰ্থ শ্ৰেণীৰ খালী পদসমূহত সংৰক্ষিত প্ৰাৰ্থীসকলৰ নিয়োগৰ অপৰ্য্যাপ্ত সম্ভাৱনা আছে। কিন্তু এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই এই দিশত গুৰুত্ব দিয়া দেখা নগ'ল। তদুপৰি এটা কথাৰ উল্লেখ এনেদৰে কৰিছিল "Department representative submitted again that the backlogs accumulated so far was not because of a recent creation of posts but for not appointing adequate number of candidates appointed already from the reserved communities." অনুসূচীত জাতিৰ লোকসকলৰ প্ৰতি থকা সাংবিধানিক সুৰক্ষালৈ ই জানো প্ৰত্যাহ্বান নহয় ? যদিও উক্ত প্ৰতিবেদনত চৰকাৰক ৬০ দিনৰ ভিতৰত সংৰক্ষিত পদৰ প্ৰাৰ্থীৰ নিয়োগৰ ক্ষেত্ৰত থকা বৈষম্য আঁতৰ কৰিবলৈ পূৰ্বাভাৱ (Backlog) নতুন নিযুক্তিৰে নোহোৱা কৰিবলৈ নিৰ্দেশ দিছিল। তথাপি ১৯৮৯ চনৰ জুন মাহৰ পৰা আজিলৈকে পৰিবহন বিভাগত সংৰক্ষিত পদৰ প্ৰাৰ্থীক কিমান নিযুক্তি দি পূৰ্বাভাৱ আঁতৰাইছে তাৰ তথ্য কিজানি উক্ত বিভাগেও দাঙি ধৰিব নোৱাৰিব।

কমিটিয়ে গৃহবিভাগৰ বিভিন্ন শ্ৰেণীৰ পদত হোৱা নিযুক্তিৰ ক্ষেত্ৰত অনুসূচীত জাতি আৰু জনজাতি সমূহ বঞ্চিত হোৱাৰ



চাঞ্চল্যকৰ তথ্যটি হ'ল সমগ্ৰ বিভাগটিত সৰ্বমুঠ ৪৭৫৯·১২ টা পদত অনুসূচীত জাতিৰ আৰু জনজাতিৰ প্ৰাৰ্থীৰ পূৰ্বাভাৱ জমা হৈ আছে। লগৰ তালিকাখনত সেই তথ্য দেখুৱা হৈছে।

এই তথ্য পৰীক্ষা কৰি উক্ত কমিটিখনে প্ৰতিবেদনত নিজৰ মত এনেদৰে প্ৰকাশ কৰিছিল, "The committee notices that there exists 4109 vacant posts against 4759.12 of all the grades of posts in the organisation under the control of Home Department. The committee has also taken into consideration the assurances given by the Government representative at the time of tendering evidence to the committee for taking up steps of existing vacancies of posts and services by making special recruitment to eliminate the backlogs of reserved community as provided under the law." কিন্তু কি হ'ল প্ৰতিবেদনৰ নিৰ্মম ভাষা ?

ক'ত গ'ল চৰকাৰী প্ৰতিশ্ৰুতিৰ ৬০ দিনৰ কৰ্মপৰিকল্পনাৰ সময়সীমা ? ক'ত অনুষ্ঠিত হ'ল সংৰক্ষিত প্ৰাৰ্থীসকলৰ বাবে বিশেষ নিয়োগ অভিযান ? এইয়াই কি অসম চৰকাৰবোৰৰ আমোলত অনুসূচীত জাতি আৰু জনজাতিসকলক সদায়ে কৰা বঞ্চনাৰ পুঞ্জীভুক্ত ইতিহাসৰ নীৰৱ সাক্ষী সকল ?

এই সমীক্ষাটি পঢ়ি যদি কোনোবাই ভাবে যে মাত্ৰ সেই-কেইটা বিভাগতহে পূৰ্বাভাৱ (Backlog) আছে, আন বিভাগবোৰত নাই তেন্তে সেইটো ভুল কৰা হব। প্ৰায় প্ৰতিটি বিভাগতে কোনো নহয় কোনো ক্ষেত্ৰত পূৰ্বাভাৱ আছে যাৰ ফলত বহুতো অনুসূচীত জাতি বা জনজাতিৰ প্ৰাৰ্থী চাকৰি পোৱাৰ নিয়তম ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈছে। আজি আমি আলোচনা কৰিবলগীয়া বিভাগৰ এতিয়াও স্থিতিশীল হৈ ৰৈ থকা পূৰ্বাভাৱ

## তালিকা নং—১ ঃ গৃহবিভাগত সংৰক্ষিত প্ৰাৰ্থীৰ নিযুক্তিৰ পূৰ্বাভাৱ

| শ্ৰেণী | সৰ্বমুঠ মঞ্জুৰীকৃত পদ | ২৮।২।৮৮ৰ আগেয়ে পূৰণ কৰা পদসমূহত পাবলগীয়া প্ৰতিনিধিত্ব | | | সংৰক্ষিত জাতিসমূহৰ পূৰ্বাভাৱ + হলে অতিৰিক্ত হলে থাকিব-লগীয়াতকৈ কম | | | সংৰক্ষিত জাতিসমূহৰ মুঠ পূৰ্বাভাৱ |
|---|---|---|---|---|---|---|---|---|
| | | অনুসূচীত জাতি | অনুসূচীত জনজাতি (ভৈয়াম) | অনুসূচীত জনজাতি (পাহাৰ) | অনুসূচীত জাতি | অনুসূচীত জনজাতি (পাহাৰীয়া) | অনুসূচীত জনজাতি (ভৈয়াম) | |
| I | ২৯১ | ১৩.৭২ | ৯.৮ | ১৯.৬০ | —১৩.৭২ | —৯.৮০ | —১৬.৬০ | —৪০.১২ |
| II | ৪১৫ | ২০.৬৫ | ১৪.৭৫ | ২৯.৫০ | —৬.৬২ | —১২.৭৫ | —১৯.৭৫ | —৩৮.৯০ |
| III | ৪৬৩৬০ | ৩০২৭.১০ | ২১৬২.১৫ | ৪৩২৪.৩০ | —১০৯৭.০১ | —১৫৩২.১৫ | —১৫৯৯.৩০ | —৪২২৮.৪৬ |
| IV | ৩৮২৮ | ২৬৬.৮৪ | ১৯০.৬০ | ৩৮১.২০ | —৪৩.৮৪ | —১৪৪.৪০ | —২৬৩.২০ | —৪৫১.৬৪ |
| | | | | | | | | —৪৭৫৯.১২ |

## তালিকা নং-২ ঃ অনুসূচীত জাতি/জনজাতিৰ প্ৰাৰ্থীৰ চাকৰিত পূৰ্বাভাৱ থকা বিভিন্ন বিভাগসমূহৰ ২৮-২-৮৮ লৈ দাখিল কৰা প্ৰকৃত অৱস্থা

| বিভাগ | শ্ৰেণী | পদবীৰ মুঠ পদবী | চাকৰি দিয়া পদবীসমূহত থাকিবলগীয়া প্ৰতিনিধিত্ব | | | ইতিমধ্যে নিযুক্তি দিয়া পদৰ ভিতৰত প্ৰতিনিধিত্ব | | | সাময়িক পূৰ্বাভাৱ | | | মুঠ পূৰ্বাভাৱ |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | অ,জা, | অ,জ,(পা) | অ,জ,(ভৈ) | অ,জা, | অ,জ,(পা) | অ,জ,(ভৈ) | অ,জা, | অ,জ,(পা) | অ,জ,(ভৈ) | অ,জা, অ,জ, |
| কৃষি | I | ৯৬৩ | ৬১.৪৬ | ৪৩.৯০ | ৮৭.৮ | ৪০ | ৯ | ৪৯ | —২১.৪৬ | —৪.৯০ | —৩৮.৮০ | |
| | II | ২৪ | ১.২৬ | ০.৯০ | ১.৮০ | ২ | — | — | +০.৭৪ | —০.৯০ | —১.৮০ | ২১০.৩২ |
| | III | ৫৬২৬ | ৩৬৯.১৮ | ২৬৩.৭০ | ৫২৭.৪০ | ৪৭১ | ৮৬ | ৩৮২ | +১০১.৮২ | —১৭৭.৭০ | —১৪৫. ৪ | |
| | IV | ৬১১ | ৪২ ৭৭ | ৩০.৫৫ | ৬১.১০ | ৬৭ | ১৩ | ৬২ | +২৪.২৩ | —১৭.৫৫ | +০.৯০ | |
| পৌৰ প্ৰশাসন, গুৱাহাটী | I | ৩০ | ১.৩৩ | ০.৯৫ | ১.৯০ | ১ | — | — | —০.৩৩ | —০.৯৫ | —১.১০ | |
| | II | ৬০ | ৩.৯২ | ২.৮০ | ৫.৬০ | ১ | — | — | —২.৯২ | —২.৮০ | —৫.৬০ | —১৫১.৬৫ |
| | III | ১০২২ | ৫৭.৬৪ | ৪২.৬০ | ৮৫.২০ | ৪০ | — | ৫২ | —১৭.৬৪ | —৪২.৬০ | —৩৩.২০ | |
| | IV | ১৭১৫ | ১১৬.০৬ | ৮২.৯০ | ১৬৫.৮০ | ২৬৫ | — | ৫৬ | +১৪৮.৯৪ | —৮২.৯০ | —১০৯.৮০ | |
| খাদ্য আৰু অঃ যোগান | I | — | — | — | — | — | — | — | +০.১১ | —১.১৩ | —২.৭০ | |
| | II | — | — | — | — | — | — | — | —০.৯৯ | —৫.৮৫ | —৪.৭০ | —৮৩.৬৬ |
| | III | — | — | — | — | — | — | — | +৯.৪৮ | —১২.৮০ | —১৫.৬০ | |
| | IV | — | — | — | — | — | — | — | —০.৮১ | —৩১. ৩ | —৪৫. ২ | |
| ভূমি সংৰক্ষণ | I | ৫৮ | ৩.১৫ | ২.২৫ | ৪.১৫ | ১ | - | ৩ | —২.১৫ | —২.১৫ | —১৫ | |
| | II | ৫৬ | ২.৫৯ | ১.৮৫ | ৩.৭০ | ২ | ১ | — | —০.৫৯ | —০.৮৫ | —৩.৭০ | —২৯.৫২ |
| | III | ৬৯০ | ৩০.১০ | ১.৫০ | ৪৩.০ | ৪০ | ১০ | ১৫ | +৯.৯০ | +১১.৫০ | +২৮.০ | |
| | IV | ৫৭৬ | ৩৯.৪৮ | ২৮.২০ | ৫৬.৪০ | ৫৮ | ৪৯ | ৩৮ | +১৮.৫২ | +২০.৮০ | +১৮.৪০ | |

খিনি সংক্ষেপে তালিকাৰ আকাৰত প্ৰকাশ কৰিলে উক্ত তথ্যখিনি ১নং তালিকাত দিয়াৰ দৰে দেখুৱাব পৰা যায়।

উক্ত কমিটিখনে পৰীক্ষা কৰা সময়ত বনবিভাগৰ অধীনৰ প্ৰথম শ্ৰেণী আৰু দ্বিতীয় শ্ৰেণীৰ ১২৬টা পদৰ লগতে অন্যান্য পদতো সংৰক্ষিত শ্ৰেণীৰ প্ৰতিনিধিত্ব কিমান তাক দেখুৱাব নোৱাৰিলে। সেয়ে কমিটিয়ে বনবিভাগক কৰ্মচাৰীসকলৰ শ্ৰেণী-ভিত্তিক টোকা এটি প্ৰস্তুত কৰি সংৰক্ষিত শ্ৰেণীৰ তালিকা ৬০ দিনৰ ভিতৰত প্ৰকাশ কৰিবলৈ নিৰ্দ্দেশ দিছিল আৰু লগতে উক্ত সময়চোৱাত বিভাগটোত থকা পূৰ্বাভাৱৰ পদসমূহো পূৰণ কৰিবলৈ ব্যৱস্থা হাতত লোৱাৰ বাবে দায়িত্ব অৰ্পণ কৰিছিল।

গড়কাপ্তানী বিভাগে কমিটিক জনোৱামতে তেওঁলোকৰ কাৰিকৰী পদত ৩৯ জন অনুসূচীত জাতিৰ, ৪ জন অনুসূচীত জনজাতি (পাহাৰ), ২৩ জন অনুসূচীত জনজাতি (ভৈয়াম)ৰ লোকক নিয়োগ কৰা হৈছে। ইয়াৰ বাহিৰে বৈ যোৱা পূৰ্বাভাৱৰ হিচাপ এনেধৰণৰ: অনুসূচীত জাতি—৩৩.১৭, অনুসূচীত জনজাতি (পাহাৰ) ৪৭.৫, অনুসূচীত জাতি (ভৈয়াম) ৮০। বিভাগটোৰ অকাৰিকৰী তৃতীয় শ্ৰেণীৰ পদসমূহতো থকা পূৰ্বাভাৱ ১৮.১৭ অ, জা, ৰ ক্ষেত্ৰত ২৪৫.৪৫ অ, জ, (পা) আৰু অ, জ, (ভৈ)ৰ ক্ষেত্ৰত ২৬১.৭ কমিটিয়ে সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থী নিয়োগ কৰি পূৰ্বাভাৱ সোনকালে আঁতৰাবলৈ বিভাগক নিৰ্দ্দেশ দিছিল।

জলসিঞ্চন বিভাগে কমিটিৰ সন্মুখত সুস্পষ্টভাৱে সংৰক্ষিত-সকলৰ বিভাগৰ পদসমূহত প্ৰতিনিধিত্ব দেখুৱাবলৈ সক্ষম হোৱা নাছিল। সেয়ে কমিটিয়ে এই বিভাগৰ কাম-কাজৰ সন্দৰ্ভত এনেদৰে পৰামৰ্শ আগবঢ়াইছিল—"The additional information in the way of statement showing gradewise categorical backlogs position of the posts and services of reserved communities as directed by the committee



has not been submitted by the Department" ......"The committee wishes that in view of huge backlogs of the posts for reserved communities in the Department, arrangements should be made to make special recruitment, particularly for filling up the vacancies to remove the backlogs of reserved quotas."

অসম চৰকাৰৰ ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ অধীনত ৪৪ টা বিভিন্ন প্ৰতিষ্ঠান আছে যত সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে অসম চৰকাৰে প্ৰয়োজিত কৰা roster নীতি অনুসৰি যথোচিত নিয়োগ-প্ৰাপ্তি পাব লাগে। উক্ত বিভাগে দাখিল কৰা তথ্য অনুসৰি প্ৰতিষ্ঠানসমূহৰ ২য় শ্ৰেণীৰ পদত পূৰ্বাভাৱ থকা পৰিলক্ষিত হয়। কিছুমান প্ৰতিষ্ঠানে আনকি প্ৰকৃত সত্য ঢাকিবলৈ তেওঁলোকৰ নিয়োগপঞ্জী কমিটিৰ আগত দাখিল কৰাৰ পৰা বিৰত থাকিল—"By non submission of position of service and post held by the Scheduled castes and Scheduled tribes in the establishment of several public undertakings of the state of Assam has surprised the committee with thereby the authorities of the Public Enterprises of the State of Assam have violated the provisions of law and also showed utter disregard to the directions of the committee. With utter displeasure the committee has observed that the Administrative Department should see as to whether the required information on the subject have been furnished to the committee as directed." এতিয়া কথা হৈছে চৰকাৰৰ সংৰক্ষণ নীতি অনুসৰণ কৰিলে ৰাজহুৱা উদ্যোগ প্ৰতিষ্ঠানসমূহে যথেষ্ট সংখ্যক অনুসূচীত জাতি আৰু জনজাতিৰ প্ৰাৰ্থীক নিযুক্তি দিব পাৰে। দিব পৰা এনে নিযুক্তিৰ সংখ্যা দহহেজাৰতকৈ কম নহব। যিসময়ত অনুসূচীত

জাতি আৰু জনজাতিৰ প্ৰাৰ্থীসকলে চাকৰিৰ সন্ধানত হাহাকাৰ কৰি ফুৰিছে সেই সময়ত এই প্ৰতিষ্ঠানসমূহে চৰকাৰী মূলধনেৰে গঠিত হৈও চৰকাৰী নীতিৰ দেখদেখকৈ অৱজ্ঞা কৰাৰ সাহস কেনেকে পাইছে বা কোনেইবা দিছে? একেটা প্ৰশাসনযন্ত্ৰকে ভালুকৰ সাঙী কৰি কেইবাটাও চৰকাৰৰ স্থিতি আৰু বৰ বৰ নীতি ঘোষিত হৈছে। কিন্তু সেই প্ৰশাসন যন্ত্ৰটোৰ ইমানেই শক্তি নোহোৱা নহয় যে এই সামান্য নীতিটোক কাৰ্যকৰী ৰূপ দিয়াৰ বাবে প্ৰতিষ্ঠানসমূহক বাধ্য কৰাবলৈ ই অপাৰগ। তেনেহলে কাৰ হেঁয়ালি খেলাত আজিৰ অৱস্থা সম্ভৱ হৈছে? এইবোৰ আমাৰ জ্বলন্ত প্ৰশ্ন ৰাষ্ট্ৰ, ৰাজ্য আৰু নাগৰিকৰো প্ৰশ্ন হোৱা উচিত নহয় জানো?

— × —